www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মানুহে তোমাক নেজানে বুলি দুখ নকৰিবা। তুমি এনে কাম কৰি যোৱা যেন সেই কামে তোমাক মানুহে জনাৰ যোগ্য কৰে। — কনফুচিয়াচ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১২৯ | শুকুৰবাৰ | ২০ ফেব্ৰুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 129 | Friday | 20th February, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

"কংগ্ৰেছত এতিয়া ৰকিবুল হুছেইন চলে, ৰকিবুল হুছেইনে যি কয় গৌৰৱ গগৈয়ে তাকেই কৰে"

■ কংগ্ৰেছৰ পৰা বিজেপিলৈ যাত্ৰাৰ পূৰ্বে উষ্ণ অভ্যৰ্থনা ■

## যোগদানৰ পূৰ্বে ভূপেন বৰাৰ বাসগৃহত পীযুষ-মানৱৰ সাক্ষাৎ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজনীতিত নতুন মোৰৰ সৃষ্টি কৰি প্ৰাক্তন অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই বিজেপিত যোগদানৰ পূৰ্বে তেওঁৰ গুৱাহাটীৰ বাসগৃহলৈ আহিলে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰীকা আৰু বিজেপি বিধায়ক মানৱ ডেকা। বুধবাৰে এই শুভেচ্ছা ❑ ৬ পৃষ্ঠাত

■ ১০ খন ৰাজ্যৰ ৩৭খন আসনৰ বাবে ভোটগ্ৰহণ ■

## ১৬ মাৰ্চত অসমৰ তিনিখন ৰাজ্যসভা আসনৰ নিৰ্বাচন



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ নিৰ্বাচন আয়োগে অহা ১৬ মাৰ্চত দেশৰ ১০খন ৰাজ্যৰ মুঠ ৩৭খন ৰাজ্যসভা আসনৰ বাবে দ্বিবাৰ্ষিক নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিছে। এই আসনসমূহৰ কাৰ্যকাল এপ্ৰিল মাহত সমাপ্ত হ'ব। অসমৰ তিনিখন আসনো এই তালিকাত অন্তৰ্ভুক্ত হৈছে য'ত বৰ্তমানৰ সদস্য ভুবনেশ্বৰ কলিতা, ৰামেশ্বৰ তেলী ❑ ৬ পৃষ্ঠাত

■ বিজেপি চৰকাৰৰ বিৰুদ্ধে ২০ দফীয়া 'জনগণৰ অভিযোগনামা' উন্মোচন ■

# অসমত প্ৰিয়ংকা গান্ধীৰ নিৰ্বাচনী ৰণকৌশল




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰস্তুতিৰ মাজতে ৰাজনৈতিক উত্তাপ তীব্ৰতৰ হৈ পৰিছে। বৃহস্পতিবাৰে দু দিনীয়া ভ্ৰমণসূচীৰ প্ৰথম দিনা গুৱাহাটীত উপস্থিত হৈ কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী তথা স্ক্ৰীনিং কমিটীৰ অধ্যক্ষ প্ৰিয়ংকা গান্ধী বাদৰাই হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ বিৰুদ্ধে বিস্তৃত অভিযোগ উত্থাপন কৰি ২০ দফীয়া 'জনগণৰ অভিযোগনামা' মুকলি কৰে। এই অভিযোগনামাক '২০২৬—অভিযোগনামা, অসমৰ ৰাইজৰ আদালতত' বুলি নামকৰণ কৰা হৈছে আৰু ইয়াক স্পষ্টভাৱে 'অসমৰ জনগণ ❑ ৬ পৃষ্ঠাত

❑ প্ৰাৰ্থী তালিকাক লৈ মন্তব্য APCCৰ সভাপতি গৌৰৱ গগৈৰ ❑

## ফেব্ৰুৱাৰী মাহৰ শেষৰ ফালে ঘোষণা হ'ব কংগ্ৰেছৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হৈ পৰিছে। প্ৰাক্তন সভাপতি ভূপেন বৰাৰ দলত্যাগৰ পিছতো অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে নিৰ্বাচনী কাম-কাজত গতি আনিবলৈ সক্ষম হৈছে। দলৰ সভাপতি গৌৰৱ গগৈয়ে জনোৱা মতে, মাৰ্চ ❑ ৬ পৃষ্ঠাত

ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় অধ্যক্ষ নীতিন নবীনৰ উপস্থিতিত পৃষ্ঠাপ্ৰমুখৰ বিশাল সন্মিলন

## উজনিত এশ শতাংশ জয়ৰ লক্ষ্য বিজেপিৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ফেব্ৰুৱাৰী ঃ** সমাগত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনক লৈ শাসকীয় দল ভাৰতীয় জনতা পাৰ্টী (বিজেপি) অধিক সক্ৰিয় হৈ পৰিছে। দলটোৱে বিভিন্ন নতুন আঁচনি ঘোষণা আৰু ৰূপায়ণৰ জৰিয়তে ভোটাৰৰ মন জয় কৰাৰ লগতে সাংগঠনিক শক্তি বৃদ্ধিৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাই আছে। এই প্ৰস্তুতিৰ অংশ ❑ ৬ পৃষ্ঠাত

## ১১ দিন পাকিস্তানত কি কৰিছিল গৌৰৱ গগৈয়ে? - ভাণ্ডাৰীৰ প্ৰশ্ন

গৌৰৱৰ পত্নীৰ পাকিস্তানী সংযোগক লৈও উত্থাপন গুৰুতৰ অভিযোগ




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ❑ ৬ পৃষ্ঠাত

বিধানসভাৰ পৱিত্ৰতা নষ্ট কৰাৰ অভিযোগ কংগ্ৰেছৰ

## দুই কংগ্ৰেছ বিধায়কৰ সদস্যপদ খাৰিজৰ দাবীত বিধানসভাত উত্তপ্ত পৰিৱেশ; কংগ্ৰেছৰ সদন ত্যাগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম কংগ্ৰেছৰ ভিতৰত অস্থিৰতা বাঢ়ি অহাৰ মাজতে দলটোৰ দুগৰাকী বিধায়কে ৰাইজৰ দলত যোগদান কৰাৰ ঘটনাই ৰাজনৈতিক পৰিৱেশত নতুন জটিলতাৰ ❑ ৬ পৃষ্ঠাত



## এইবাৰ নিৰ্বাচনত নতুন কংগ্ৰেছ বনাম পুৰণি কংগ্ৰেছৰ যুঁজ হ'ব!

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা লোকসভা সাংসদ গৌৰৱ গগৈয়ে ভূপেন কুমাৰ বৰাৰ বিজেপিত যোগদানক লৈ তীব্ৰ সমালোচনা কৰি কয় যে বিজেপিৰ লগত মিত্ৰতা কৰা দলবোৰ ❑ ৬ পৃষ্ঠাত

বিজেপিৰ লগত মিত্ৰতা কৰিলে দল নোহোৱা হৈ যায় ঃ গৌৰৱ গগৈ



## যিখন ঘৰৰ তিনিজনেই হিন্দু নহয়, তেওঁৰ লগত ডিবেট কেনেকৈ কৰোঁ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ফেব্ৰুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা লোকসভা সাংসদ গৌৰৱ গগৈক তীব্ৰ ভাষাৰে প্ৰত্যুত্তৰ দি কয় যে, যিজনৰ পৰিয়ালৰ ❑ ৬ পৃষ্ঠাত

নাতানপুৰত ভাইব্ৰেণ্ট ভিলেজ প্ৰ'গ্ৰাম উদ্বোধন-বৃহৎ জনসভাৰ আয়োজন


## স্বাধীনতাৰ পিছত প্ৰথমবাৰ কাছাৰলৈ গৃহমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, কাছাৰ, ১৯ ফেব্ৰুৱাৰী ঃ** অসমৰ কাছাৰ জিলালৈ দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমনৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। স্বাধীনতাৰ পিছত এই প্ৰথমবাৰৰ বাবে কোনো কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কাছাৰ জিলা ভ্ৰমণ কৰিব। ❑ ৬ পৃষ্ঠাত

"নিৰ্লজ্জতাৰ চৰম সীমা পাৰ হৈছে"

## ভূপেন বৰাৰ বিজেপি গমনক লৈ তীব্ৰ ক্ষোভ!



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ফেব্ৰুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰাই দল ত্যাগ কৰি ২২ ফেব্ৰুৱাৰীত বিজেপিত যোগদান কৰাৰ সিদ্ধান্ত লোৱাত অসম কংগ্ৰেছৰ ভিতৰত তীব্ৰ অসন্তোষ আৰু ক্ষোভৰ সৃষ্টি হৈছে। এই সিদ্ধান্তক লৈ ❑ ৬ পৃষ্ঠাত

অসম চৰকাৰৰ শিক্ষা ক্ষেত্ৰত ঐতিহাসিক পদক্ষেপ

## প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়া সহজ কৰিবলৈ PMS প'ৰ্টেল উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰে ভেঞ্চাৰ শিক্ষা প্ৰতিষ্ঠানসমূহৰ প্ৰাদেশিকীকৰণৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ দিশত এক গুৰুত্বপূৰ্ণ আৰু স্বচ্ছ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে প্ৰাদেশিকীকৰণ ব্যৱস্থাপনা প্ৰণালী (Provincialisation Management System - PMS) নামৰ অনলাইন প'ৰ্টেল উন্মোচন কৰে। এই প'ৰ্টেলৰ জৰিয়তে অপ্ৰাদেশিকীকৃত ভেঞ্চাৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহে সহজে ❑ ৬ পৃষ্ঠাত



অনুসূচীকৰণ, 'মজুৰি আইন, ১৯৪৮' অনুসৰি মজুৰি প্ৰদানৰ দাবী; লখিমপুৰত 'আটছা'ৰ ধৰ্ণা

# বাগিচা মালিক পক্ষই চাহ শ্ৰমিকৰ ভূমি আৱণ্টন প্ৰক্ৰিয়াক বিৰোধিতা কৰাৰ প্ৰতিবাদ




**অসম বাৰ্তা, লীলাবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** অসমৰ চাহ শ্ৰমিকসকলক ভূমি আবণ্টন দিয়া চৰকাৰী পদক্ষেপক বিৰোধিতা কৰি চাহ বাগিচা মালিক পক্ষই আদালতৰ দ্বাৰস্থ হোৱাৰ প্ৰতিবাদৰ সমান্তৰালকৈ চাহ জনগোষ্ঠীৰ লোকসকলক অনুসূচীৰ মৰ্যাদা প্ৰদান কৰা আৰু চাহ শ্ৰমিকৰ দৈনিক মজুৰি 'মজুৰি আইন, ১৯৪৮' অনুসৰি প্ৰদানৰ দাবীত অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা' আৰু অসম চাহ জনজাতি মহিলা সন্থা চমুকৈ 'আটৱা' লখিমপুৰ জিলা সমিতিয়ে লখিমপুৰ জিলা আয়ুক্ত কাৰ্যালয় সমুখত আজি 'ধৰ্ণা কাৰ্যসূচী' ৰূপায়ণ কৰে। অসমৰ চাহ জনগোষ্ঠী লোকসকলে প্ৰায় পাঁচটা দশক ধৰি নিজস্ব আইনগত আৰু সাংবিধানিক প্ৰাপ্য, অধিকাৰৰ বাবে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে দাবী কৰি অহা স্বত্বেও আজিলৈও দাবীসমূহ পূৰণ হোৱা নাই বুলি উল্লেখ কৰি ধৰ্ণা কাৰ্যসূচীটিত সংগঠনটিৰ সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে কয়, অসমত প্ৰায় ২০০ বছৰ বসবাস কৰি অহা চাহ জনগোষ্ঠীৰ ৩৬টা জনজাতিক অনুসূচীকৰণ কৰা হ'ব বুলি চৰকাৰে ঘোষণা কৰিছিল। আটছাই সকলো জাতি, জনজাতীয় সমাজৰ সৈতে আলোচনাত মিলিত হৈ চৰকাৰৰ প্ৰস্তাৱটিক আদৰণি জনায় আৰু ৩৬টা জাতি-সমাজক অনুসূচীৰ মৰ্যাদা প্ৰদান কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়ত সকলো জাতিক অনুসূচীৰ আওতালৈ আনিবলৈ চৰকাৰক দাবী জনাইছিল। শেহতীয়াকৈ, ২০২৫ বৰ্ষৰ নৱেম্বৰ মাহৰ শীতকালীন অধিৱেশনত অসম চৰকাৰৰ মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদনত চাহ জনগোষ্ঠীক এছটি (ভি)ৰ মৰ্যাদা প্ৰদান কৰাৰ প্ৰস্তাৱক তীব্ৰ বিৰোধ কৰি তিৰ্কীয়ে কয়, প্ৰতিবেদনখনত চাহ জনগোষ্ঠীৰ ১০৮ টাতকৈ অধিক জাতি, সমাজৰ সকলোকে সামৰি অনুসূচীকৰণৰ প্ৰস্তাৱ সন্দৰ্ভত স্পষ্টভাৱে উল্লেখ নাই। যাৰ ফলত জনগোষ্ঠীটোৰ মাজত চৰকাৰৰ এই প্ৰস্তাৱকলৈ এক গভীৰ শংকা, অনিশ্চয়তা আৰু অসন্তুষ্টিৰ বহিৰ্প্ৰকাশ ঘটিছে। উল্লেখ্য যে, 'আটছা' আৰু 'আটৱা'ৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত ৰূপায়িত ধৰ্ণা কাৰ্যসূচীটিত লখিমপুৰ জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰক-পত্ৰ প্ৰদান কৰে। সংগঠনটোৰ জিলা সভাপতি চন্দ্ৰ গোঁড় আৰু সম্পাদক ত্ৰিয়োছ ঢড়ৱাইৰ দ্বাৰা স্বাক্ষৰিত স্মাৰক-পত্ৰটিত উল্লেখ আছে যে, চাহ বাগিচাৰ শ্ৰমিকসকলক ভূমি আবণ্টন দিয়া চৰকাৰৰ সিদ্ধান্তক আদৰণি জনাইছে, কিন্তু চাহ বাগিচা মালিক পক্ষই চৰকাৰী সিদ্ধান্তক বিৰোধিতা কৰাক লৈ আটছাই তীব্ৰ ভাষাৰে গৰিহণা দিছে আৰু অসম চৰকাৰৰ শ্ৰম বিভাগে চাহ বাগিচাৰ মালিকসকলৰ ওপৰত এক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি চাহ শ্ৰমিকৰ দখলত থকা ভূমি আবণ্টন কৰিবলৈ দাবী জনাইছে। সংগঠনটিৰ লখিমপুৰ জিলা সমিতিৰ সভাপতি-সম্পাদকদ্বয় চন্দ্ৰ গোঁড় আৰু ত্ৰিয়োছ ঢড়ৱাইৰ নেতৃত্বত ৰূপায়িত ধৰ্ণা কাৰ্যসূচীত 'আটছা'ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুনীল তিৰ্কী, প্ৰচাৰ সম্পাদক বাবুল পাইক, কাৰ্যনিৰ্বাহ সদস্য সুমিত বাদী, 'আটৱা'ৰ সহকাৰী সম্পাদিকা বিপ্লৱীকা কুৰ্মি, কাৰ্যনিৰ্বাহক সদস্যা সুৰেখা তাঁতীয়ে অংশগ্ৰহণ কৰে। ত্যাগ ক্ষেত্ৰৰ পৰা সমদল কৰি প্ৰতিবাদকাৰীয়ে ৰি ৱাণ্ট এছটি, চাহ শ্ৰমিক জিন্দাবাদ, বিজেপি চৰকাৰ হুঁচিয়াৰ, চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধি কৰক, চাহ শ্ৰমিকক ভূমি পট্টা প্ৰদান কৰক আদি শ্লোগানেৰে লখিমপুৰ চহৰৰ আকাশ-বতাহ উত্তাল কৰি তোলে। অসমৰ চাহ শ্ৰমিকৰ মজুৰি নিৰ্ধাৰণ বৃদ্ধি সন্দৰ্ভত অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে আজি পৰ্যন্ত শ্ৰমিকসকলক মজুৰি আৰু প্ৰাপ্য আইনগতভাৱে প্ৰদান কৰোঁৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে বুলি উল্লেখ কৰি 'আটছা'ৰ জিলা সভাপতি চন্দ্ৰ গোঁড়ে কয়, চাহ শ্ৰমিকসকলক এক সংজ্ঞাযুক্ত আৰু বিজ্ঞানসন্মত নিয়ম অনুসৰি মজুৰি প্ৰদান কৰাৰ ব্যৱস্থা শ্ৰমিক কল্যাণ বিভাগ আৰু চাহ বাগিচা মালিক পক্ষই গ্ৰহণ কৰি চাহ শ্ৰমিকসকলক ন্যায় প্ৰদান কৰিব লাগে। শ্ৰমিকৰ মজুৰি 'ন্যূনতম মজুৰি আইন ১৯৪৮' অনুসাৰে প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ বাবে অসম চৰকাৰৰ শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰীক আহ্বান জনোৱাৰ লগতে স্মাৰক-পত্ৰৰ প্ৰতিলিপি জিলা আয়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰে।

'অল আছাম ইলেকট্ৰিচিটি কনজুমাৰ্চ এছচিয়েছন'ৰ স্মাৰক-পত্ৰ

# প্ৰতি মাহে ১২৫ ইউনিট বিদ্যুৎ বিনামূলীয়াকৈ যোগান, 'বিদ্যুৎ (সংশোধনী) বিল, ২০২৫' বাতিলৰ দাবী




**অসম বাৰ্তা, লীলাবাৰী, ১৮ ফেব্ৰুৱাৰী ঃঃ** বিদ্যুৎ বিতৰণ ব্যৱস্থাৰ বেচৰকাৰীকৰণৰ প্ৰক্ৰিয়া বন্ধ কৰা, ঘৰুৱা গ্ৰাহকক মাহত ১২৫ ইউনিট বিদ্যুৎ বিনামূলীয়াকৈ যোগান ধৰা, বিগত সময়ত এপিডিচিএলে মুনাফা কৰা ৪০০ কোটিৰ অনুপাতত বিদ্যুতৰ মাচুল হ্ৰাস কৰাসহ অন্যান্য দাবীত অল আছাম ইলেকট্ৰিচিটি কনজুমাৰ্চ এছচিয়েছনে ১০ ফেব্ৰুৱাৰীৰ পৰা ১৬ ফেব্ৰুৱাৰীলৈ ৰাজ্যব্যাপী প্ৰতিবাদী কাৰ্যসূচী পালনৰ আহ্বানৰ অংশ হিচাপে লখিমপুৰ জিলা কমিটীয়ে ১৬ ফেব্ৰুৱাৰীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে আৰু উত্তৰ লখিমপুৰ বৈদ্যুতিক চক্ৰৰ মুখ্য কাৰ্যবাহী বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ ৭ দফীয়া দাবীৰে স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰটিত উল্লেখ আছে যে, মাচুল বৃদ্ধিৰ বাবে এপিডিচিএল যিমান তৎপৰ, গ্ৰাহকসকলৰ সুযোগ সুবিধা আৰু অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত সিমানেই উদাসীন। গত বিত্তীয় বৰ্ষত কোম্পানীটোৱে ৪০০ কোটি টকা লাভ কৰাৰ বাতৰি পোৱা গৈছে। বিদ্যুৎ যিহেতু এটা অত্যাৱশ্যকীয় সেৱা আৰু এপিডিচিএল সম্পূৰ্ণ চৰকাৰী কোম্পানী, সেয়ে নিয়ম মতে লভাংশৰ আনুপাতিক হাৰত পৰৱৰ্তী সময়ত মাচুল হ্ৰাস কৰা উচিত। কিন্তু সেয়া নকৰি এপিডিচিএলে এইবাৰো কিছুমান কেটেগৰীত পূৰ্বৰ টাৰিফ অব্যাহত ৰাখিছে, যদিও আন কিছুমান কেটেগৰীৰ বাবে মাচুল বৃদ্ধিৰ প্ৰস্তাৱ কৰিছে। তেওঁলোকে উল্লেখ কৰিছে যে, প্ৰতি ইউনিট বিদ্যুতৰ যোগান ধৰা খৰচ (cost of supply) যোৱা বাৰৰ তুলনাত ১৯ পইচা বৃদ্ধি হ'ব। সেয়ে চৰকাৰে ১২৫ ইউনিট বিদ্যুৎ বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে। Electricity (Right of Consumers) Rules, 2020 ৰ অধীনত ভাৰত চৰকাৰে ২০২০ বৰ্ষৰ ৩১ ডিচেম্বৰ তাৰিখে GSR818(E) নং জাননীৰ জৰিয়তে গ্ৰাহকৰ ওজৰ-আপত্তি, অভাৱ-অভিযোগ নিষ্পত্তিৰ বাবে ৰাজ্য, জিলা, মণ্ডল, সংমণ্ডল আদি তৃণমূল পৰ্যায়ত চি জি আৰ এফ (Consumer Grievances Redressal Forum) গঠন কৰা বাধ্যতামূলক কৰিছে। বিগত ২০২৪ বৰ্ষত টাৰিফ আবেদনৰ ৰাজহুৱা শুনানীত অল আছাম ইলেকট্ৰিচিটি কনজুমাৰ্চ এছচিয়েছনে বিষয়টো পুনৰ উত্থাপন কৰাত নিয়ামক আয়োগে নিৰ্দিষ্ট সময়ৰ ভিতৰত ফোৰামবোৰ গঢ়ি তোলাৰ বাবে এপিডিচিএলক নিৰ্দেশ দিয়ে, কিন্তু আজি পৰ্যন্ত তৃণমূল পৰ্যায়ত সেয়া হৈ উঠা নাই। ইয়াৰোপৰি ইতিমধ্যে যিসকল গ্ৰাহকক প্ৰিপেইড স্মাৰ্ট মিটাৰ সংযোগ কৰা হ'ল, সেই গ্ৰাহকসকলৰ আমানতৰ টকা আজিলৈকে ঘূৰাই দিয়া হোৱা নাই। বৰং এপিডিচিএলে অন্যায়ভাৱে আমানতৰ টকা দৈনিক বিদ্যুতৰ খৰচৰ লগত মিলাই দিয়াৰ ধাৰণামূলক ব্যৱস্থা গ্ৰহণ কৰিছে বুলি দাবী কৰিছে, যিটো সম্পূৰ্ণ অন্যায় আৰু আইন বিৰোধী। প্ৰণিধানযোগ্য যে, এপিডিচিএলৰ উদাসীনতা, অকৰ্মণ্যতাৰ বাবে প্ৰতিদিনে অসমত বিদ্যুৎস্পৃষ্ঠ হৈ বিভিন্ন ঠাইত মৃত্যুক সাৱতি ল'ব লগা হয়। প্ৰাপ্ত তথ্য অনুসৰি, গত এটা বছৰত শতাধিক মানুহৰ অকালে প্ৰাণ হানি হৈছে। তদুপৰি অদক্ষ, ঠিকাভিত্তিক কৰ্মচাৰীক দি নিয়ম-নীতিহীন কাম কৰোঁৱাৰ বাবে বহু বিদ্যুৎকৰ্মীৰো মৃত্যু হৈছে। এই সন্দৰ্ভত জাষ্টিচ এইচ এন শৰ্মা কমিচন গঠন কৰা হৈছিল, কিন্তু আজিলৈকে কমিচনৰ পৰামৰ্শৱলী কাৰ্যকৰী কৰা হোৱা নাই। বিদ্যুৎস্পৃষ্ঠ হৈ মৃত্যুবৰণ কৰা মানুহ তথা কৰ্মচাৰীৰ উপযুক্ত ক্ষতিপূৰণৰ বাবে দাবী তোলে সংগঠনটোৱে। চৰকাৰী শক্তি বিতৰণ ব্যৱস্থাৰ বেচৰকাৰীকৰণৰ বাবে চৰকাৰ উঠিপৰি লগাৰ উপৰিও 'বিদ্যুৎ (সংশোধনী) বিল, ২০২৫' কাৰ্যকৰী কৰা হৈছে। অল আছাম ইলেকট্ৰিচিটি কনজুমাৰ্চ এছচিয়েছনে বিলখনৰ তীব্ৰ বিৰোধিতা কৰে বাতিলৰ দাবী জনায়। অল আছাম ইলেকট্ৰিচিটি কনজিউমাৰ্চ এছচিয়েছনৰ লখিমপুৰ জিলা কমিটী যুটীয়া সম্পাদক যুথিকা দলেই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিত- ঘৰুৱা গ্ৰাহকৰ বাবে প্ৰতি মাহে ১২৫ ইউনিট বিদ্যুৎ বিনামূলীয়াকৈ যোগান ধৰা, ৰাজহুৱা শক্তি বিতৰণ ব্যৱস্থাৰ বেচৰকাৰীকৰণৰ সকলো প্ৰক্ৰিয়া বন্ধ কৰা, অসমৰ বিদ্যুৎ গ্ৰাহকক প্ৰিপেইড স্মাৰ্ট মিটাৰ জোৰ-জুলুমকৈ জাপি দিয়াৰ পৰিপ্ৰেক্ষিতত নতুন সংযোগ লবলগীয়া 'ঘৰুৱা-এ' গ্ৰাহকক বিনামূলীয়াকৈ মিটাৰ যোগান ধৰা আৰু প্ৰিপেইড ব্যৱস্থাত গ্ৰাহকৰ পূৰ্বতে জমা ৰখা আমানতৰ সম্পূৰ্ণ ধন অনতিপলমে গ্ৰাহকক ঘূৰাই দিয়াৰ দাবী জনাইছে।

## ৫ মাহ ধৰি পেঞ্চন বন্ধ হৈ থকাত ক্ষোভ প্ৰকাশ

# বিশেষভাৱে সক্ষম ৰাতুল দাসক হুইলচেয়াৰ প্ৰদান লায়ন্স ক্লাব, গুৱাহাটীৰ

**অসম বাৰ্তা, মঙলদৈ, ১৭ ফেব্ৰুৱাৰী ঃ** জন্মৰ পৰাই খোজকাঢ়িব নোৱাৰা, হাত দুখনেৰে ভালকৈ কাম কৰিব নোৱাৰা ওদালগুৰি জিলাৰ কলাইগাঁও থানাৰ অন্তৰ্গত ৰূপাতল গাঁৱৰ বিশেষভাৱে সক্ষম ৰাতুল দাস (২৬)ৰ মুখত আজি হাঁহি বিৰিঙাই তুলিছে লায়ন্স ক্লাব, গুৱাহাটীয়ে। গুৱাহাটীৰ সমাজসেৱী জুনমণি দেউৰীৰ সহযোগত লায়ন্স ক্লাব, গুৱাহাটীৰ তৰফৰ পৰা আজি মানৱতাবাদী সংগঠন 'কৰুণাধাৰা' আৰু 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে-, দৰং, অসমে লাভ কৰা হুইলচেয়াৰ এখন বিশেষভাৱে সক্ষম ৰাতুল দাসক প্ৰদান কৰা হয়। এই উপলক্ষে 'কৰুণাধাৰা'- দৰং জিলা সহায়ক সমিতিৰ প্ৰধান সচিব গণেশ দত্ত, কোষাধ্যক্ষ গোলোক বৰা, 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে-, দৰং, অসমৰ প্ৰাক্তন সম্পাদক জিতুমণি চহৰীয়াই স্থানীয় সমাজসেৱক ৰুণজুন শৰ্মা, চন্দন কুৰ্মী, বিনয় দাস আৰু অন্যান্য ৰাইজৰ উপস্থিতিত ৰাতুল দাসক হুইলচেয়াৰখন প্ৰদান কৰে। তাৎপৰ্যপূৰ্ণ যে, বিশেষভাৱে সক্ষম ৰাতুল দাসে চৰকাৰৰ পৰা পেঞ্চন লাভ কৰিছিল যদিও আজি ৫ মাহে পেঞ্চন পোৱা নাই। পেঞ্চনৰ লগতে প্ৰধানমন্ত্ৰী আৱাস গৃহ এটি ৰাতুল দাসক দিবলৈ মানৱতাবাদী সংগঠন দুটাই দাবী উত্থাপন কৰিছে। উল্লেখ্য যে, সৰু কালতেই পিতৃ মনোহৰ দাসক চিৰদিনৰ বাবে হেৰুৱাৰ পিছত মাতৃ বীণা ৰাণী দাসে অতি কষ্টৰে ৰাতুল দাসক ডাঙৰ দীঘল কৰি আহিছে। কৰুণাধাৰা ন্যাসৰ তৰফৰ পৰাও যুৱকজনক আৰ্থিক সাহায্য প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে।

অগপৰ সৈতে আলোচনাত শ্ৰীভূমি আৰু হাইলাকান্দিৰ তিনি বিধায়ক, যোগদানৰ জল্পনা তীব্ৰ

# দিছপুৰত ৰাজনৈতিক কুচকাৱাজ

**অসম বাৰ্তা, শ্ৰী ভূমি, ১৮ ফেব্ৰুৱাৰী ঃ** অসমৰ ৰাজনৈতিক মহলত আজি পুনৰ এবাৰ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে শ্ৰীভূমিৰ বিধায়ক ছিদ্দিক আহমেদ আৰু হাইলাকান্দিৰ বিধায়কৰ উপস্থিতিয়ে। আজি দিছপুৰত (অগপ)-ৰ শীৰ্ষ নেতৃত্বৰ সৈতে তেওঁলোকক এক গুৰুত্বপূৰ্ণ আলোচনাত লিপ্ত হোৱা দেখা যায়, যাৰ ফলত সম্ভাৱ্য যোগদানক লৈ ব্যাপক জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। সূত্ৰ অনুসৰি, এই বৈঠকখন গোপনীয়তাৰ মাজতেই অনুষ্ঠিত হৈছিল যদিও ৰাজনৈতিক মহলত ইয়াৰ খবৰ



অতি দ্ৰুতগতিত বিয়পি পৰে। দিছপুৰৰ ৰাজনৈতিক কৰিডৰত এই বৈঠকক লৈ এক বিশেষ উত্তেজনাপূৰ্ণ পৰিৱেশ দেখা গৈছিল। উপস্থিত কিছু নেতাৰ মুখত স্পষ্টকৈ দেখা গৈছিল এক গভীৰ চিন্তা আৰু কৌশলগত পৰিকল্পনাৰ ছাঁ। বৈঠকৰ পিছত সাংবাদিকসকলৰ আগত বিধায়ক ছিদ্দিক আহমেদে স্পষ্টকৈ কোনো আনুষ্ঠানিক ঘোষণা নকৰিলেও তেওঁৰ বক্তব্যত স্পষ্টকৈ অনুভৱ হৈছিল এক অন্তৰ্নিহিত পৰিৱৰ্তনৰ ইংগিত। তেওঁ কয়, "মই সদায় মোৰ অঞ্চলৰ জনসাধাৰণৰ স্বাৰ্থক সৰ্বাগ্ৰে ৰাখিছোঁ। আজি যি আলোচনা হৈছে, সেয়া অসমৰ উন্নয়ন আৰু জনতাৰ ভৱিষ্যতৰ সৈতে জড়িত।" তেওঁৰ এই সংক্ষিপ্ত মন্তব্যই বহু প্ৰশ্নৰ জন্ম দিয়ে। একেদৰে নিজামুদ্দিন চৌধুৰী আৰু কৰিমুদ্দিন বৰভূঞাও বৈঠকৰ বিষয়বস্তু সম্পৰ্কে স্পষ্টকৈ ক'বলৈ সাৱধানতা অৱলম্বন কৰে। কিন্তু তেওঁলোকৰ মুখমণ্ডলত দেখা যোৱা গম্ভীৰতা আৰু চিন্তাশীলতা ৰাজনৈতিক পৰিৱৰ্তনৰ সম্ভাৱনাক অধিক দৃঢ় কৰে। অগপৰ শীৰ্ষ নেতৃত্বই অৱশ্যে এই বৈঠকক "সাধাৰণ ৰাজনৈতিক আলোচনা" বুলি অভিহিত কৰে। দলৰ এজন জ্যেষ্ঠ নেতাই কয়, "দল সদায় অসমৰ স্বাৰ্থত কাম কৰা সকলো নেতাক আদৰণি জনাবলৈ সাজু। আলোচনা ৰাজনীতিত এক স্বাভাৱিক প্ৰক্ৰিয়া।" দিছপুৰৰ এই বৈঠকক লৈ সমৰ্থক আৰু সাধাৰণ লোকৰ মাজতো মিশ্ৰ অনুভূতি দেখা গৈছে। কিছুমানে এই সম্ভাৱ্য যোগদানক উন্নয়নৰ নতুন সুযোগ হিচাপে দেখিছে, আনহাতে কিছুমানে নিজৰ পুৰণি ৰাজনৈতিক বিশ্বাসৰ পৰা বিচ্যুতি বুলি অভিহিত কৰিছে। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, যদি এই তিনিজন বিধায়ক আনুষ্ঠানিকভাৱে অগপত যোগদান কৰে, তেন্তে ই অসমৰ ৰাজনৈতিক সমীকৰণত এক উল্লেখযোগ্য পৰিৱৰ্তন আনিব পাৰে। বিশেষকৈ বৰাক উপত্যকাৰ ৰাজনীতিত ইয়াৰ গভীৰ প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে। এইমুহূৰ্তত যদিও কোনো আনুষ্ঠানিক ঘোষণা হোৱা নাই, তথাপি দিছপুৰত হোৱা এই বৈঠকে এটা স্পষ্ট সংকেত দিছে— অসমৰ ৰাজনীতিত নতুন অধ্যায়ৰ সূচনা সম্ভৱত খুব সোনকালে দেখা যাব।

## অসম লোকসেৱা আয়োগৰ পৰীক্ষাত তিনিচুকীয়া জিলাৰ তিনিগৰাকীৰ সফলতা অৰ্জন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৮ ফেব্ৰুৱাৰী ঃ** আজি ঘোষিত অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফলত বৃহত্তৰ ডুমডুমা অঞ্চলৰ দুগৰাকীয়ে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ডুমডুমাৰ ৰ'টাৰী পথ নিবাসী তথা জ্যেষ্ঠ অধিবক্তা সত্যেন বুঢ়াগোহাঁই আৰু দিপালী বুঢ়াগোহাঁইৰ কনিষ্ঠ পুত্ৰ অংশুমান বুঢ়াগোহাঁয়ে সহকাৰী পৰিচালক/সহকাৰী ঔদ্যোগিক বিষয়া/ উদ্যোগ অধীক্ষক শাখাত সপ্তম স্থান লাভ কৰি উত্তীৰ্ণ হৈছে। আনহাতে মৰাণ জনগোষ্ঠীৰ বাবে সংৰক্ষিত আসনত ডুমডুমাৰ ৰঙাজান গাঁৱৰ অমল মৰাণ আৰু ৰূপজ্যোতি মৰাণৰ পুত্ৰ ৰোহিত মৰাণে অসম আৰক্ষী সেৱাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ইফালে মৰাণ জনগোষ্ঠীৰ বাবে সংৰক্ষিত আসনত মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত বাৰেকুৰি বৰগাঁৱৰ দিগন্ত চুতীয়া আৰু ৰাণুমাই চুতীয়াৰ একমাত্ৰ পুত্ৰ অমৃত কুমাৰ চুতীয়াই অসম প্ৰশাসনিক সেৱাৰ বাবে যোগ্যতা অৰ্জন কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। সফলতা অৰ্জন কৰা এওঁলোক দুয়োগৰাকীয়েই সদৌ মৰাণ ছাত্ৰ সন্থাৰ কৰ্মী। ৰোহিত মৰাণ হৈছে সদৌ মৰাণ ছাত্ৰ সন্থাৰ গুৱাহাটী মহানগৰ সমিতিৰ উপ-সভাপতি আৰু অমৃত কুমাৰ চুতীয়া বৰগাঁও শাখা সমিতিৰ প্ৰাক্তন সভাপতি। তিনিওগৰাকীৰ এই সফলতাৰ বাবে বিভিন্ন দল সংগঠন, ব্যক্তি বিশেষে অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে অসম লোকসেৱা আয়োগে কালি এই পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছিল যদিও কিছু সময়ৰ পাছতে উক্ত ফলাফল বাতিল কৰিছিল আৰু আজি পুনৰ এই ফলাফল ঘোষণা কৰে।

জনজাতিৰ মৰ্যাদা, মাটিৰ পট্টা আৰু চাহ শ্ৰমিকৰ নমজুৰি বৃদ্ধি নহ'লে অব্যাহত থাকিব প্ৰতিবাদ ঃ বসন্ত চাচনী

# তিনি দফীয়া দাবীৰে ঢেকীয়াজুলি সম-জিলা আয়ুক্তৰ কাৰ্যালয়ত আটছাৰ জোৰদাৰ প্ৰতিবাদ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৮ ফেব্ৰুৱাৰী ঃ** ঢেকীয়াজুলি সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)-ই তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি সমগ্ৰ অঞ্চলটো উত্তাল কৰি তোলে। সংগঠনটোৰ আহ্বানত বৃহৎ সংখ্যক কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰি চৰকাৰৰ বিৰুদ্ধে শ্লোগান ধ্বনিৰে পৰিৱেশ মুখৰিত কৰি তোলে। এই প্ৰতিবাদী কাৰ্যসূচী মূলতঃ তিনিদফীয়া দাবীৰ ভিত্তিত সংগঠিত কৰা হয়। দাবীসমূহ হৈছে— (১) অসমত বসৱাস কৰি অহা চাহ জনজাতি লোকসকলক জনজাতিৰ সাংবিধানিক মৰ্যাদা প্ৰদান কৰা, (২) দীৰ্ঘদিন ধৰি ভূমিহীন অৱস্থাত বসবাস কৰি থকা চাহ জনজাতি পৰিয়ালসমূহক মাটিৰ পট্টা প্ৰদান কৰা, আৰু (৩) চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি বৃদ্ধি কৰি তেওঁলোকৰ জীৱন-জীৱিকাৰ মান উন্নত কৰা। সংগঠনটোৰ মতে, এই দাবীসমূহ কেৱল আৰ্থিক বা প্ৰশাসনিক বিষয় নহয়, বৰঞ্চ এটা বৃহৎ সামাজিক ন্যায়ৰ সৈতে জড়িত। আজিৰ উক্ত প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব প্ৰদান কৰে আটছাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি বসন্ত চাচনীয়ে। তেওঁ ভাষণ প্ৰদান কৰি কয় যে, চাহ জনজাতি সম্প্ৰদায় অসমৰ অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে যদিও আজিও তেওঁলোক বহু মৌলিক অধিকাৰৰ পৰা বঞ্চিত। তেওঁ অভিযোগ উত্থাপন কৰে যে, বহু বছৰ ধৰি বিভিন্ন সময়ত প্ৰতিশ্ৰুতি দিয়া হৈছে যদিও বৰ্তমানলৈকে জনজাতিৰ মৰ্যাদা প্ৰদান আৰু ভূমি অধিকাৰৰ বিষয়টো অমীমাংসিত হৈ আছে। তেওঁ আৰু কয় যে, চাহ শ্ৰমিকসকলৰ বৰ্তমান দৈনিক মজুৰি পৰিয়াল পোহপাল দিবলৈ যথেষ্ট নহয়। মূল্যবৃদ্ধিৰ এই সময়ত শ্ৰমিকসকলৰ জীৱনধাৰণ কঠিন হৈ পৰিছে। সেয়ে চৰকাৰে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰি মজুৰি বৃদ্ধি কৰিব লাগিব বুলি তেওঁ স্পষ্টভাৱে উল্লেখ কৰে। দাবীসমূহ পূৰণ নহ'লে আগন্তুক দিনত অধিক ব্যাপক আৰু গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলিও তেওঁ সকীয়াই দিয়ে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক উপেন সিং, ঢেকীয়াজুলি আঞ্চলিক সমিতিৰ সভাপতি গবিন্দ তাঁতী, সম্পাদক গৌতম নাগ, উপ-সভাপতি চাবেদ হিয়ালৰ লগতে বহু সংখ্যক বিষয়ববীয়া আৰু কৰ্মী উপস্থিত থাকে। অংশগ্ৰহণকাৰীসকলে শৃংখলাবদ্ধভাৱে বেনাৰ-প্লে'কাৰ্ড লৈ নিজৰ দাবীসমূহ উত্থাপন কৰে আৰু চৰকাৰক তৎকালীনভাৱে ইতিবাচক পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। কাৰ্যসূচীৰ অন্তত সংগঠনটোৱে ঢেকীয়াজুলি সম-জিলাৰ সহকাৰী আয়ুক্ত সৃষ্টি কলিতাৰ জৰিয়তে অসমৰ মাননিয় মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত চাহ জনজাতি সমাজৰ সামগ্ৰিক উন্নয়ন, শিক্ষা-স্বাস্থ্য খণ্ডত অধিক সুবিধা আৰু সংৰক্ষণ নীতি ৰূপায়ণৰ দাবীও উত্থাপন কৰা হৈছে। স্থানীয় সচেতন মহলে এই প্ৰতিবাদী কাৰ্যসূচীক চাহ জনজাতি সমাজৰ অধিকাৰ সংগ্ৰামৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অভিহিত কৰিছে। এতিয়া চৰকাৰে এই দাবীসমূহৰ প্ৰতি কেনে সঁহাৰি জনায়, সেয়াই হ'ব লক্ষণীয়।

## উত্তৰ-পূৱ বিজ্ঞান আৰু উদ্ভাৱনী উৎসৱত তিনিচুকীয়া জিলাৰ কৃতিত্ব

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৮ ফেব্ৰুৱাৰী ঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ উদ্যোগত গুৱাহাটী খানাপাৰাস্থিত ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰত চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ১১ৰ পৰা ১৪ তাৰিখলৈ অনুষ্ঠিত হোৱা 'উত্তৰ-পূৱ বিজ্ঞান আৰু উদ্ভাৱনী উৎসৱ'ত অংশগ্ৰহণ কৰি তিনিচুকীয়া জিলাৰ তিনিগৰাকী শিক্ষাৰ্থীয়ে কৃতিত্ব অৰ্জন কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উত্তৰ-পূব বিজ্ঞান উৎসৱলৈ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ তিনিচুকীয়া জিলাৰ পৰা মনোনীত কৰি অংশগ্ৰহণৰ বাবে প্ৰেৰণ কৰা তিনিচুকীয়াৰ বৰগুৰিস্থিত আৱাৰ এ বি চি জুনিয়ৰ হাইস্কুলৰ ছাত্ৰীদ্বয় ক্ৰমে গীতিকা সোণোৱাল আৰু আকাংক্ষা বৰাই মডেল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথম স্থান অৰ্জন কৰিবলৈ সক্ষম হয়। সেইদৰে উদ্ভাৱনীমূলক ধাৰণাত ডুমডুমা সমজিলাৰ অন্তৰ্গত ৰূপাই চাইডিংস্থিত মডাৰ্ণ একাডেমীৰ ছাত্ৰ ৰণবীৰ দেউৰীয়ে উপস্থাপন কৰা উদ্ভাৱনীমূলক ধাৰণাটোৱে কনিষ্ঠ উদ্ভাৱক হিচাপে সন্মান অৰ্জন কৰাৰ লগতে উদ্ভাৱনী ধাৰণাৰ দ্বাৰা প্ৰস্তুত কৰা আৰ্হিটো পেটেণ্টৰ বাবে প্ৰাথমিক মনোনীত হৈছে। উল্লেখ্য যে উপৰোক্ত তিনিওগৰাকী শিক্ষাৰ্থীয়ে বিগত ২০২৫ বৰ্ষৰ নৱেম্বৰ মাহত অনুষ্ঠিত হোৱা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ৰাজ্যিক



পৰ্যায়ৰ সমাৰোহত ৰাজ্যৰ ভিতৰতে আৰ্হি আৰু উদ্ভাৱনী ধাৰণাত শীৰ্ষ স্থান অৰ্জন কৰিছিল। আনহাতে ছৈখোৱা অঞ্চলৰ অন্তৰ্গত হাঁহখাটি বাগান গাঁও আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমাশংকৰ কৈৰীয়ে অসমৰ পৰম্পৰাগত শস্য সংৰক্ষণৰ ওপৰত প্ৰস্তুত কৰা উদ্ভাৱনীমূলক আৰ্হিটোৰ বাবে উদ্ভাৱকৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হয়। তিনিচুকীয়া জিলাৰ অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ তত্ত্বাৱধায়ক হিচাপে শিক্ষয়িত্ৰীদ্বয় ৰিচা গোহাঁই আৰু মুনমুন দেউৰীয়ে সহযোগিতা আগবঢ়ায়। উত্তৰ-পূৱ বিজ্ঞান আৰু উদ্ভাৱনী উৎসৱত কৃতিত্ব অৰ্জন কৰা আটাইকেইগৰাকী অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকলৈ আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰ, তিনিচুকীয়া জিলাৰ সমন্বয়ক দিগন্ত ভাজনীয়ে অভিনন্দন জনাইছে।

# অৱসৰী প্ৰধান শিক্ষক বলেন্দ্ৰ চন্দ্ৰ বড়োক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, খৈৰাবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ বগপুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বলেন্দ্ৰ চন্দ্ৰ বড়োই শিক্ষকতা জীৱনৰ পৰা চৰকাৰী ভাৱে অৱসৰ লোৱাৰ পিছত বুধবাৰে আনুষ্ঠানিকভাৱে বগপুৰিৰ বাসভৱনত চিনিকোনো হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক তথা দৰং জিলাৰ মঙলা নগৰ শাখা সাহিত্য সভাৰ সম্পাদক জিতেন কলিতাই সভাপতিত্ব কৰে। চিনাকোনা হাইস্কুলৰ সহকাৰী শিক্ষক প্ৰমিত বড়োই আতধৰা গাম্ভীৰ্যপুৰ্ণ বিদায় সম্বৰ্ধনা সভাতে জীৱনীমূলক এখনি গ্ৰন্থ উন্মোচন কৰে ঝাৰগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক শিৱ ৰাম নাথে। দুই শতাধিক বিশিষ্ট লোকৰৰ উপস্থিতিত বিদায় সভাত চিনাকোনা হাইস্কুলৰ প্ৰধান শিক্ষক গজেন স্বৰ্গিয়াৰী, অৱসৰী প্ৰধান শিক্ষক সন্তোষ গয়াৰী, অৱসৰী প্ৰধান শিক্ষক প্ৰশান্ত আচাৰ্যীয়ে ভাষণ প্ৰদান কৰে। সভাত অৱসৰী শিক্ষক লেখক ৰাজেন্দ্ৰ কিশোৰ দৈমাৰী, প্ৰদীপ চৌধুৰী, অঞ্চলটোৰ বিশিষ্ট লেখক লেখিকা উপস্থিত থাকে। বিদায়ী সভাত ছাত্ৰ ছাত্ৰী, আত্মীয় স্বজন, শিক্ষক গোট, বিভিন্ন সামাজিক ব্যক্তিয়ে গামোচা, আৰনাই শৰাই আদিৰে সম্বৰ্ধনা জনায়।

### “আমি মূল্যবোধৰ ৰাজনীতিৰ জৰিয়তে ইয়াত বসবাস কৰা সকলো জাতি-জনগোষ্ঠী সন্মান সহকাৰে জীয়াই থকাটো বিচাৰিছোঁ”

# টংলাত সমন্বয় পদযাত্ৰাত অংশগ্ৰহণ ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৮ ফেব্ৰুৱাৰী ঃ** ভেৰগাঁও জিলাৰ ৪৮ নং টংলা বিধানসভা সমষ্টিত আজি বিয়লি ৪ বজাত এক শান্তি -সমন্বয় পদযাত্ৰা উলিয়াইছিল সমাগত অসম বিধানসভা নিৰ্বাচনৰ ৰণডংকা বজাই ইউ পি পি এল দলে। বিটিচি বাসীয়ে শান্তি আৰু সমন্বয় বিচাৰে। ই কেৱল প্ৰমোদ বড়োৰ দ্বাৰাহে সম্ভৱ বুলি উল্লেখ কৰে। প্ৰমোদ বড়োৰ নেতৃত্বত এই সম্ভৱ বুলিও উল্লেখ কৰে। এখন সুস্থ সৰল সমাজ গঠনত আগভাগ লৈ আগবাঢ়ি যাব বুলিও উল্লেখ কৰে। বিপিএফৰ দিনত যুৱ সমাজক ধ্বংস কৰিবলৈ ওলাইছে। মদ, ভাং, জুৱাই সমগ্ৰ বিটিচি চানি ধৰিছে বুলিও অভিযোগ উত্থাপিত কৰে। বিটিচি অঞ্চলটি যদি ভাল শাসন তথা ইউ পি পি এল দলৰ বিকল্প নাই। বিটিচি বাসীয়ে শান্তি, সম্প্ৰতি আৰু সমন্বয় বিচাৰে ইয়াত হাগ্ৰামা মহিলীৰী নেতৃত্বাধীন বিপিএফ সম্পূৰ্ণ ব্যৰ্থ হৈছে। সমাগত বিধানসভা নিৰ্বাচনৰ লগতে বিটিচিত বসবাস কৰা সকলো জাতি-জনগোষ্ঠী, ভাষা-ভাষী, জাতি-ধৰ্মৰ মাজত মিলাপ্ৰীতি, সমন্বয় গঢ়ি তোলাৰ লগতে বিটিচিত বসবাস কৰা প্ৰতিটো জাতি জনগোষ্ঠীয়ে যাতে শান্তিৰে জীৱন-যাপন কৰিব পাৰে। পদযাত্ৰাৰ আৰম্ভণিতে টংলা চহৰৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ



খেলপথাৰত অনুষ্ঠিত হোৱা জনসমাজত অংশগ্ৰহণ কৰি বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই কয় বিটিচিত এক সুকীয়া পৰিবেশ আৰু শান্তি চিৰস্থায়ী কৰাৰ বাবে ইউ পি পি এল দলে কাম কৰি আহিছে। অনাগত দিনত বিটিচিত বসবাস কৰা প্ৰত্যেকটো জাতি জনগোষ্ঠীয়ে কেনেকৈ নিৰাপদে জীৱন-যাপন কৰিব পাৰে, নিজৰ ভাষা, সাহিত্য, সংস্কৃতি নিজৰ নিজৰ সম্পত্তি ৰক্ষণাবেক্ষণ কৰি ৰাখিব পাৰে তাৰ বাবে কাম কৰি আহিছে। তেওঁ কয় যোৱা পাঁচটা বছৰত বিটিচিত ইউ পি পি এল দলে ক্ষমতাত আছিল তেতিয়া কোনো এজন শিশুৰ পৰা বৃদ্ধলৈকে নিৰপত্তাহীনতাত ভোগিবলগীয়া হোৱা নাছিল। বিগত পাঁচটা বছৰত বিটিচিত এক সুস্থ পৰিবেশ ঘূৰি অহাই নহয় মানুহে শান্তিৰে সুৱলৈ পাৰিছিল। পুলিচ, মিলিটেৰী আৰু চি আৰ পি ঘূৰি গৈছিল কিন্তু পৰিতাপৰ বিষয় যে বিটিচিত পুনৰ বিপিএফ দলে ক্ষমতালৈ অহাৰ লগে লগে কোকৰাঝাৰত পুলিচ, মিলিটেৰী, চি আৰ পি মোতায়েন কৰিব লগা হ'ল। বিটিচিত পুনৰ মানুহৰ ঘৰ জ্বলিবলৈ আৰম্ভ হৈছে, মানুহ আশ্ৰয় শিবিৰত থাকিব লগা হৈছে, জাতি জনগোষ্ঠীৰ মাজত ভেদাভেদ, ধৰ্মৰ ভেদাভেদ, মানুহৰ মাজত ভয় শংকা বাঢ়িবলৈ ধৰিছে, চিণ্ডিকেটৰ ৰাজনীতি আৰম্ভ হ'বলৈ ধৰিছে বুলি উল্লেখ কৰি বিটিচিৰ প্ৰাক্তন মুখ্য মন্ত্ৰী কাৰ্যবাহী প্ৰমোদ বড়োই কয় মদ, ভাং, জুৱা খুৱাই নতুন প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। তেওঁ কয় ইউ পি পি এল এটা ৰাজনৈতিক দল নহয় শিশুৰ পৰা বৃদ্ধলৈকে বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত নিৰাপত্তা আৰু উন্নয়নৰ কাৰণে কাম কৰি আহিছে। বিটিচিত এতিয়া ৰাজনীতিৰ নামত ড্ৰামা আৰু বোকা চটিওৱা ৰাজনীতি কৰিবলৈ আৰম্ভ কৰিছে বুলিও তেওঁ কয়। সমাগত বিধানসভা নিৰ্বাচনত ইউ পি পি এল দলে বিটিচিৰ ১৫টা সমষ্টিতে প্ৰাৰ্থীত্ব আগবঢ়াব বুলি উল্লেখ কৰে। সমন্বয় পদযাত্ৰাত ৰাজ্য সভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীয়ে অংশগ্ৰহণ কৰি বিগত বিটিচি পৰিষদীয় সমষ্টিত ইউ পি পি এল দলে পৰাজিত হ'লেও কিন্তু ৰাইজৰ মাজত আমাৰ দলৰ মৰম আৰু আস্থা হেৰুৱাই পেলোৱা নাই। বিধানসভা নিৰ্বাচনত ইউ পি পি এল দলে ইয়াৰ শক্তি প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব বুলিও ৰাইজক জানিবলৈ দিয়ে। সভাত দলৰ জ্যেষ্ঠ নেতা ৰাকেশ ব্ৰহ্ম, কৃষ্ণ বাহাদুৰ গিৰি, এম চি এল এ উইলচন হাজদা আদিকে ধৰি কেইবাগৰাকীও দলৰ শীৰ্ষ নেতাই অংশগ্ৰহণ কৰে।

**কমাৰগাঁৱত টিপেশ্বৰ কলিতা স্মাৰক বক্তৃতা সম্পন্ন**

# মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত ‘সনিৰ্বন্ধ সোঁৱৰণ’ অনুষ্ঠান

**অসম বাৰ্তা, বনগাঁও, উজনী মাজুলী, ১৮ ফেব্ৰুৱাৰী ঃ** ‘সনিৰ্বন্ধ সোঁৱৰণ’— মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপকসকললৈ গভীৰ শ্ৰদ্ধাজ্ঞাপক এক ব্যতিক্ৰমী অনুষ্ঠান। ঊনৈশ শ বাষষ্ঠি চনৰ প্ৰলয়ংকৰী বানৰ বিভীষিকাৰ মাজতে প্ৰতিষ্ঠিত মাজুলীৰ প্ৰথমখন উচ্চ শিক্ষাৰ অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপকসকলৰ পূত স্মৃতিত ৰূপায়ণ কৰি অহা এই অনুষ্ঠানৰ অংশ হিচাপে আজি কমাৰগাঁৱত অনুষ্ঠিত কৰা হয় ‘সনিৰ্বন্ধ সোঁৱৰণ’ৰ ত্ৰয়োদশটি অনুষ্ঠান। এই উপলক্ষে মাজুলীৰ শৈক্ষিক উত্তৰণত বিশিষ্ট ভূমিকা পালন কৰা ত্যাগী পুৰুষ, মহাবিদ্যালয়খনিৰ অন্যতম প্ৰতিষ্ঠাপক, কমাৰগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, মুক্তিযোদ্ধা টিপেশ্বৰ কলিতাৰ পৱিত্ৰ সোঁৱৰণত তেওঁৰ জন্মভূমি কমাৰগাঁৱত দিনৰ ১১.০৫ বজাৰ পৰা আয়োজিত ‘টিপেশ্বৰ কলিতাৰ ত্যাগ আৰু আদৰ্শ’ শীৰ্ষক বক্তৃতানুষ্ঠানটিৰ সভাপতিত্ব কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। কমাৰগাঁও ৰূপালী যুৱক সংঘৰ আতিথ্যত, কমাৰগাঁওবাসী ৰাইজৰ সহযোগত ৰূপালী যুৱক সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে টিপেশ্বৰ কলিতাৰ প্ৰতিছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় ক্ৰমে সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া আৰু শিক্ষাবিদ শিশুবন্ধু ইন্দ্ৰেশ্বৰ ৰাজখুৱাই। টিপেশ্বৰ কলিতাৰ পুত্ৰ সমাজকৰ্মী, বেঙেনাআটী সত্ৰ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বলোৰাম কলিতা, পুত্ৰবধূ-অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী দীপা কলিতাই অতিথিসকলক অংগবস্ত্ৰেৰে আদৰণি আৰু সম্ভাষণ জনায়। মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা আৰু কমাৰগাঁও ৰূপালী যুৱক সংঘৰ পৰিচালক, শিক্ষক-শিল্পী দীপক বৰুৱাই আঁত ধৰা অনুষ্ঠানটো কমাৰগাঁৱৰ ‘বৰগীত মাধুৰী শিল্পীদল’ৰ দ্বাৰা পৰিৱেশিত এটি বৰগীতেৰে শুভাৰম্ভ কৰা হয়। টটয়া মিলনজ্য তি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক লক্ষেশ্বৰ শইকীয়াই সভাখনি উদ্বোধন কৰে। নিৰ্দিষ্ট বক্তাৰ ভাষণ আগ বঢ়াই পটীয়াগাঁও শ্ৰীমন্ত শঙ্কৰদেৱ হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক দধিৰাম বৰুৱাই কয়, “সমাজৰ শৈক্ষিক উত্তৰণ বাবে আজিৰ পৰা প্ৰায়ছটা দশকৰ পূৰ্বেই পিছপৰা মাজুলীত শিক্ষাবিদ টিপেশ্বৰ কলিতাই কৰা ত্যাগ তথা নিঃস্বাৰ্থ সেৱাৰ কথা মাজুলীবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে।” সভাপতিৰ ভাষণত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই বিভিন্ন সমস্যাৰে জৰ্জড়িত মাজুলীত মুক্তিযোদ্ধা টিপেশ্বৰ কলিতাই জ্ঞান প্ৰসাৰৰ বাবে কৰা উৎসৰ্গীকৃত সেৱা অবিস্মৰণীয় বুলি উল্লেখ কৰি কয়, “কলিতাৰ দৰে ব্যক্তিসকলে নিঃস্বাৰ্থ ত্যাগেৰে নিৰ্মাণ কৰা বাটেৰে আগুৱাই গৈ কতই নিজৰ জীৱন গঢ়িলে, তাৰ হিচাপ নাই।” মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, শিক্ষাবিদ ড°ঃ আনন্দ হাজৰিকা, ৰেৱ বৰা, কুশল হাজৰিকা, কোষেশ্বৰ বৰা, অৰুণ কলিতা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানটিত পৰিয়ালবৰ্গৰ ফালৰ পৰা বক্তব্য আগবঢ়ায় কলিতাৰ সু-পুত্ৰ শিক্ষাবিদ বলোৰাম কলিতাই। আজিৰ অনুষ্ঠানতে সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতা বুটলিবলৈ সক্ষম হোৱা মাজুলীৰ কমাৰগাঁৱৰ সন্তান সৰ্বজ্যোতি কলিতা আৰু ঢোৱাচলাৰ সন্তান ভাস্কৰজ্যোতি বৰাক মাজুলী মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। শিশুশিল্পী নিহান নীলাভ কলিতাই এটি জুবিনৰ গীত পৰিৱেশন কৰে। মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, মহিলা কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা, সম্পাদিকা ড° অনন্যা বৰুৱা, জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, সহযোগী অধ্যাপক ইন্দিৰা বড়া, ড° দুলাল হাজৰিকা, ড° প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, বিজয় টিমুং, আচাৰ্য মোহন দাস, কাৰ্তিক নাথ, প্ৰজ্ঞা পাৰমিতা কৌশিক, ড° শ্বাহনাজ আহমেদ, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, স্থানীয় শিক্ষাবিদ গজেন বৰা, দিলীপ শইকীয়া, ব্ৰজেন কলিতা, ৰেৱ কলিতা, সমাজকৰ্মী সোমেশ্বৰ কলিতা, গোলাপ কলিতা, ৰবিৰাম কলিতা, তৰুণ বৰুৱা, শশীধৰ বৰুৱা, সমৰজিৎ সেন, নৃপেন কলিতা, ৰণজিৎ সেন প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপৰি সভাত তিনি শতাধিক লোক উপস্থিত থাকে।

# ধ্বংসৰ গৰাহত ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাৰ ৫০০ বিঘা মাটিৰ পুৰঠ চাহ গছ, গুৰুত্ব নাই শিক্ষা বিভাগৰ

**অসম বাৰ্তা, গহপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ সপোনৰ ভোলাগুৰি চাহ বাগিচাই গতি কৰিছে ধ্বংসৰ গৰাহলৈ। অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিয়াগোম শিক্ষা বিভাগটোৰ দায়িত্বশীল উদ্ধৰ্তম বিষয়াৰ গুৰুত্বহীনতাৰ বাবে এতিয়া মৃত্যুমুখলৈ গতি কৰিছে বাগিচাখনৰ প্ৰায় ৫০০ বিঘা মাটিত থকা পুৰঠ চাহ গছ সমূহ। উল্লেখযোগ্য যে-অসম চাহ নিগমৰ অধীনত থকা ভোলাগুৰি চাহ বাগিচাৰ ভূমি অসম চৰকাৰৰ শিক্ষা বিভাগে অধিগ্ৰহণ কৰি বাগিচাখনৰ পৰিত্যক্ত হৈ থকা প্ৰায় ৭৩৮ বিঘা মাটিত কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰে। সেই অনুসৰি যোৱা বৰ্ষৰ ৮ নবেম্বৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



উপস্থিতিত বিশ্ববিদ্যালয়খনৰ শিলান্যাস আৰু আধাৰশিলা স্থাপন কৰে। পূৰ্বতে অসম চাহ নিগমৰ অধীনত থকা ভোলাগুৰি চাহ বাগিচাৰ সম্পূৰ্ণ কৰ্তৃত্ব এতিয়া অসম চৰকাৰৰ শিক্ষা বিভাগৰ হাতত। উল্লেখযোগ্য যে-ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিচাত এতিয়াও প্ৰায় ৫০০ বিঘা মাটিত পুৰঠ চাহ গছ আছে। সেই চাহ গছ থকা মাটিত বিশ্ববিদ্যালয়খনৰ কোনো নিৰ্মাণকাৰ্য্য নহয়। অসম চাহ নিগমে ২০২৫ চনৰ শেষলৈকে উক্ত চাহ গছ সমূহৰ কেঁচা পাত তুলি বিক্ৰীৰ ব্যৱস্থা কৰি থকাৰ লগতে উক্ত চাহ গছ সমূহৰ উপযুক্ত পৰিচৰ্য্যা কৰি থকা হৈছিল। উৎপাদিত কেঁচা চাহ পাত সমূহ বিক্ৰীৰ বাবে প্ৰতি বছৰে নিবিদা আহ্বান কৰিছিল অসম চাহ নিগমে। উক্ত নিবিদাৰ ভিত্তিত উচ্চ নিবিদাকাৰীয়ে নিৰ্ধাৰিত মূল্যৰ বিনিময়ত উৎপাদিত কেঁচা চাহ পাত ক্ৰয় কৰি আহিছিল। সেই অনুসৰি বিগত কেইবাবছৰ ধৰি হেলেম ৰাজহ চক্ৰৰ টকৌবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত ফাটিয়াবাৰীত থকা “মা কামাখ্যা টি ইণ্ডাষ্ট্ৰী”ৰ স্বত্বাধিকাৰী সুভাষ আগৰৱালা আৰু মনোজ আগৰৱালাই উক্ত পাত নিয়মিতভাৱে ক্ৰয় কৰি আহিছিল। কিন্তু এইবাৰ ২০২৬ বৰ্ষৰ কাৰণে উক্ত পাত ক্ৰয়ৰ বাবে শিক্ষা বিভাগে কোনো নিবিদা আহ্বান নকৰাৰ লগতে বাগিচাখন “লিজ” হিচাপে দিবলৈয়ো কোনো বিজ্ঞাপন প্ৰকাশ নকৰিলে। উক্ত বাগিচাখন অসম চাহ নিগমৰ হাতৰ পৰা অসম চৰকাৰৰ শিক্ষা বিভাগৰ হাতলৈ যোৱাৰ পিছত এতিয়া উক্ত ৫০০ বিঘা মাটিৰ চাহ গছ সমূহ ধ্বংসৰ গৰাহলৈ গতি কৰিছে। কাৰণ নবেম্বৰ-ডিচেম্বৰ মাহত কৰিবলগীয়া চাহ গছ সমূহৰ “কলন” এতিয়ালৈকে কৰা নহ'ল। ফলত উৎপাদনক্ষম হৈ পৰিছে চাহ গছ সমূহ। তদুপৰি উক্ত চাহ গছ সমূহ হাবি জংঘলেৰে আবৰি ধৰাৰ লগতে চাহ গছ সমূহত উপযুক্ত ৰাসায়নিক সাৰ, ভিটামিন আদিৰ যথেষ্ট অভাৱ পৰিলক্ষিত হৈছে। ফলত মৃত্যুমুখী হৈ পৰিছে চাহ গছ সমূহ। গহপুৰ বাসী ৰাইজে ঐতিহ্যমণ্ডিত বাগিচাখনৰ চাহ গছ সমূহ জীয়াই ৰখাৰ ক্ষেত্ৰত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপযুক্ত পদক্ষেপ কামনা কৰিছে। উপযুক্ত ব্যক্তি বা প্ৰতিষ্ঠানক উক্ত বাগিচাখন লিজ হিচাপে দিলে চাহ গছ সমূহে নতুন জীৱন পাব বুলি মন্তব্য কৰিছে গহপুৰৰ সচেতন ৰাইজে। ইয়াৰ অন্যথা উক্ত চাহ গছ সমূহ তিলতিলকৈ মৃত্যু মুখলৈ গতি কৰাটো নিশ্চিত বুলি মতপোষণ কৰিছে সচেতন ৰাইজৰ লগতে গহপুৰৰ বিভিন্ন দল-সংগঠনে।

# গোলাঘাটত বাঁহনিৰ মাজত কিশোৰৰ মৃতদেহ উদ্ধাৰ; চাঞ্চল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ ফেব্ৰুৱাৰী ঃ** গোলাঘাট নগৰৰ সমীপৰ বেঙেনাখোৱাৰ এখন বাহনিৰ মাজত আজি এজন কিশোৰৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃত কিশোৰজনৰ গোলাঘাট ষ্টেচন ৰোডৰ শ্যামল মল্লিকৰ পুত্ৰ সুৰজ মল্লিক বুলি জানিব পৰা গৈছে। সুৰজ গোলাঘাট বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ আছিল। পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি পুৱাৰ আহাৰ গ্ৰহণ কৰি এখন চাইকেলেৰে প্ৰায় ১১ মান বজাত ঘৰৰ পৰা ওলাই গৈছিল সুৰজ। তাৰ পিছত দিনৰ প্ৰায় ১ মান বজাত সুৰজৰ মৃতদেহ বেঙেনাখোৱাৰ হাবিৰ মাজত উদ্ধাৰ হয়। প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া মতে চাৰিজন কিশোৰ এখন চাইকেল লৈ বাঁহনিখনৰ মাজলৈ সোমাই যোৱা দেখা পাই আৰু কিছু সময়ৰ পাছত তিনিজন কিশোৰ তাৰ পৰা ওলাই দৌৰ মাৰে। পাছত কি কাৰণত কিশোৰকেইজন বাঁহনিখনত সোমাইছিল স্থানীয় ৰাইজে চাবলৈ যাওঁতেই মৃতদেহটো প্ৰত্যক্ষ কৰে। স্থানীয় ৰাইজে লগে লগে গোলাঘাট আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। সামাজিক মাধ্যমত মৃত্যদেহ উদ্ধাৰৰ হোৱাৰ তথ্য প্ৰচাৰ হোৱাৰ পাছতেই পৰিয়ালৰ লোক অৱগত হয়। পৰৱৰ্তী সময়ত গোলাঘাট আৰক্ষীয়ে যোৰহাটৰ ফৰেনচিক দলৰ সৈতে যোগাযোগ কৰে। ফৰেনচিকৰ দল ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্তৰ অন্তত মৃতদেহটো যোৰহাট মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। ইফালে ঘটনা সন্দৰ্ভত আৰক্ষীয়ে বৰ্তমান লৈকে কাকো আটক কৰা নাই। উল্লেখ্য যে মৃত সুৰজ শ্যামল মল্লিকৰ একমাত্ৰ সন্তান আছিল।

**স্মাৰকপত্ৰ প্ৰদান; সমস্যা সমাধানৰ আশ্বাস মুখ্যমন্ত্ৰীৰ**

# মুখ্যমন্ত্ৰীক সাক্ষাৎ সদৌ অসম পি এইচ ই অস্থায়ী শ্ৰমিক কৰ্মচাৰী পৰিষদৰ



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৰ৮ ফেব্ৰুৱাৰী ঃ** সদৌ অসম পি এইচ ই অস্থায়ী শ্ৰমিক কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে আজি দিছপুৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি জলমিত্ৰ সকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ বাবে স্মাৰকপত্ৰ প্ৰদান কৰে। এই সন্দৰ্ভত পৰিষদৰ কেন্দ্ৰীয় সভাপতি দেৱকুমাৰ শৰ্মাই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এটা বাৰ্তাত মুখ্যমন্ত্ৰীৰ সৈতে হোৱা এই সাক্ষাৎ অত্যন্ত আশাব্যঞ্জক বুলি মত প্ৰকাশ কৰিছে। শীঘ্ৰে পি এন আৰ ডিৰ পৰিৱৰ্তে পি এইচ ই বিভাগৰ ফালৰ পৰা জলমিত্ৰসকলক দৰমহা প্ৰদানৰ আশ্বাস প্ৰদান কৰিছে মুখ্যমন্ত্ৰীয়ে। আনহাতে, দীৰ্ঘদিনে বিভাগীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই জলমিত্ৰসকলক বঞ্চনা কৰি অহাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জলমিত্ৰৰ দাবী সমূহ সমাধানৰ বাবে মন্ত্ৰী পিযুষ হাজৰিকাক দায়িত্ব অৰ্পণ কৰে। জলমিত্ৰ সকলক শ্ৰমিক আইন অনুসৰি ন্যূনতম ভাট্টা প্ৰদান কৰা, এঙ্গেজমেণ্টৰ পৰিৱৰ্তে পি এইচ ইৰ পৰা নিযুক্তি প্ৰদান কৰা, জলমিত্ৰ সকলৰ জীৱনৰ নিৰাপত্তা আৰু পৰিয়ালৰ সুৰক্ষা প্ৰদান কৰা, নিযুক্তি পাবলৈ থাকি যোৱা সকলো পুৰণি জলমিত্ৰক নিযুক্তি দিয়া, জলমিত্ৰ সকলক ইউজাৰ কমিটি, পঞ্চায়ত বিভাগৰ পৰা মুক্ত কৰি পি এইচ ই বিভাগৰ পৰা দৰমহা দিয়া আদি দাবী সমূহ শীঘ্ৰে পূৰণ কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাই সদৌ অসম পি এইচ ই অস্থায়ী শ্ৰমিক কৰ্মচাৰী পৰিষদে।

# খৈৰাণীৰ শ্ৰীমদভাগৱত পুৰাণৰ স্মৃতি গ্ৰন্থ উন্মোচনী সভা

**অসম বাৰ্তা, বাগানপাৰা, ১৮ ফেব্ৰুৱাৰী ঃ** বাক্সা জিলাৰ খৈৰাণী গাঁৱৰ সিদ্ধেশ্বৰ শিৱ মন্দিৰ প্ৰাংগনত বিগত বৰ্ষৰ ৩১ মাৰ্চৰ পৰা ৬ এপ্ৰিললৈ সাদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল শ্ৰী মদ্ভাগৱত পুৰাণ মহা যজ্ঞ। এই ভাগৱত পুৰাণৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে এখনি স্মৃতি গ্ৰন্থ প্ৰকাশ কৰা হৈছে। যোৱা ১৭ ফেব্ৰুৱাৰীত শ্ৰীমদভাগৱত পুৰাণৰ উদ্‌যাপন সমিতিৰ সভাপতি ৰঘুনাথ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত স্মৃতি গ্ৰন্থখনি উন্মোচন কৰে সুদূৰ চিলাপথাৰৰ পুজ্য গুৰু কৃষ্ণ সাপকোটাই। উক্ত স্মৃতি গ্ৰন্থ উন্মোচনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিটিচি চৰকাৰৰ পাৰিষদ নন্দলাল ৰাণা মগৰ আৰু কাউলি হাইস্কুলৰ প্ৰধান শিক্ষক নাৰদ ভট্টৰাইয়ে। উল্লেখ্য যে, স্মৃতি গ্ৰন্থ খনি সভাপতি নেত্ৰভূষণ খড়কা আৰু সম্পাদক বিশাল দাহালৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা হৈছে। উন্মোচনী ভাষণত প্ৰকাশ পাই যে ভক্তপ্ৰাণ সকলে ধৰ্মীয় গ্ৰন্থ তথা কিতাপ পঢ়ায় প্ৰতি আগ্ৰহ জন্মাব লাগে। প্ৰায় তিনি শতাধিক ভক্তপ্ৰাণ ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত স্মৃতি গ্ৰন্থ উন্মোচনী সভাখন আঁত ধৰে গোপাল ভট্টৰাইয়ে।

**গোলাঘাটত আটছাৰ ধৰ্ণা কাৰ্যসূচীত সভাপতি জগদীশ বৰাইকৰ হুংকাৰ, উত্তাল**

# “চাহ জনগোষ্ঠীৰ ন্যায্য প্ৰাপ্য, মৌলিক সমস্যা সমাধান নকৰিলে আগন্তুক নিৰ্বাচনত উচিত শিক্ষা দিব ৰাইজে”

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ ফেব্ৰুৱাৰী ঃঃ** “অসমত দুশ বছৰৰো অধিকঁকাল বসবাস কৰি বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ সৰ্বদিশতে বলিষ্ঠ ভূমিকা পালন কৰি অহা চাহ জনগোষ্ঠীৰ ৰাইজে ন্যায্য প্ৰাপ্য, মৌলিক অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ আৰু কিমান দিন বাট চাব লাগিব। স্বাধীনতাৰ ৭৯টা বছৰে কেৱল প্ৰতিশ্ৰুতিৰ পাছত প্ৰতিশ্ৰুতি, ঘোষণাৰ পাছত ঘোষণাতে চাহ জনগোষ্ঠীৰ ৰাইজ প্ৰতাৰিত আৰু উপেক্ষিত। চাহ জনগোষ্ঠীৰ ন্যায্য প্ৰাপ্য আৰু মৌলিক সমস্যাসমূহ সমাধান নকৰিলে আগন্তুক বিধানসভা নিৰ্বাচনত চাহ জনগোষ্ঠীৰ ৰাইজে উপযুক্ত শিক্ষা প্ৰদান কৰিব। আটছাও নীৰৱে বহি নাথাকে।” আটছাৰ আহ্বান ক্ৰমে আজি সমগ্ৰ অসমৰ জিলা সদৰত ৰূপায়ণ কৰা ধৰ্ণা কাৰ্যসূচীৰ সমান্তৰালভাৱে গোলাঘাট নগৰত ৰূপায়ণ কৰা ধৰ্ণা কাৰ্যসূচীত অংশ গ্ৰহণ কৰি আটছাৰ কেন্দ্ৰীয় সভাপতি জগদীশ বৰাইকে এনেদৰে প্ৰকাশ কৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) গোলাঘাট জিলা সমিতিৰ উদ্যোগত আৰু আটুৱা গোলাঘাট জিলা সমিতি, আটছা




গোলাঘাট জিলা সমিতিৰ অন্তৰ্গত গোলাঘাট, খুমটাই, বোকাখাত, দেৰগাঁও, বৰপথাৰ আৰু সৰুপথাৰ শাখাৰ সহযোগত গোলাঘাটৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰা তিনি ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচীত অংশ গ্ৰহণ কৰি সভাপতি বৰাইকে আৰু কয় যে, স্বাধীনতাৰ দশক-দশক ধৰি ভূমিৰ অধিকাৰ ভোগ কৰিবলৈ নোপোৱাৰ পাছত চাহ বাগিচাৰ শ্ৰমিক ৰাইজক ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ ঘোষণা আৰু কাৰ্যকৰী ব্যৱস্থা লোৱাৰ পাছত পুঁজিপতি চাহ মালিকগোষ্ঠীয়ে শ্ৰমিক বিৰোধী নীতিৰে এনে অধিকাৰৰ বিৰুদ্ধে থিয় দিছে। ই চৰম দুৰ্ভাগ্যজনক। চাহ মালিকগোষ্ঠীৰ এনে হঠকাৰী ভূমিকা আটছাই সহ্য নকৰে আৰু চাহ শ্ৰমিকৰ ক্ষোভৰ উদগীৰণ হ'ব বুলি হুংকাৰ দিয়ে। অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্য বৃদ্ধিৰ সময়ত চাহ বাগিচাৰ শ্ৰমিকসকলে ২৫০ টকা মজুৰিত কেনেদৰে জীৱন নিৰ্বাহ কৰিব বুলি প্ৰশ্ন উত্থাপন কৰি চাহ শ্ৰমিকৰ ন্যূনতম দৈনিক মজুৰি আইন অনুসৰি বৃদ্ধি কৰা, চাহ জনগোষ্ঠীৰ সকলো জাতি সমাজক জনজাতিৰ (ST) মৰ্য্যদা প্ৰদান কৰাৰ দাবী জনায়। উক্ত দাবী কেইটাত ৰূপায়ণ কৰা ধৰ্ণাত আটছাৰ উপ- সভাপতি অনিত গঁড়, কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক ৰাবুল তুৰি, গোলাঘাট জিলা সমিতিৰ সভাপতি সুশীল কালিন্দী, সম্পাদক মনোজ মহানন্দ, গোলাঘাট জিলাৰ অন্তৰ্গত আটছা আৰু আটুৱাৰ সমূহ শাখা, উপ-শাখা আৰু প্ৰাথমিক গোটৰ বিষয়ববীয়া কৰ্মকৰ্তা লগতে শতাধিক চাহ শ্ৰমিক লোক অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত গোলাঘাটৰ জিলা আয়ুক্তক অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণৰ উদ্দেশ্যে এক স্মাৰক পত্ৰ প্ৰদান কৰে।

**শ্বহীদৰ ভাতৃসহ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াই শ্বহীদ অনিল বৰাৰ সমাধিত জনালে শ্ৰদ্ধাঞ্জলি**

# অসম আন্দোলনৰ শ্বহীদ অনিল বৰাৰ ৪৪ সংখ্যক শ্বহীদ দিৱস

**অসম বাৰ্তা, সৰুপথাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** অসম আন্দোলন অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে চলা ঐতিহাসিক আন্দোলনত। যি আন্দোলনত ৮৫৫ গৰাকী লোকে প্ৰাণ আহুতি দিছিল। এই আন্দোলনৰ অন্যতম শ্বহীদ সৰুপথাৰ সমজিলাৰ ২নং কৈৰী গাঁৱৰ অনিল বৰা, নাওজান জোনালী পথাৰৰ দেৱেশ্বৰ বৰা, নাওজান বিলপথাৰ মাণিক ডেকা। অনিল বৰাৰ মৃত্যু হৈছিল ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখে। দেৱেশ্বৰ বৰা আৰু মাণিক ডেকা শ্বহীদ হৈছিল ১৯৮৩ চনৰ ১৯ ফেব্ৰুৱাৰী তাৰিখে। সৰুপথাৰৰ নাওজানৰ অসম আন্দোলনৰ শ্বহীদ অনিল বৰাৰ সমাধি ২০২৩ চনৰ ১০ ডিচেম্বৰ তাৰিখে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে সৰুপথাৰ সমজিলা প্ৰশাসন, ছাত্ৰ সন্থাৰ লগতে বৰাদেৱৰ পৰিয়ালৰ উপস্থিতিত সৰুপথাৰ ৰাজহুৱা খেলপথাৰৰ বাকৰিত উন্মোচন কৰে। অসম আন্দোলনৰ শ্বহীদ সৰুপথাৰ সমজিলাৰ ২নং কৈৰী গাঁৱৰ অনিল বৰাৰ জন্ম হৈছিল ১৯৬০ চনৰ ৪ ছেপ্তেম্বৰ তাৰিখে। অসমৰ অস্তিত্ব ৰক্ষাৰ যুঁজত মাত্ৰ ২৩ বছৰ বয়সতেই ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখে অসম মাতৃৰ বাবে আত্মবলিদান দিয়ে। সৰুপথাৰ সমজিলাৰ ২নং কৈৰী গাঁৱত জন্ম হৈছিল শ্বহীদ অনিল বৰাৰ। তেখেতৰ পৰিয়ালৰ পিতৃ আছিল চন্দ্ৰধৰ বৰা, মাতৃ তিলেশ্বৰী বৰা। তেখেতৰ জ্যেষ্ঠ ভগ্নী কুলু দত্ত, কনিষ্ঠ ভগ্নী জীৱনী বৰা, ভাতৃ বলিন চন্দ্ৰ বৰা আৰু পুলিন বৰা। আজি শ্বহীদ অনিল বৰাৰ ৪৪ সংখ্যক মৃত্যু বাৰ্ষিকী। সৰুপথাৰ ৰাজহুৱা খেলপথাৰত অৱস্থিত সমাধিত ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ লগতে ভাতৃ বলিন চন্দ্ৰ বৰাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উপস্থিত থাকে ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক লাচিত ফুকন, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, সৰুপথাৰ সমজিলা ছাত্ৰ সন্থাৰ সভাপতি বিকাশ বৰা, সম্পাদক সীমান্ত বৰা, সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক আদিত্য যাদৱ, উপদেষ্টা প্ৰিয়াংশু ভট্টাচাৰ্য, গেলাবিল



ছাত্ৰসন্থাৰ বিদ্যুত বৰা, নাওজান আঞ্চলিকৰ বিপ-ৰ চৌধুৰীৰ লগতে ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল। ছাত্ৰসন্থাৰ সকলো বিষয়ববীয়াৰ লগতে তেখেতৰ পৰিয়ালবৰ্গই অনিল বৰাৰ সমাধিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সৰুপথাৰ সমজিলা ছাত্ৰ সন্থাৰ সভাপতি বিকাশ বৰাৰ লগতে শ্বহিদ অনিল বৰাৰ ভাতৃয়ে মন্তব্য কৰি কয়, ৮৫৫জন শ্বহীদৰ বলিদানৰ ফলশ্ৰুতিত হোৱা অসম চুক্তিৰ প্ৰতিটো দফা আহিবলগীয়া চৰকাৰে আখৰে আখৰে পালন কৰিব বুলি আশা প্ৰকাশ কৰিছে লগতে সৰুপথাৰ সমজিলা প্ৰশাসনলৈ অনুৰোধ যে নৱপ্ৰজন্মই চিনাকি হোৱাকৈ অনিল বৰাৰ সমাধিত নামফলক লগোৱাৰ ব্যৱস্থা কৰিব লাগে। ইপিনে গুৱাহাটীৰ বৰাগাঁৱত অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতি যুগমীয়া কৰিবলৈ শ্বহীদ স্মাৰক উদ্বোধন কৰাৰ বিষয়ক লৈ চৰকাৰক আদৰণি জনাইছে সৰুপথাৰ সমজিলা ছাত্ৰ সন্থাই।

## সম্পাদকীয়

# ৰাজনৈতিক পট পৰিৱৰ্তনৰ ৰহস্য

অসমৰ ৰাজনীতি বৰ্তমান এক সন্ধিক্ষণত উপনীত হৈছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ মুহূৰ্ত মাত্ৰ কেইমাহমান বাকী থকা অৱস্থাতে ৰাজনৈতিক দলবাগৰাৰ এক নাটকীয় অধ্যায়ে ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি চাঞ্চল্যকৰ কৰি তুলিছে। অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা প্ৰবীণ নেতা ভূপেন কুমাৰ বৰাই দীৰ্ঘদিনীয়া কংগ্ৰেছ দল ত্যাগ কৰি ২২ ফেব্ৰুৱাৰীত বিজেপিত যোগদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ঘটনাই স্বাভাৱিকভাৱে ৰাজ্যৰ ৰাজনৈতিক সমীকৰণত অস্থিৰতাৰ সৃষ্টি কৰাৰ লগতে ৰাইজৰ মনত কিছুমান গুৰুতৰ প্ৰশ্নৰ উদ্ৰেক কৰিছে।

এই দলবাগৰা পৰম্পৰাই ৰাজনীতিত আদৰ্শৰ সংকটক পুনৰ উজ্জ্বল কৰি তুলিছে। এগৰাকী নেতাই তিনি দশক ধৰি সেৱা আগবঢ়োৱা দল এৰি, "অৱহেলা" আৰু "আত্মসন্মানৰ সংকট"ৰ কথা উল্লেখ কৰি পদত্যাগ কৰাৰ পিছদিনাই সেই একেজন নেতাই ক্ষমতাসীন দলত যোগদানৰ জৰিয়তে এক "নাটকীয় অভিনয়"ৰ অভিনয় কৰা দেখা গৈছে। কংগ্ৰেছৰ নেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীৰ দৰে নেতাই যিদৰে তীব্ৰ ভাষাত ইয়াক "নিৰ্লজ্জতা" আৰু "স্বাৰ্থপৰতা" বুলি অভিহিত কৰিছে, সেয়া সাধাৰণ ৰাইজৰো অনুভৱ। এনে পৰিৱৰ্তনে ৰাইজক আটাইতকৈ ডাঙৰ প্ৰশ্নটোৰ সন্মুখীন হ'বলৈ বাধ্য কৰাইছে – ৰাজনীতি আৰু ৰাজনীতিবিদসকলৰ মূল লক্ষ্য কি ? ৰাইজৰ সেৱা নে ব্যক্তিগত বা দলীয় স্বাৰ্থসিদ্ধি ?

কংগ্ৰেছ দলে এই পৰিস্থিতিক কিছু পৰিমাণে লাঘৱ কৰিবলৈ চেষ্টা কৰিছে। প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈ আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দাবী কৰিছে যে দল এটা "সাগৰ"ৰ দৰে, এগৰাকী নেতাৰ প্ৰস্থানে কোনো প্ৰভাৱ নেপেলায়। গগৈৰ মতে, ২০২৬ৰ নিৰ্বাচন হ'ব "প্ৰকৃত কংগ্ৰেছ" আৰু "পুৰণি কংগ্ৰেছ"ৰ মাজত। অৰ্থাৎ যিসকল "অসৎ উপাদান" বিজেপিলৈ গৈছে, তেওঁলোকৰ বিৰুদ্ধেই যুঁজ দিয়া হ'ব। কিন্তু এই বক্তব্যৰ মাজতো সোঁপন্থী নেতা অখিল গগৈৰ ৰাইজৰ দলত কংগ্ৰেছৰ তিনি গৰাকী বিধায়কে যোগদান কৰা আৰু ভূপেন বৰাৰ দৰে প্ৰাক্তন সভাপতিৰ প্ৰস্থানে দলটোৰ অভ্যন্তৰীণ সংহতি আৰু নেতৃত্বৰ ওপৰত গভীৰ প্ৰশ্ন তুলিছে। আনকি প্ৰিয়ংকা গান্ধীৰ অসমলৈ আগন্তুক ভ্ৰমণৰ পূৰ্বে এই ঘটনাই কংগ্ৰেছ শিবিৰত চিন্তাৰ ৰেখা সৃষ্টি কৰা বুলি অনুমান কৰিব পাৰি।


অন্যফালে, বিজেপিয়ে এই ঘটনাক নিজৰ বাবে এক ডাঙৰ ৰাজনৈতিক সফলতা হিচাপে চিহ্নিত কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভূপেন বৰাক "কংগ্ৰেছৰ শেষ স্বীকৃত হিন্দু নেতা" বুলি অভিহিত কৰি দলটোত থকা হিন্দু নেতৃত্বৰ অভাৱক ইংগিত দিছে। তেওঁৰ মতে, বিজেপিত বৰাৰ যোগদানে বহু কংগ্ৰেছী নেতা-কৰ্মীক দললৈ অহাৰ পথ সুগম কৰিব। কিন্তু কংগ্ৰেছে ইয়াক তীব্ৰ ভাষাত সমালোচনা কৰি "অপাৰেশ্যন লোটাছ"ৰ অভিযোগ আনিছে, য'ত "শ্যাম-দাম-দণ্ড-ভেদ"ৰ জৰিয়তে বিৰোধী দল ভাঙি-ছিঙি দিয়াৰ অভিযোগ উত্থাপন কৰা হৈছে। গৌৰৱ গগৈয়ে এই ঘটনাক মুখ্যমন্ত্ৰীৰ "ৰিয়েল এষ্টেট সাম্ৰাজ্য"ৰ পৰা ৰাইজৰ দৃষ্টি আঁতৰাবলৈ লোৱা এটা কৌশল বুলিও অভিহিত কৰিছে।

এই ক'লা-বগা যুক্তিৰ মাজতে এটা আশা দেখা গৈছে বিৰোধী শিবিৰৰ পৰা। অসম জাতীয় পৰিষদ (অজাপ)ৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এই পৰিস্থিতিত অতি দায়িত্বশীলতাৰে ভূপেন বৰাক উদ্দেশ্যি কৈছে যে তেওঁ যিটো সংগ্ৰাম (বিজেপি বিৰোধী) আৰম্ভ কৰিছিল, তাৰ পৰা যাতে বিচলিত নহয়। তেওঁ কংগ্ৰেছ নেতৃত্বকো আহ্বান জনাইছে যে বৰাৰ সৈতে আলোচনা কৰি পদত্যাগৰ সিদ্ধান্ত পুনৰ্বিবেচনা কৰক। ইয়াৰ লগতে তেওঁ বিৰোধী ঐক্যৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ব্যক্তিগত স্বাৰ্থ, অহং আৰু অহংকাৰ পৰিহাৰ কৰি বিজেপিক পৰাজিত কৰাৰ সপক্ষে যুক্তি দাঙি ধৰিছে।

সঁচাকৈয়ে, ৰাইজৰ মনত থকা প্ৰশ্নটো ইয়াতকৈ ডাঙৰ আৰু গভীৰ। যেতিয়া নেতাসকল দল সলনি কৰাটো সঁচাকৈয়ে "আদৰ্শ"ৰ বাবে নে "ক্ষমতা"ৰ বাবে, সেয়া বুজাটো ৰাইজৰ বাবে কঠিন হৈ পৰে। ভূপেন বৰাৰ ক্ষেত্ৰটোৱে দেখুৱাইছে যে তেওঁৰ দলত্যাগৰ পিছত পোৱা সন্মান, মন্ত্ৰী-বিধায়কৰ শুভেচ্ছা সাক্ষাৎ আৰু আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনাই ৰাইজক সন্দিহান কৰি তুলিছে। এনে পৰিৱেশত ৰাইজৰ আস্থা অৰ্জন কৰাটো কেৱল দল সলনিৰ জৰিয়তে নহয়, ৰাইজৰ প্ৰকৃত সেৱা আৰু উন্নয়নৰ জৰিয়তেহে সম্ভৱ।

শেষত এইটো স্পষ্ট যে, দলবাগৰাৰ পৰম্পৰা অসমৰ ৰাজনীতিৰ এটা অংশ হৈ পৰিছে। কিন্তু ইয়াৰ ফলত কেৱল ৰাজনৈতিক দলসমূহৰ অভ্যন্তৰীণ অস্থিৰতাহে বৃদ্ধি নহয়, ৰাইজৰ মাজত ৰাজনীতি আৰু ৰাজনীতিবিদৰ প্ৰতি থকা সন্মান আৰু বিশ্বাসও ক্ষুণ্ণ হয়। ২০২৬ চনৰ নিৰ্বাচনত ৰাইজে এনে নেতৃত্ব আৰু দলকে বিচাৰিব যিয়ে দলবাগৰাৰ পৰম্পৰাৰ বলি নহৈ, ৰাজ্যৰ আৰু ৰাইজৰ স্বাৰ্থক সৰ্বোচ্চ স্থান দিয়ে। বিৰোধী দলসমূহে যদি লুৰীণজ্যোতি গগৈৰ দৰে নেতাৰ আহ্বান গুৰুত্বসহকাৰে লৈ ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধত উঠি একত্ৰিত সংগ্ৰামৰ পথ বাছি ল'ব পাৰে, তেন্তে অসমৰ ৰাজনীতিত এটা ইতিবাচক পৰিৱৰ্তনৰ সম্ভাৱনা সৃষ্টি হ'ব পাৰে। নহ'লে, দলবাগৰাৰ এই খেলত শেষ হাঁহিটো কোনে মাৰে, সেয়া সময়েহে ক'ব।

# বিপ্লৱ আৰু বিপ্লৱী, সহনশীলতাৰ সীমা আৰু সামাজিক পৰিণতি




মানুহৰ সহনশীলতাৰ এক নিৰ্দিষ্ট সীমা থাকে। যেতিয়া কোনো সমাজত অৱহেলা, শোষণ আৰু নিৰ্যাতনৰ মাত্ৰাই সেই সীমা অতিক্ৰম কৰে, তেতিয়াই জন্ম হয় একো একোজন বিপ্লৱীৰ। বিপ্লৱ কোনো আকস্মিক ঘটনা নহয়, বৰঞ্চ ই হ'ল বহু বছৰ ধৰি পুঞ্জীভূত হৈ থকা ক্ষোভ আৰু যন্ত্ৰণাৰ এক বহিৰ্প্ৰকাশ। সমাজৰ বৈষম্যই যেতিয়া ব্যক্তিৰ অস্তিত্বক বিপন্ন কৰে, তেতিয়া সেই ব্যক্তিগৰাকীয়ে প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে থিয় দিবলৈ বাধ্য হয়।

বিপ্লৱী এজন সমাজৰ বাবে আশীৰ্বাদ নে অভিশাপ, সেয়া বহু পৰিমাণে নিৰ্ভৰ কৰে ব্যক্তিজনৰ মানসিকতা আৰু তেওঁৰ লক্ষ্যৰ ওপৰত। যদি বিপ্লৱৰ উদ্দেশ্য হয় সমাজৰ পৰা অন্যায় দূৰ কৰি এক সুস্থ পৰিৱেশ গঢ়ি তোলা, তেন্তে সেই বিপ্লৱীজন সমাজৰ এজন প্ৰকৃত 'হিতৈষী'। তেওঁ নিজৰ স্বাৰ্থ ত্যাগ কৰি বৃহৎ সমাজৰ কল্যাণৰ বাবে যুঁজ দিয়ে। মহাত্মা গান্ধী, নেলচন মেণ্ডেলা বা আমাৰ দেশৰ ভগত সিঙৰ দৰে ব্যক্তিৰ বিপ্লৱী সত্তাই সমাজক নতুন পথৰ সন্ধান দিছিল।

আনহাতে, যদিহে শোষণৰ প্ৰতিশোধ ল'বলৈ গৈ কোনো ব্যক্তিৰ মানসিকতাত সমাজবিৰোধী চিন্তাৰ জন্ম হয় আৰু তেওঁ ধ্বংসাত্মক পথ বাচি লয়, তেন্তে তেনে বিপ্লৱ সমাজৰ বাবে ক্ষতিকাৰক হৈ পৰে। গতিকে বিপ্লৱৰ সফলতা বা সৰ্থকতা নিৰ্ভৰ কৰে ইয়াৰ আঁৰত থকা আদৰ্শৰ ওপৰত।

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে যিসকল লোকে স্থিতাবস্থা ভংগ কৰি নতুনত্বৰ সূচনা কৰিছে, বুৰঞ্জীয়ে কেৱল তেওঁলোকৰ নামেই সোণালী আখৰেৰে লিপিবদ্ধ কৰিছে। যিসকলে সমাজৰ জৰাজীৰ্ণ ব্যৱস্থাটোক প্ৰত্যাহ্বান জনাই মানৱতাৰ হকে কাম কৰি গৈছে, সেই বিপ্লৱীসকল আজিও আমাৰ বাবে প্ৰেৰণাৰ উৎস। চমু কথাত ক'বলৈ গ'লে, অৱহেলাই এজন ব্যক্তিক বিপ্লৱী কৰি তুলিব পাৰে, কিন্তু সেই বিপ্লৱীজনক মহৎ কৰি তোলে কেৱল তেওঁৰ সমাজমুখী মানসিকতাহে।

*শৈলেন কুমাৰ (মিৰ্জা)*

আজিৰ যুৱ প্ৰজন্মৰ মাজত মাটিৰ প্ৰতি থকা ধাৰণা আৰু মানসিকতা আমূলভাৱে সলনি কৰাটো জৰুৰী হৈ পৰিছে। মাটি যে কেৱল বিক্ৰী কৰি টকা ঘটাৰ বাণিজ্যিক সামগ্ৰী নহয়, ই যে উৎপাদন, সৃজনীশীলতা আৰু স্বাৱলম্বিতাৰ মূল উৎস, সেই কথা তেওঁলোকক বুজাব লাগিব। আধুনিক কৃষি পদ্ধতি, জৈৱিক কৃষি, মীন পালন, পশুপালন, উদ্যান শস্য আদিৰ জৰিয়তে কম মাটিতেই যে স্বাৱলম্বী আৰু আৰ্থিকভাৱে সচ্ছল হ'ব পাৰি, তাৰ সফল নিদৰ্শন তেওঁলোকৰ আগত দাঙি ধৰিব লাগিব। শিক্ষা ব্যৱস্থাত কৃষি আৰু ভূমি ব্যৱস্থাপনাৰ বিষয়ে ব্যৱহাৰিক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিলে ছাত্ৰ-ছাত্ৰীসকলে সৰুৰে পৰাই মাটিৰ গুৰুত্ব আৰু ইয়াৰ উৎপাদন ক্ষমতা উপলব্ধি কৰিব পাৰিব। যি জাতিয়ে নিজৰ মাটিক শ্ৰদ্ধা কৰিব নাজানে, যি জাতিয়ে কৃষি কৰ্মক হীন চকুৰে চায়, সেই জাতিৰ শিপা কেতিয়াও জীয়াই নাথাকে।

# ভূমি অধিকাৰ আৰু খিলঞ্জীয়াৰ ভৱিষ্যৎ

## হিমাংশু ৰণ্জন ভূঞা

মাটি কেৱল মানুহৰ বাবে এক ভৌগোলিক উপাদান বা অৰ্থনৈতিক সম্পদ নহয়; বৰঞ্চ ই হৈছে এটা জাতিৰ অস্তিত্ব, সংস্কৃতি আৰু পৰিচয়ৰ মূল আধাৰ। ভূমিৰ সৈতে মানুহৰ সম্পৰ্ক কেৱল খেতি-বাতি বা আৱাসস্থল নিৰ্মাণৰ মাজতে আৱদ্ধ নাথাকে। ই এটা জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আৰু ভৱিষৎ প্ৰজন্মৰ সুৰক্ষাৰ কৱচ। অসমৰ প্ৰেক্ষাপটত ভূমি অধিকাৰ আৰু খিলঞ্জীয়াৰ ভৱিষৎ বৰ্তমান সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তথা স্পৰ্শকাতৰ বিষয় হিচাপে চিহ্নিত হৈছে। ইতিহাসৰ বিভিন্ন কালখণ্ডত অসমৰ খিলঞ্জীয়া লোকসকলে নিজৰ মাটিকে ধৰি ৰখাৰ যি সংগ্ৰাম চলাই আহিছে, সেয়া কেৱল অৰ্থনৈতিক স্বাৰ্থৰ বাবে নহয়, বৰঞ্চ নিজৰ ভাষিক আৰু সাংস্কৃতিক স্বকীয়তা ৰক্ষাৰ বাবেও অপৰিহাৰ্য। কিন্তু সাম্প্ৰতিক সময়ত পৰিৱৰ্তিত ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক পৰিৱেশত ভূমিৰ ওপৰত খিলঞ্জীয়াৰ অধিকাৰ ক্ৰমান্বয়ে শিথিল হৈ অহা পৰিলক্ষিত হৈছে। এই প্ৰৱণতাই অদূৰ ভৱিষ্যতে খিলঞ্জীয়া সমাজৰ অস্তিত্বৰ প্ৰতি কেনেধৰণৰ ভাবুকি কঢ়িয়াই আনিব পাৰে, তাৰ এক নিৰপেক্ষ আৰু গভীৰ বিশ্লেষণৰ প্ৰয়োজনীয়তা আহি পৰিছে। ভূমিৰ মালিকীস্বত্ব হেৰুৱালে এটা জাতিয়ে কেনেকৈ নিজৰ ৰাজনৈতিক আৰু সামাজিক আধিপত্য হেৰুৱাব পাৰে, সেই কথা উপলব্ধি কৰা বৰ্তমান সময়ৰ আহ্বান। অসমৰ সমাজ জীৱনৰ প্ৰতিটো স্তৰতে আজি ভূমি কেন্দ্ৰিক যি অনিশ্চয়তা বিৰাজ কৰিছে, সি কেৱল সাময়িক সমস্যা নহয়, বৰঞ্চ ই এক গভীৰ জাতীয় সংকটৰ আগজাননী।

অসমৰ খিলঞ্জীয়া সমাজৰ গাঁথনিটো মূলতঃ কৃষি আৰু প্ৰকৃতি নিৰ্ভৰ। যুগ যুগ ধৰি এই অঞ্চলৰ লোকসকলে মাটিক আই বসুমতী জ্ঞান কৰি কৃষি কৰ্মৰ জৰিয়তে নিজৰ জীৱন নিৰ্বাহ কৰি আহিছে। আমাৰ লোক-সংস্কৃতি, গীত-মাত, পৰ্ব-উৎসৱ সকলোবোৰ ভূমি আৰু কৃষিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। বহাগ বিহুৰ পৰা আৰম্ভ কৰি ন-খোৱা উৎসৱলৈকে, প্ৰতিটো পৰম্পৰাই আমাৰ কৃষিভিত্তিক সমাজ ব্যৱস্থাৰ পৰিচয় দিয়ে। কিন্তু বিশ্বায়ন আৰু দ্ৰুত আধুনিকীকৰণৰ ধামখুমীয়াত পৰম্পৰাগত জীৱন ধাৰণৰ প্ৰণালীত ব্যাপক পৰিৱৰ্তন আহিছে। মাটি এতিয়া কেৱল শস্য উৎপাদনৰ পৱিত্ৰ থলী হৈ থকা নাই; ই বৰ্তমান বিশ্বত এক চৰম বাণিজ্যিক পণ্যলৈ ৰূপান্তৰিত হৈছে। এই বাণিজ্যিকীকৰণৰ প্ৰক্ৰিয়াই অসমৰ সমাজ ব্যৱস্থাত এক জটিল সংকটৰ সৃষ্টি কৰিছে। যি মাটি এসময়ত বংশানুক্ৰমিকভাৱে সুৰক্ষিত আছিল, যি মাটিৰ পৰা পৰিয়াল এটাৰ ভৰণ-পোষণ হৈছিল, সেই মাটি এতিয়া অৰ্থৰ বিনিময়ত অতি সহজে হাত সলনি হোৱাৰ প্ৰৱণতা বৃদ্ধি পাইছে। বিশেষকৈ নগৰীকৰণ আৰু উদ্যোগীকৰণৰ প্ৰসাৰৰ ফলত কৃষিভূমিৰ পৰিমাণ দ্ৰুতগতিত হ্ৰাস পাইছে আৰু সেই স্থানত গঢ় লৈ উঠিছে ব্যৱসায়িক প্ৰতিষ্ঠান বা অট্টালিকা। এই প্ৰক্ৰিয়াত খিলঞ্জীয়া লোকসকলে কেৱল মাটিয়েই হেৰুৱা নাই, বৰঞ্চ নিজৰ পৰম্পৰাগত পেচা আৰু জীৱিকাৰ পথো হেৰুৱাবলগীয়া হৈছে। যেতিয়া এজন খিলঞ্জীয়া কৃষকে নিজৰ মাটিটুকুৰা বিক্ৰী কৰি দিয়ে, তেতিয়া তেওঁ কেৱল এটুকুৰা মাটি বিক্ৰী নকৰে, তেওঁ নিজৰ স্বাভিমান, নিজৰ উৎপাদিকা শক্তি আৰু ভৱিষৎ প্ৰজন্মৰ ভৰি থোৱা ঠাইকণো চিৰদিনৰ বাবে নিঃশেষ কৰি পেলায়।

ভূমি অধিকাৰৰ প্ৰশ্নটো অসমৰ জনগাঁথনিগত পৰিৱৰ্তনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। ঐতিহাসিকভাৱে অসমলৈ হোৱা অবিৰত প্ৰব্ৰজনৰ সোঁতে ৰাজ্যখনৰ জনগাঁথনিত গভীৰ আৰু সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। বিভিন্ন সময়ত চুবুৰীয়া ৰাজ্য বা দেশৰ পৰা অহা লোকসকলে অসমৰ উৰ্বৰ মাটিত খোপনি পুতিবলৈ সক্ষম হৈছে আৰু কালক্ৰমত তেওঁলোক স্থানীয় মাটিৰ মালিকত পৰিণত হৈছে। এই প্ৰক্ৰিয়াটো ইমান ধীৰ আৰু সূক্ষ্মভাৱে সংঘটিত হয় যে স্থানীয় লোকসকলে প্ৰাৰম্ভিক পৰ্যায়ত ইয়াৰ ভয়াবহতা অনুধাৱন কৰিবলৈ ব্যৰ্থ হয়। যেতিয়া জনগাঁথনিৰ ভাৰসাম্য সলনি হয়, তেতিয়া ৰাজনৈতিক ক্ষমতাৰো অৱধাৰিতভাৱে হস্তান্তৰ ঘটে। ভূমিৰ মালিকীস্বত্ব যাৰ হাতত থাকে, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতাও তেওঁলোকৰ হাতলৈ যোৱাটো সমাজবিজ্ঞানৰ এক স্বাভাৱিক নিয়ম। খিলঞ্জীয়া মানুহে যদি নিজৰ মাটিৰ অধিকাৰ হেৰুৱায়, তেন্তে তেওঁলোকে নিজৰ ৰাজ্যতে নগণ্য বা দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে জীয়াই থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে। ইতিমধ্যেই ৰাজ্যৰ কেইবাখনো জিলাত খিলঞ্জীয়া মানুহ সংখ্যালঘু হৈ পৰাৰ তথ্যই এই শংকা বাস্তৱত পৰিণত হোৱাৰ ইংগিত বহন কৰিছে। আইনগত সুৰক্ষা কৱচ থকাৰ পিছতো বাস্তৱ ক্ষেত্ৰত তাৰ প্ৰয়োগৰ শিথিলতা পৰিলক্ষিত হয়। বিভিন্ন সময়ত চৰকাৰে প্ৰণয়ন কৰা ভূমি নীতি বা আইনসমূহে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ চেষ্টা কৰিছে যদিও, সেইবোৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত থকা দুৰ্বলতাৰ সুযোগ লৈ বহিৰাগত বা অনা-খিলঞ্জীয়া শক্তিসমূহে ভূমি বেদখল বা কৌশলেৰে ক্ৰয় কৰিবলৈ সক্ষম হৈছে। এই পৰিৱৰ্তনে অসমৰ ৰাজনৈতিক মানচিত্ৰ সলনি কৰি পেলোৱাৰ উপক্ৰম হৈছে।

খিলঞ্জীয়াৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ব্ৰিটিছ শাসনৰ সময়ৰ পৰাই বিভিন্ন আইন, যেনে ১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ বিনিয়ম আইনৰ দশম অধ্যায়, প্ৰণয়ন কৰা হৈছিল। জনজাতীয় বেল্ট আৰু ব্লক গঠনৰ মূল উদ্দেশ্যই আছিল যাতে সুৰক্ষিত শ্ৰেণীৰ লোকসকলৰ মাটি অইন শ্ৰেণীৰ লোকে অধিগ্ৰহণ কৰিব নোৱাৰে। এই ব্যৱস্থাটোৱে জনজাতীয় আৰু পাছপৰা শ্ৰেণীৰ লোকসকলক এটা নিৰাপত্তা বেষ্টনী প্ৰদান কৰিব বুলি ভবা হৈছিল। কিন্তু পৰিতাপৰ বিষয় যে বিগত কেইবাটাও দশক ধৰি এই সংৰক্ষিত অঞ্চলসমূহতো ব্যাপক হাৰত বেদখল আৰু অবৈধ মাটি কিনা-বেচা চলি আছে। এই ক্ষেত্ৰত প্ৰশাসনিক যন্ত্ৰৰ নিৰ্লিপ্ততা, দুৰ্নীতি আৰু একাংশ চৰকাৰী বিষয়াৰ অৱহেলাক প্ৰধানকৈ জগৰীয়া কৰা হয়। প্ৰায়েই দেখা যায় যে নথি-পত্ৰত মাটি সংৰক্ষিত বুলি উল্লেখ থাকিলেও, বাস্তৱত তাত অনা-সংৰক্ষিত শ্ৰেণীৰ লোকে অট্টালিকা সাজি বসবাস কৰি আছে। তাৰো ওপৰত, খিলঞ্জীয়া মানুহৰ মাজত থকা সজাগতাৰ অভাৱেও এই সংকটক ঘনীভূত কৰিছে। ক্ষন্তেকীয়া আৰ্থিক লাভালাভ বা বিলাসী সামগ্ৰী ক্ৰয় কৰাৰ বাবে জধেমধে মাটি বিক্ৰী কৰাৰ মানসিকতাই জাতিটোৰ ভৱিষৎ অন্ধকাৰলৈ ঠেলি দিছে। মাটি বিক্ৰী কৰি পোৱা ধনেৰে হয়তো সাময়িকভাৱে কিছুমান অভাৱ পূৰণ কৰিব পাৰি বা এখন দামী বাহন ক্ৰয় কৰিব পাৰি, কিন্তু ইয়াৰ দীৰ্ঘম্যাদী পৰিণাম ভয়াবহ। এবাৰ মাটিৰ অধিকাৰ আনৰ হাতলৈ গলে সেয়া পুনৰুবাৰ ঘূৰাই অনাটো প্ৰায় অসম্ভৱ। গতিকে আইনগত সুৰক্ষা যিমানেই নাথাকক কিয়, সমাজৰ প্ৰতিজন ব্যক্তিৰ মাজত ভূমিৰ প্ৰতি থকা দায়বদ্ধতা আৰু সচেতনতা জাগ্ৰত নহ'লে কোনো আইনে এই পতন ৰোধ কৰিব নোৱাৰে।

নগৰকেন্দ্ৰিক সভ্যতাই গ্ৰাম্য সমাজখনক দ্ৰুতগতিত গ্ৰাস কৰিবলৈ ধৰাৰ লগে লগে ভূমিৰ ব্যৱহাৰৰ চৰিত্ৰ সলনি হৈছে। অসমত মহানগৰ আৰু চহৰসমূহৰ সম্প্ৰসাৰণ ঘটাৰ লগে লগে দাঁতিকাষৰীয়া গাঁওসমূহৰ কৃষিভূমি আবাসন প্ৰকল্প বা উদ্যোগলৈ ৰূপান্তৰিত হৈছে। এসময়ত যি মাটি কৃষিৰ বাবে ব্যৱহাৰ কৰা হৈছিল, এতিয়া সেই মাটিত উদ্যোগ বা ব্যৱসায়িক প্ৰতিষ্ঠান গঢ়ি তোলা হৈছে। উন্নয়নৰ নামত চলোৱা এই নিৰ্মাণ কাৰ্যই প্ৰায়ে খিলঞ্জীয়া লোকসকলক স্থানান্তৰিত কৰিবলৈ বাধ্য কৰে। যদিও ৰাজ্যৰ উন্নয়নৰ বাবে উদ্যোগীকৰণৰ প্ৰয়োজন আছে, কিন্তু সেই উন্নয়নে যদি স্থানীয় মানুহৰ অস্তিত্ব বিপন্ন কৰে, তেন্তে সেই উন্নয়নৰ গ্ৰহণযোগ্যতা কিমান, সেয়া নিশ্চিতভাৱে বিচাৰ্য বিষয়। ভূমি অধিগ্ৰহণৰ নামত চৰকাৰী বা বেচৰকাৰী পক্ষই গ্ৰহণ কৰা নীতিসমূহে প্ৰায়ে ক্ষুদ্ৰ কৃষক বা দৰিদ্ৰ শ্ৰেণীৰ খিলঞ্জীয়া লোকসকলক ক্ষতিগ্ৰস্ত কৰে। উপযুক্ত ক্ষতিপূৰণ বা পুনৰ সংস্থাপনৰ বিজ্ঞানসন্মত ব্যৱস্থা নথকাৰ ফলত বহু পৰিয়াল গৃহহীন হৈ পৰে আৰু তেওঁলোকে নিজৰ ভেটি হেৰুৱাই চহৰৰ বস্তি অঞ্চলত আশ্ৰয় লবলগীয়া হয়। এনেদৰেই এসময়ৰ মাটিৰ গৰাকী কালক্ৰমত দিন হাজিৰা কৰা শ্ৰমিকত পৰিণত হয়। নগৰ সম্প্ৰসাৰণৰ এই পৰিকল্পনাবিহীন প্ৰক্ৰিয়াটোৱে কেৱল খিলঞ্জীয়াৰ অৰ্থনৈতিক মেৰুদণ্ডই ভাঙি পেলোৱা নাই, বৰঞ্চ তেওঁলোকৰ সামাজিক গাঁথনিও থানবান কৰি পেলাইছে।

ইয়াৰ উপৰিও, নদীৰ খহনীয়া অসমৰ ভূমি সমস্যাৰ অন্যতম প্ৰধান আৰু ভয়াবহ কাৰণ। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে প্ৰতিবছৰে হেজাৰ হেজাৰ বিঘা উৰ্বৰ কৃষিভূমি আৰু জনবসতিপূৰ্ণ গাঁও গ্ৰাস কৰি আহিছে। এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত সৰ্বস্বান্ত হোৱা মানুহখিনিয়ে যেতিয়া নতুন ঠাই বিচাৰি যায়, তেতিয়া তেওঁলোকে পুনৰ ভূমিৰ অধিকাৰ সাব্যস্ত কৰিবলৈ এক কঠিন সংগ্ৰাম কৰিবলগীয়া হয়। নিজৰ ভেটি-মাটি হেৰুৱাই এই লোকসকল প্ৰায়ে পথৰ কাষত বা মথাউৰিৰ ওপৰত আশ্ৰয় লবলৈ বাধ্য হয়। পৰিতাপৰ বিষয় যে, চৰকাৰী নথি-পত্ৰত তেওঁলোকৰ মাটিৰ পট্টা থাকিলেও, বাস্তৱত সেই মাটি নদীৰ বুকুত বিলীন হৈ যোৱাৰ ফলত তেওঁলোক কাৰ্যত ভূমিহীন হৈ পৰে। চৰকাৰী আঁচনিসমূহৰ জৰিয়তে এই খহনীয়াগ্ৰস্ত লোকসকলক ভূমি পট্টা প্ৰদান বা পুনৰ সংস্থাপনৰ প্ৰক্ৰিয়াটোত থকা লেহেমীয়া গতি আৰু আমোলাতান্ত্ৰিক জটিলতাই সমস্যাটো অধিক ভয়াৱহ কৰি তুলিছে। বহু ক্ষেত্ৰত দেখা যায় যে খহনীয়াগ্ৰস্ত খিলঞ্জীয়া লোকসকলে সংস্থাপনৰ অভাৱত বনাঞ্চল বা চৰকাৰী খাস মাটিত আশ্ৰয় লয়, যাৰ ফলত নতুনকৈ সংঘাতৰ সৃষ্টি হয়। প্ৰকৃতিৰ ৰোষত পৰা এই লোকসকলৰ স্থায়ী সংস্থাপনৰ ব্যৱস্থা নকৰিলে খিলঞ্জীয়াৰ এটা বৃহৎ অংশ চিৰদিনৰ বাবে ভূমিহীন ভগনীয়া হৈ জীয়াই থাকিবলগীয়া হ'ব পাৰে।

অসমৰ সত্ৰ সংস্কৃতি আৰু ধৰ্মীয় অনুষ্ঠানসমূহৰ নামত থকা হাজাৰ হাজাৰ বিঘা মাটি বেদখলৰ কবলত পৰাটো জাতিটোৰ বাবে এক চৰম দুৰ্ভাগ্যজনক আৰু লজ্জাজনক বিষয়। সত্ৰসমূহ কেৱল ধৰ্মীয় উপাসনাৰ স্থান নহয়, ই অসমীয়া সংস্কৃতি, কলা আৰু সাহিত্যৰ প্ৰাণকেন্দ্ৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱে গঢ়ি থৈ যোৱা এই অনুষ্ঠানসমূহৰ মাটি বেদখল হোৱা মানে আমাৰ সাংস্কৃতিক ঐতিহ্যৰ ভেটিত কুঠাৰঘাত কৰা। বিগত দশকসমূহত চৰকাৰী তথ্য আৰু বিভিন্ন প্ৰতিবেদনত দেখা গৈছে যে একাংশ সংগঠিত চক্ৰই অত্যন্ত কৌশলেৰে সত্ৰৰ মাটি দখল কৰি তাত স্থায়ী বসতি স্থাপন কৰিছে। এই ক্ষেত্ৰত সত্ৰাধিকাৰ বা পৰিচালনা সমিতিসমূহে আইনী যুঁজ দি থকা হৈছে যদিও কাৰ্যকৰী ফলাফল সদায় আশানুৰূপ নহয়। খিলঞ্জীয়াৰ আত্মপৰিচয়ৰ সৈতে জড়িত এই অনুষ্ঠানসমূহৰ মাটি সুৰক্ষিত কৰিব নোৱাৰিলে আমাৰ সাংস্কৃতিক স্বকীয়তা ৰক্ষা কৰাটো ভৱিষ্যতে অসম্ভৱ হৈ পৰিব। কেৱল সত্ৰই নহয়, বিভিন্ন দেৱালয়, নামঘৰ আৰু বনাঞ্চলসমূহো সুপৰিকল্পিতভাৱে বেদখল কৰা হৈছে। বনাঞ্চল ধ্বংস কৰি স্থাপন কৰা জনবসতিয়ে কেৱল পৰিৱেশৰ ভাৰসাম্যই নষ্ট কৰা নাই, বৰঞ্চ স্থানীয় বনবাসী আৰু জনজাতীয় লোকসকলৰ পৰম্পৰাগত অধিকাৰ খৰ্ব কৰিছে। প্ৰকৃতিৰ লগত সহাৱস্থান কৰি অহা খিলঞ্জীয়া জনজাতিসকলক তেওঁলোকৰ প্ৰাকৃতিক আৱাসস্থলৰ পৰা বঞ্চিত কৰা কাৰ্যই এক গভীৰ সামাজিক সংঘাতৰ ইংগিত বহন কৰে।

অৰ্থনৈতিক দুৰাৱস্থা আৰু কৰ্মসংস্থাপনৰ অভাৱ খিলঞ্জীয়া লোকসকলে মাটি হেৰুৱাৰ অন্যতম মুখ্য কাৰণ। গ্ৰাম্য অৰ্থনীতি দুৰ্বল হৈ পৰাৰ লগে লগে নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে কৃষি কৰ্মৰ প্ৰতি আগ্ৰহ হেৰুৱাই পেলাইছে। কৃষি কাৰ্যক এক সন্মানজনক পেচা হিচাপে গ্ৰহণ কৰাৰ সলনি তেওঁলোকে ইয়াক অৱহেলাৰ দৃষ্টিৰে চাবলৈ লৈছে। চহৰমুখী প্ৰৱণতা আৰু কম কষ্টতে অধিক উপাৰ্জনৰ আশাত তেওঁলোকে পৈতৃক সম্পত্তি বিক্ৰী কৰি চহৰলৈ ঢাপলি মেলে। কিন্তু চহৰত গৈ তেওঁলোকে উপযুক্ত দক্ষতাৰ অভাৱত স্থায়ী সংস্থাপন লাভ কৰিবলৈ সক্ষম নহ'লে অৱশেষত সৰ্বস্বান্ত হৈ পৰে। কৃষি খণ্ডত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ, বজাৰ ব্যৱস্থাৰ উন্নতি আৰু চৰকাৰী সাহায্যৰ সঠিক বিতৰণ নোহোৱাৰ ফলত কৃষিকৰ্ম বহু ক্ষেত্ৰত লাভজনক বুলি বিবেচিত নহয়। ইয়াৰ বিপৰীতে, ভূমি ব্যৱসায়ী বা দালাল চক্ৰই দৰিদ্ৰ আৰু আৰ্থিকভাৱে জুৰুলা কৃষকসকলক টকাৰ প্ৰলোভনেৰে মাটি বিক্ৰী কৰিবলৈ উৎসাহিত কৰে। দালালৰ প্ৰৰোচনাত পৰি বহুতে নিজৰ একমাত্ৰ সম্বল মাটিডৰা বিক্ৰী কৰি দিয়ে। এইদৰে গ্ৰাম্য সমাজখন ক্ৰমান্বয়ে ভূমিহীন শ্ৰমিকলৈ ৰূপান্তৰিত হৈছে। খিলঞ্জীয়াৰ হাতৰ পৰা মাটি গৈ পুঁজিপতি বা বহিৰাগতৰ হাতত পুঞ্জীভূত হোৱা এই অৰ্থনৈতিক অসমতাই ভৱিষ্যতে এক শ্ৰেণী সংগ্ৰামৰ জন্ম দিয়াৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। মাটিৰ মালিকীস্বত্ব অটুট ৰাখিবলৈ হ'লে গ্ৰাম্য অৰ্থনীতি সবল কৰাৰ লগতে কৃষিভিত্তিক উদ্যোগ গঢ়ি তোলাৰ জৰুৰী প্ৰয়োজন আছে, যাতে মানুহে নিজৰ মাটিতেই মৰ্যাদাসহকাৰে জীৱিকাৰ পথ বিচাৰি পায়।

খিলঞ্জীয়াৰ সংজ্ঞা নিৰ্ধাৰণ আৰু ভূমি অধিকাৰৰ মাজত এক পোনপটীয়া আৰু অবিচ্ছেদ্য সম্পৰ্ক আছে। অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ প্ৰসংগত খিলঞ্জীয়াৰ সাংবিধানিক, আইনী আৰু প্ৰশাসনিক সুৰক্ষাৰ কথা স্পষ্টকৈ কোৱা হৈছে, য'ত ভূমিৰ অধিকাৰ সংৰক্ষণ এক অতি গুৰুত্বপূৰ্ণ বিষয়। কিন্তু দীৰ্ঘদিন ধৰি খিলঞ্জীয়াৰ সংজ্ঞা সন্দৰ্ভত সৰ্বসন্মত একমতত উপনীত হ'ব নোৱাৰা বাবে এই সুৰক্ষা ব্যৱস্থাসমূহ সম্পূৰ্ণৰূপে কাৰ্যকৰী হোৱা নাই। যদিহে খিলঞ্জীয়া কোনে, সেয়াই স্পষ্ট নহয়, তেন্তে ভূমি সংৰক্ষণৰ আইনী ব্যৱস্থাই কাক সুৰক্ষা দিব ? এই আইনী ধূসৰতাৰ সুযোগ লৈ বহুতো অনা-খিলঞ্জীয়া লোকে ভুৱা নথি-পত্ৰৰ জৰিয়তে মাটিৰ পট্টা লাভ কৰিবলৈ সক্ষম হৈছে। চৰকাৰী ভূমি নীতিৰ সঠিক ৰূপায়ণৰ বাবে এখন শুদ্ধ নাগৰিক পঞ্জী আৰু খিলঞ্জীয়াৰ স্পষ্ট সংজ্ঞা নিৰ্ধাৰণ কৰাটো অপৰিহাৰ্য। শেহতীয়াকৈ গ্ৰহণ কৰা মিছন বসুন্ধৰা সদৃশ পদক্ষেপসমূহে ভূমিৰ নথি-পত্ৰ ঠিক কৰাৰ ক্ষেত্ৰত কিছু আশাৰ সঞ্চাৰ কৰিছে যদিও, ইয়াৰ ধাৰাবাহিকতা আৰু সততা অটুট ৰখাটো প্ৰত্যাহ্বানজনক। কেৱল মাটিৰ পট্টা প্ৰদান কৰলেই চৰকাৰৰ দায়িত্ব শেষ নহয়; সেই মাটি যাতে ভৱিষ্যতে হস্তান্তৰ নহয়, তাৰ বাবেও কঠোৰ আইনী বাধা-নিষেধ থকা উচিত। বিশেষকৈ সংৰক্ষিত শ্ৰেণীৰ মাটি অসংৰক্ষিত শ্ৰেণীলৈ হস্তান্তৰ কৰাৰ ক্ষেত্ৰত থকা আইনী ফাক-ফোকৰসমূহ চিৰদিনৰ বাবে বন্ধ কৰা প্ৰয়োজন। নহলে আজি পট্টা পোৱা খিলঞ্জীয়া মানুহজনে কালিলৈ সেই মাটি অনা-খিলঞ্জীয়াৰ হাতত বিক্ৰী নকৰিব বুলি কোনো নিশ্চয়তা নাই।

বৌদ্ধিক মহল, ছাত্ৰ সংগঠন আৰু সচেতন নাগৰিক সমাজৰ ভূমিকা এই ক্ষেত্ৰত অত্যন্ত গুৰুত্বপূৰ্ণ। ভূমি অধিকাৰৰ বিষয়ে কেৱল আৱেগিক শ্লোগান বা ৰাজনৈতিক ভাষণ দিলেই সমস্যাৰ স্থায়ী সমাধান নহ'ব। ইয়াৰ বাবে প্ৰয়োজন এক বাস্তৱসন্মত, দীৰ্ঘম্যাদী আৰু বিজ্ঞানসন্মত পৰিকল্পনা। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত ভূমি কেন্দ্ৰিক বিবাদসমূহ পাৰস্পৰিক আলোচনাৰ মাধ্যমেৰে সমাধান কৰি এক উমৈহতীয়া আৰু সৰ্বজনগ্ৰাহ্য ভূমি নীতি গ্ৰহণ কৰা দৰকাৰ। জনজাতীয় আৰু অ-জনজাতীয় খিলঞ্জীয়া লোকসকলৰ স্বাৰ্থ যাতে কোনো পিনৰ পৰাই বিঘ্নিত নহয়, সেই ভাৰসাম্য বৰ্তাই ৰাখি আগবাঢ়িব লাগিব। বৰ্তমান সময়ত দেখা যায় যে বিভিন্ন জনগোষ্ঠীয়ে স্বায়ত্ত্ব শাসন বা পৃথক ৰাজ্যৰ দাবী উত্থাপন কৰাৰ মূলতে আছে ভূমি আৰু সম্পদৰ ওপৰত নিজৰ একচেটিয়া অধিকাৰ সাব্যস্ত কৰাৰ আকাংক্ষা। এই বিচ্ছিন্নতাবাদেৰ প্ৰৱণতা ৰোধ কৰিবলৈ হ'লে ৰাজ্যখনৰ সকলো খিলঞ্জীয়া মানুহৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰিব লাগিব। যেতিয়া প্ৰতিটো জনগোষ্ঠীয়ে অনুভৱ কৰিব যে তেওঁলোকৰ মাটি আৰু অস্তিত্ব সুৰক্ষিত, তেতিয়াহে বৃহত্তৰ অসমীয়া সমাজ গঠনৰ প্ৰক্ৰিয়াটো শক্তিশালী হ'ব। ভূমিৰ সমবণ্টন আৰু প্ৰকৃত হিতাধিকাৰীক মাটিৰ মালিকীস্বত্ব প্ৰদান কৰিলেহে সমাজত স্থিৰতা আৰু শান্তি বিৰাজ কৰিব।

ৰাজনৈতিক সদিচ্ছাৰ অভাৱ এই সমস্যা সমাধানৰ অন্যতম প্ৰধান অন্তৰায়। ভোটবেংকৰ ৰাজনীতিৰ স্বাৰ্থত বিভিন্ন সময়ত চৰকাৰসমূহে অবৈধ দখলকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰে। যেতিয়া সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থই জাতীয় স্বাৰ্থক অৱদমিত কৰে, তেতিয়া জাতি এটাৰ ভৱিষৎ বিপন্ন হোৱাটো নিশ্চিত। খিলঞ্জীয়াৰ ভূমি অধিকাৰ সুৰক্ষিত কৰিবলৈ হ'লে চৰকাৰে দলমত নিৰ্বিশেষে জাতীয় স্বাৰ্থক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিব লাগিব। প্ৰশাসনক অহেতুক ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত কৰি ভূমি আইনসমূহ কঠোৰভাৱে আৰু নিৰপেক্ষভাৱে বলবৎ কৰাৰ ক্ষমতা দিব লাগিব। একেদৰে, উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনাসমূহ পালন কৰাৰ ক্ষেত্ৰত চৰকাৰৰ তৎপৰতা বৃদ্ধি পাব লাগিব। ভূমি কেলেংকাৰী, চৰকাৰী মাটিৰ অবৈধ আৱণ্টন বা মাটিৰ নথি-পত্ৰ জালিয়াতিৰ লগত জড়িত যিকোনো ব্যক্তিক, লাগিলে তেওঁ যিমানেই শক্তিশালী নহওক কিয়, দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিলেহে এই ব্যাপক দুৰ্নীতি ৰোধ কৰিব পৰা যাব। বৰ্তমানৰ ডিজিটেল প্ৰযুক্তিৰ যুগত ভূমিৰ নথি-পত্ৰ ডিজিটাইজেশ্যনৰ জৰিয়তে স্বচ্ছতা অনাৰ প্ৰয়াস কৰা হৈছে, যিটো এক ইতিবাচক পদক্ষেপ। কিন্তু প্ৰযুক্তিৰ ব্যৱহাৰৰ সমান্তৰালভাৱে মানৱীয় সততা আৰু নৈতিকতাও সমানেই প্ৰয়োজনীয়। প্ৰযুক্তি কেৱল এক সঁজুলিহে, ইয়াক পৰিচালনা কৰা মানুহৰ মানসিকতা সলনি নহ'লে দুৰ্নীতিৰ ধৰণ কেৱল সলনি হ'ব, কিন্তু নিৰ্মূল নহ'ব।

আজিৰ যুৱ প্ৰজন্মৰ মাজত মাটিৰ প্ৰতি থকা ধাৰণা আৰু মানসিকতা আমূলভাৱে সলনি কৰাটো জৰুৰী হৈ পৰিছে। মাটি যে কেৱল বিক্ৰী কৰি টকা ঘটাৰ বাণিজ্যিক সামগ্ৰী নহয়, ই যে উৎপাদন, সৃজনীশীলতা আৰু স্বাৱলম্বিতাৰ মূল উৎস, সেই কথা তেওঁলোকক বুজাব লাগিব। আধুনিক কৃষি পদ্ধতি, জৈৱিক কৃষি, মীন পালন, পশুপালন, উদ্যান শস্য আদিৰ জৰিয়তে কম মাটিতেই যে স্বাৱলম্বী আৰু আৰ্থিকভাৱে সচ্ছল হ'ব পাৰি, তাৰ সফল নিদৰ্শন তেওঁলোকৰ আগত দাঙি ধৰিব লাগিব। শিক্ষা ব্যৱস্থাত কৃষি আৰু ভূমি ব্যৱস্থাপনাৰ বিষয়ে ব্যৱহাৰিক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিলে ছাত্ৰ-ছাত্ৰীসকলে সৰুৰে পৰাই মাটিৰ গুৰুত্ব আৰু ইয়াৰ উৎপাদন ক্ষমতা উপলব্ধি কৰিব পাৰিব। যি জাতিয়ে নিজৰ মাটিক শ্ৰদ্ধা কৰিব নাজানে, যি জাতিয়ে কৃষি কৰ্মক হীন চকুৰে চায়, সেই জাতিৰ শিপা কেতিয়াও জীয়াই নাথাকে। খিলঞ্জীয়াৰ ভৱিষৎ নিৰ্ভৰ কৰিব আমি আমাৰ উত্তৰসূৰীৰ বাবে কিমান মাটি সুৰক্ষিত কৰি থৈ যাব পাৰো আৰু তেওঁলোকক মাটিৰ প্ৰতি কিমান আগ্ৰহী কৰি গঢ়ি তুলিব পাৰো তাৰ ওপৰত। আমি যদি আজি ক্ষন্তেকীয়া সুখৰ বাবে মাটি বিক্ৰী কৰি বিলাসী জীৱন যাপন কৰো, তেন্তে কাইলৈ আমাৰ সন্তানসকলে নিজৰ দেশতে আনৰ ঘৰত গোলামি খাটিব লাগিব। এই কটু আৰু নিৰ্মম সত্যটো উপলব্ধি কৰাৰ সময় সমাগত।

কৃষি ভূমিৰ সংৰক্ষণৰ বাবে এক নতুন কৃষি বিপ্লৱৰ প্ৰয়োজন। অসমৰ মাটি অত্যন্ত সাৰুৱা আৰু ইয়াত বছৰত তিনিবাৰকৈ খেতি কৰাৰ সম্ভাৱনা আছে। কিন্তু পৰম্পৰাগত পদ্ধতি আৰু জলসিঞ্চনৰ অভাৱত বহু মাটি বছৰৰ অধিকাংশ সময় চন পৰি থাকে। এই চন পৰি থকা মাটিয়েই বেদখলকাৰীক আকৰ্ষিত কৰে। চৰকাৰ আৰু সমাজৰ যুটীয়া প্ৰচেষ্টাত এই মাটিসমূহক বছৰজোৰা উৎপাদনক্ষম কৰি তুলিব পাৰিলে এহাতে যেনেকৈ অৰ্থনৈতিক বিকাশ ঘটিব, আনহাতে মাটিৰ সুৰক্ষাও নিশ্চিত হ'ব। সমবায় ভিত্তিত কৃষি পাম গঢ়ি তোলা, কৃষি সামগ্ৰীৰ উচিত মূল্য নিৰ্ধাৰণ আৰু বান-খহনীয়া নিয়ন্ত্ৰণৰ বাবে স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিলে কৃষকসকল পুনৰ কৃষিৰ প্ৰতি আকৰ্ষিত হ'ব। যেতিয়া মাটিয়ে মানুহক আৰ্থিক নিৰাপত্তা দিব পাৰিব, তেতিয়া মানুহে সহজে মাটি বিক্ৰী কৰিবলৈ আগবাঢ়ি নাহিব। মাটিৰ প্ৰতি মোহ ঘূৰাই আনিবলৈ হ'লে কৃষিক এটা লাভজনক ব্যৱসায়লৈ ৰূপান্তৰিত কৰাৰ বিকল্প নাই।

উপসংহাৰত ক'ব পাৰি যে ভূমি অধিকাৰ আৰু খিলঞ্জীয়াৰ ভৱিষৎ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। মাটি অবিহনে খিলঞ্জীয়াৰ কোনো অস্তিত্ব নাই, ঠিক যেনেকৈ শিপা অবিহনে গছ জীয়াই থাকিব নোৱাৰে। এই সমস্যাটো কেৱল চৰকাৰ বা প্ৰশাসনৰ ওপৰত জাপি দিলেই নহ'ব। ই প্ৰতিজন অসমীয়া বা খিলঞ্জীয়া লোকৰ জাতীয় আৰু ব্যক্তিগত দায়িত্ব। আমি আমাৰ পূৰ্বপুৰুষৰ পৰা লাভ কৰা এই মাটি কেৱল আমাৰ সম্পত্তি নহয়, ই এক ন্যাস, যিটো আমি আমাৰ উত্তৰসূৰীক সুৰক্ষিতভাৱে গতাই দি যোৱাটো আমাৰ নৈতিক কৰ্তব্য। তাৰ বাবে প্ৰয়োজন কঠোৰ আইন, সবল ৰাজনৈতিক সদিচ্ছা, অৰ্থনৈতিক স্বাৱলম্বিতা আৰু এক শক্তিশালী সামাজিক জাগৰণ। যিদিনা প্ৰতিজন খিলঞ্জীয়া লোকে মাটিক নিজৰ প্ৰাণৰ দৰে ভাল পাবলৈ শিকিব, যিদিনা মাটি বিক্ৰী কৰাটো লাজৰ আৰু অপৰাধৰ বিষয় বুলি গণ্য কৰা হ'ব, সেইদিনাহে খিলঞ্জীয়াৰ ভৱিষৎ সুৰক্ষিত হ'ব বুলি নিশ্চিতকৈ ক'ব পাৰি। অন্যথা, ইতিহাসৰ পাতত আমি এটা ভূমিহীন, পৰিচয়হীন আৰু ভগনীয়া জাতি হিচাপে চিহ্নিত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। সময় থাকোঁতেই সতৰ্ক আৰু সচেতন নহ'লে অনাগত দিনত অনুশোচনা কৰাৰ বাদে আন কোনো উপায় নাথাকিব। ভূমিৰ অধিকাৰ ৰক্ষাৰ সংগ্ৰামখন কেৱল মাটিৰ বাবে নহয়, ই আমাৰ পৰিচয়, আমাৰ ভাষা আৰু আমাৰ সংস্কৃতি ৰক্ষাৰ অস্তিত্বৰ সংগ্ৰাম, য'ত পৰাজয়ৰ কোনো স্থান নাই।

*জামুগুৰিহাট*

# অসম চাহ জনজাতি মহিলা সমিতিৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৯ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ নগৰৰ ৰংঘৰ ৰাজহুৱা ভৱন প্ৰাঙ্গনত বুধবাৰে দিনযোৰা কাৰ্যসূচীৰে অসম চাহ জনজাতি মহিলা সমিতিৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱসটি অতি উলহ-মালহেৰে উদ্‌যাপন কৰে। ১৯৮৯চনৰ ১৮ফেব্ৰুৱাৰী তাৰিখে ডিব্ৰুগড় জিলাত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ভগ্নী সংগঠন অসম চাহ জনজাতি মহিলা সমিতিৰ জন্ম লাভ কৰিছিল। জন্মলগ্নৰে পৰা অসমৰ চাহ জনগোষ্ঠী তথা চাহ জনগোষ্ঠীৰ মহিলাসকলৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশত বিকাশৰ লক্ষ্যৰে এক দীৰ্ঘদিনীয়া সংগ্ৰামৰ ধাৰা অব্যাহত ৰাখিছে। মহিলা সকলৰ সৰ্বাঙ্গীণ উন্নয়ন বিকাশ, আটুৱাৰ সাংগঠনিক দিশ শক্তিশালী কৰা আৰু সকলোৱে একেখন মঞ্চত সমবেত হৈ এক নতুন দিগন্তৰ দিশে যাত্ৰা কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ উদ্দেশ্যৰেই মহিলা সমিতিয়ে প্ৰতিবছৰে ১৮ ফেব্ৰুৱাৰী তাৰিখে আটুৱাৰ এই প্ৰতিষ্ঠা দিৱস উদযাপন কৰি আহিছে। বুধবাৰে পুৱাৰ ভাগত প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে গোলাঘাট জিলা চাহ জনজাতি মহিলা সমিতিৰ সভানেত্ৰী মমিতা বেহেৰাই, স্মৃতি তৰ্পণ কৰে জিলা সমিতিৰ সম্পাদিকা দামিনী কালিন্দীৰ লগতে উপস্থিত বিষয়ববীয়া সকলে। পৰৱৰ্তী সময়ত ৰংঘৰ ৰাজহুৱা ভৱনৰ প্ৰেক্ষাগৃহত অনুষ্ঠানটোৰ মূল কাৰ্যসূচী মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত সভাপতিত্ব কৰে আটুৱাৰ গোলাঘাট জিলা সমিতিৰ সভানেত্ৰী মমিতা বেহেৰাই আৰু আদৰণি ভাষণ প্ৰদাণ কৰে গোলাঘাট জিলা সমিতিৰ সম্পাদিকা দামিনী কালিন্দীয়ে। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে আটছা কেন্দ্ৰীয় সমিতিৰ সভাপতি জগদীশ বৰাইক উপস্থিত থাকি চাহ জনগোষ্ঠীয় মহিলা সকলকৰ বিকাশৰ ক্ষেত্ৰত বহুখিনি তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়াই। অনুষ্ঠানটোত নিদিষ্ট বক্তা হিচাপে সৰুপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা মনিপ্ৰভা বৰা উপস্থিত থাকি আনন্দ প্ৰকাশ কৰাৰ লগতে চাহ জনগোষ্ঠীয় মহিলাসকলৰ জীৱন সংগ্ৰাম, শিক্ষা-সংস্কৃতি ইত্যাদি বিষয়ত যথেষ্ট গভীৰতাৰে ভাষণ আগবঢ়াই আৰু সকলোকে উৎসাহিত কৰে। আনহাতে মুকলি সভাৰ মাজতেই অনুষ্ঠানটোত ঝুমুৰ নৃত্য, চাওঁতালী নৃত্য, গোৰ্খা জনগোষ্ঠীয় নৃত্য আৰু কণমানি সকলৰ কবিতা আবৃত্তি, একক নৃত্য ইত্যাদি সাংস্কৃতিক আৰু সাহিত্য অনুষ্ঠান অনুষ্ঠিত হৈ অনুষ্ঠানটো অধিক মনোগ্ৰাহী কৰি তোলে। মহিলা সমিতিৰ এই প্ৰতিষ্ঠা দিৱসত সৰুপথাৰ নগৰৰ ৰংঘৰ ৰাজহুৱা ভৱনৰ বাকৰিত প্ৰায় দুই সহস্ৰাধিক মহিলা উপস্থিত থাকে। অনুষ্ঠানটোত অসম চাহ জনজাতি মহিলা সমিতি কেন্দ্ৰীয় সমিতিৰ উপ সভানেত্ৰী জিনুপ্ৰভা লোধি, কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদিকা লেখামনি কালিন্দী, জিলা সমিতিৰ উপ সভানেত্ৰী চুন্তী মুৰ্ম্মু, জিলা সভানেত্ৰী মমিতা বেহেৰা, জিলা সম্পাদিকা দামিনী কালিন্দী, জিলা সহকাৰী সম্পাদিকা প্ৰিয়ংকা কালিন্দী, সৰুপথাৰ শাখাৰ সভানেত্ৰী জোনমণি কুৰ্মী গোৱালা, সম্পাদিকা মৌচুমি ওৰাং ধান, বৰপথাৰ শাখাৰ সভানেত্ৰী চিমা তাচা, সম্পাদিকা জোৎস্না গোৱালা, আটছা কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদক মহেশ্বৰ গোৱালা, গোলাঘাট জিলা আটছাৰ সভাপতি সুশীল কালিন্দী, সম্পাদক মনোজ মহানন্দ, আটছাৰ সৰুপথাৰ শাখাৰ সভাপতি পুনেশ্বৰ মুদি, সম্পাদক সোণাৰাম গঞ্জু, আটছা বৰপথাৰ শাখাৰ সভাপতি মণ্টু মুড়া, সম্পাদক অতুল ভূমিজ, সৰুপথাৰ শাখা আটুৱাৰ সহকাৰী সম্পাদিকা নুমলি গোৱালা উপস্থিত থাকে।

## ২৮ বছৰে চাকৰি নিয়মীয়াকৰণ নকৰাত ক্ষোভ

# ৰাষ্ট্ৰীয় যক্ষ্মা দূৰীকৰণ আঁচনিৰ ছিনিয়ৰ টিবি লেবৰেটৰী চুপাৰ ভাইজাৰ চম্পক দাসৰ আকস্মিক মৃত্যু

**অসম বাৰ্তা, মঙলদৈ, ১৯ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় যক্ষ্মা দূৰীকৰণ আঁচনিৰ ছিনিয়ৰ টিবি লেবৰেটৰী চুপাৰ ভাইজাৰ (এছ টি এল এছ) হিচাপে কামৰূপ মহানগৰ জিলাৰ সোণাপুৰ টিবি ইউনিটত কৰ্মৰত চম্পক দাস (৫১) ৰ যোৱা নিশা প্ৰায় ২বজাত আকস্মিকভাৱে মৃত্যু হয়। গোৱালপাৰা জিলাৰ মৰনৈৰ প্ৰয়াত শান্তিৰাম দাসৰ পুত্ৰ চম্পক দাসৰ আকস্মিক মৃত্যুত সোণাপুৰৰ লগতে যক্ষ্মা বিভাগত কৰ্মৰত ছয় শতাধিক ঠিকাভিত্তিক কৰ্মচাৰীৰ মাজত শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে, কালি সতীৰ্থৰ সৈতে যক্ষ্মা ৰোগীৰ সন্ধানত বিভিন্ন ঠাইত বিভাগীয় কাম কৰি বিয়লি সোণাপুৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ যক্ষ্মা চিকিৎসালয়ৰ আবাসলৈ আহি একমাত্ৰ পুত্ৰ সন্তানক লৈ জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰিছিল। নিশা ঘৰত আহাৰ গ্ৰহণ কৰি শুই পৰা চম্পক দাসে নিশা প্ৰায় ২বজাত শ্বাস প্ৰশ্বাসত কষ্ট পোৱাত ততালিকে সোণাপুৰ অসামৰিক চিকিৎসালয় আৰু তাৰ পিছত গুৱাহাটী চিকিৎসালয় মহাবিদ্যালয় হাস্পতাললৈ নিয়ে যদিও আদবাটতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে, গোৱালপাৰা স্বাস্থ্য বিভাগত প্ৰথমতে ঠিকাভিত্তিক লেবৰেটৰী টেকনিচিয়ান হিচাপে যোগদান কৰি পিছলৈ নিজৰ যোগ্যতাৰ ভিত্তিত এছ টি এল এছ পদত যোগদান কৰাৰ সুবিধা লাভ কৰে। কিন্তু প্ৰায় দুবছৰ পূৰ্বে ঘৰৰ ভেটি বিক্ৰী কৰি তেওঁ সোণাপুৰ টিবি ইউনিটলৈ বদলি হৈ আহে। কিন্তু সামান্য পাৰিতোষিকেৰে পৰিয়াল চলাবলৈ কঠিন হৈ পৰাত চম্পক দাস কিছুদিনৰ পৰা মানসিকভাৱে ভাঙি পৰিছিল। মধুমেহ আৰু উচ্চ ৰক্তচাপ জনিত ৰোগত আক্ৰান্ত হৈয়ো আৰ্থিক সংকটৰ বাবে উন্নত চিকিৎসা নকৰি 'যক্ষ্মামুক্ত ভাৰত' গঢ়াৰ স্বাৰ্থত দিন ৰাতি একাকাৰ কাম কৰিছিল। অতি নিষ্ঠাৱান কৰ্মচাৰী হিচাপে পৰিচিত চম্পক দাসৰ আকস্মিক মৃত্যুত সদৌ অসম এন টি ই পিৰ ঠিকাভিত্তিক কৰ্মচাৰী সন্থাৰ সভাপতি গণেশ দত্ত, কাৰ্যকৰী সভাপতি ৰঞ্জিত বৰুৱা, সাধাৰণ সম্পাদক ৰিয়াজ উদ্দিনে শোক প্ৰকাশ কৰি চম্পক দাসক ধৰি এতিয়ালৈ মুঠ ২১ জনে চিৰদিনৰ বাবে বিদায় ল'লৈ বুলি প্ৰকাশ কৰিছে। তাৎপৰ্যপূৰ্ণ যে, ১৯৯৮ চনৰ পৰা অসমত যক্ষ্মা দূৰীকৰণ আঁচনি আৰম্ভ হৈছে। এই বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণৰ বাবে ২০১১ চনতে তদানীন্তন স্বাস্থ্য মন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই আশ্বাস প্ৰদান কৰিছিল। কিন্তু আজিলৈ চাকৰি নিয়মীয়াকৰণ দূৰৈৰ কথা, দৰমহাও বৃদ্ধি নকৰিলে বুলি সন্থাই ক্ষোভ প্ৰকাশ কৰিছে। বৰ্তমান এজন কৰ্মচাৰী মৃত্যু হলে চৰকাৰে ৭ লাখ ৫০ হাজাৰ টকাৰ একঁকালীন আৰ্থিক অনুদান আগবঢ়াই দায়িত্ব সামৰিছে বুলি সন্থাৰ সভাপতি-সম্পাদকে ক্ষোভ প্ৰকাশ কৰিছে। ২৮ বছৰে ঠিকাভিত্তিক কৰ্মচাৰী হিচাপে সেৱা আগবঢ়াই যক্ষ্মা ৰোগৰ প্ৰাদূৰ্ভাৱ বহুলাংশে হ্ৰাস কৰিবলৈ সক্ষম হোৱা এই কৰ্মচাৰীৰ দুখ-দুৰ্গতিৰ প্ৰতি ড° হিমন্তবিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে কোনো গুৰুত্ব আৰোপ নকৰাত কৰ্মচাৰী সকল হতাশাত ভুগিছে। উল্লেখ্য যে, মৃত্যুৰ সময়ত চম্পক দাসে পত্নী আৰু এজন বিশেষ ভাৱে সক্ষম কণমানি পুত্ৰক ইহসংসাৰত এৰি থৈ যায়।

# নাজিৰা সমজিলা কাৰ্যালয় সন্মুখত আটছা কৰ্মীৰ ৩ ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী

**অসমবাৰ্তা, নাজিৰা, ১৮ ফেব্ৰুৱাৰী ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) অসম চাহ জনজাতি মহিলা সমিতি "আটুৱা" নাজিৰা আৰু আমগুৰি শাখাৰ যৌথ উদ্যোগত নাজিৰা, আমগুৰি শাখাৰ অন্তৰ্গত উপ-শাখা ও সমূহ প্ৰাথমিক গোটৰ সহযোগত ৩ ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী সহযোগত নাজিৰা সম-জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ৩ ঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। চাহ শ্ৰমিক সকলক ভূমি আবণ্টন দিয়া চৰকাৰী পদক্ষেপক বাগিচা মালিক পক্ষই বিৰোধিতা কৰাৰ প্ৰতিবাদত। চাহ শ্ৰমিকসকলক জনজাতিকৰণ মৰ্যাদা প্ৰদান কৰা। চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি নিম্নতম মজুৰি আইন ১৯৪৮ অনুসৰি প্ৰদান কৰা। এই দাবীসমূহ পূৰণ কৰাৰ দাবীৰে শতাধিক আটচা কৰ্মীয়ে চাহ জনজাতি কাৰ্যালয়ৰ পৰা নাজিৰা সম-জিলা আয়ুক্তৰ কাৰ্যালয়লৈ নাজিৰা নগৰৰ মাজেৰে এক প্ৰতিবাদী সমদল বাহিৰ কৰে। বিজেপি গ' বেক, মুখ্যমন্ত্ৰী হুচিয়াৰ, মিছা প্ৰতিশ্ৰুতি দিয়া বন্ধ কৰক, আমাক এচ টি লাগিবই"আদি ধ্বনিৰে নাজিৰাৰ আকাশ বতাহ উত্তাল কৰি তোলে। অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) ই দীৰ্ঘদিন ধৰি চৰকাৰৰ ওচৰত জনাই অহা অসমৰ চাহ বাগিছা আৰু গাঁও অঞ্চলত বসবাস কৰি অসমৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আদি ক্ষেত্ৰত অবদান আগবঢ়োৱা চাহ জনগোষ্ঠীৰ লোক সকলৰ জনজাতিকৰণ, ভূমি পট্টা আৰু চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ ক্ষেত্ৰত বিগত চৰকাৰ সমূহে যি নীতি অবলম্বন কৰি আহিছিল সেই একে নীতিকে বৰ্তমানৰ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ খনেও অৱলম্বন কৰাৰ বিৰোধিতা কৰি জনজাতিকৰণ, ভূমি পট্টা আৰু চাহ শ্ৰমিক মজুৰি বৃদ্ধি এই তিনিওটা মূল দাবী হিচাপে তীব্ৰ কণ্ঠেৰে প্ৰতিবাদ সাব্যস্ত কৰে। কেবল নিৰ্বাচনী প্ৰতিশ্ৰুতি প্ৰদানতে চৰকাৰ ব্যস্ত থাকিলে আটছা আৰু চাহ জনগোষ্ঠীৰ বাইজে বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ দিয়ে।

# ভাৰতীয় জনতা মজদুৰ ট্ৰেড ইউনিয়নৰ কেন্দ্ৰীয় সদস্য, মানৱদৰদী যুৱক জ্যোতিষ কলিতাৰ অকাল মৃত্যু; শোকস্তব্ধ আমগুৰি

**অসম বাৰ্তা, আমগুৰি, ১৯ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় জনতা ট্ৰেড ইউনিয়নৰ কাৰ্যবাহী সদস্য, শিৱসাগৰ জিলাৰ আমগুৰি হিলৈদাৰী গাঁৱৰ নিবাসী, আমগুৰি ডনবস্ক' ভান এচ'ছিয়েচনৰ সম্পাদক, মানৱ দৰদী যুৱক জ্যোতিষ কলিতাৰ আজি পুৱতি নিশা গুৱাহাটীৰ জিএনাৰচি চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাতে পৰলোকপ্ৰাপ্তি ঘটে। উল্লেখযোগ্য যে, যোৱা ১৬ ফেব্ৰুৱাৰীত অসুস্থ হৈ পৰা জ্যোতিষ কলিতাক ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীৰ জিএনাৰচি হস্পিতালত ভৰ্তি কৰা হৈছিল। কিন্তু আজি পুৱতি নিশা ৫০ বৰ্ষীয় যুৱক গৰাকীয়ে অকালতে মৃত্যুক সাৱটি লয়। আমগুৰি ডনবস্ক' হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীক বিদ্যালয়লৈ অনা-নিয়া কৰা কাৰ্যত দীৰ্ঘদিন ধৰি নিয়োজিত জ্যোতিষে নিষ্ঠাৰে দায়িত্ব পালন কৰাৰ লগতে ভেন চালক সকলক সংগঠিত কৰি গঠন কৰিছিল আমগুৰি ডনবস্ক' ভান এছোছিয়েছন। মৃত্যুৰ সময়লৈকে এছোছিয়েছনৰ সম্পাদকৰ দায়িত্ব বহন কৰা জ্যোতিষে সংগঠনটোক কেৱল ছাত্ৰ-ছাত্ৰী অনা নিয়া কাৰ্যতে সীমাবদ্ধ নাৰাখি এলানি জনহিতকৰ কাৰ্যৰ জৰিয়তে মানৱ সেৱাৰ এক অনুষ্ঠান হিচাপে গঢ় দিছিল। জ্যোতিষৰ নেতৃত্বত আমগুৰি ডনবস্ক' ভান এছোছিয়েছনে এই পৰ্যন্ত আৰ্তজনৰ বাবে পাঁচ লক্ষাধিক টকাৰ অনুদান আগবঢ়াইছিল। বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত পিড়ীত সকল যৎপৰোনাস্তি সহায়ৰ হাত আগবঢ়োৱা জ্যোতিষ কলিতা ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু বিদ্যালয় কৰ্তৃপক্ষৰ অতিকে আপোন হৈ পৰিছিল। জ্যোতিষ কলিতাৰ বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগে লগে আমগুৰি অঞ্চলত গভীৰ শোকৰ ছাঁ পৰে। আজি বিয়লি মানৱ দৰদী যুৱকজনৰ মৃতদেহ গুৱাহাটীৰ পৰা আহি জাঁজীত উপস্থিত হোৱাৰ পিছতে আমগুৰি ডনবস্ক' ভান এচোছিয়েচনৰ সদস্যসকলে সমদল যাত্ৰাৰে বাসগৃহলৈ আগবঢ়াই আনে। যুৱকজনৰ বাসগৃহত সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ডনবস্ক' ভান এছোচিয়েচনৰ হৈ সভাপতি চাজিদ আহমেদ, উপ সভাপতি ভূপেন গগৈ, আমগুৰি ডনবস্ক' বিদ্যালয়ৰ ফাদাৰ ৰেঙ্গ এন্থনী, জ্ঞান বিকাশ বিদ্যাপীঠ, অৰুনোদয় মটৰ পৰিবহণ সন্থা, কৃষক মুক্তি, ছাত্ৰ মুক্তি, ৰাইজৰ দল, গধূলিবজাৰ সমবায় সমিতি, হিলৈদাৰী গাঁও নামঘৰ পৰিচালনা সমিতি, চাৰিং ৰাস মহোৎসৱ কলা কৃষ্টি কেন্দ্ৰ, মৌৰা বজাৰ যুৱ সমাজ, আমগুৰি লেখিকা সমাজ, ক্ৰান্তি অমেন, আমগুৰি গজলা সত্ৰ পৰিচালনা সমিতিকে ধৰি বহু অনুষ্ঠান প্ৰতিষ্ঠানে মৃতকক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সহস্ৰাধিক গুণমুগ্ধই অশ্ৰুসিক্ত নয়নেৰে জ্যোতিষ কলিতাক অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জ্যোতিষ কলিতাই মৃত্যুৰ সময়ত মাতৃ, পত্নী, দুজন পুত্ৰ, ভাতৃকে ধৰি বহু সংখ্যক আত্মীয় এৰি থৈ যায়।

# নলবাৰীৰ নিজ পকোৱাৰ গিৰিবালা দত্তৰ মৃত্যু

**অসম বাৰ্তা, চামতা, ১৯ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ নিজ পকোৱা গাঁৱৰ গোঁসাইৰখাট চুবুৰিৰ সৰবৰহী মহিলা গিৰিবালা দত্তৰ কালি নিশা ৯.৫৫ বজাত মৃত্যু হয়। নিজ পকোৱা স্প'ৰ্টছ ক্লাবৰ প্ৰতিষ্ঠাপক সদস্য তথা প্ৰাক্তন ফুটবল খেলুৱৈ মাণিক দত্তৰ পত্নী গিৰিবালা দত্তৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৬২ বছৰ। কিছুদিন ধৰি মধুমেহ আদি ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা দত্তই স্বামী, দুই পুত্ৰ, এগৰাকী বোৱাৰী, নাতিনীসহ গুণমুগ্ধক সংসাৰত এৰি যায়। দত্তৰ মৃত্যুত চুবুৰিবাসীৰ লগতে নিজ পকোৱা স্প'ৰ্টছ ক্লাব, পকোৱা চ'ক বজাৰ সমিতি, প্ৰতিবেদক লাইভ, নিজ পকোৱা থান উন্নয়ন সমিতিকে আদি কৰি কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান ৰূপক বৈশ্য প্ৰমুখ্যে বিভিন্ন ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

### ভালুকমাৰী-কাকমাৰীত শোঁকৰ ছাঁ

# প্ৰাক্তন অগপ নেতা, অৱসৰপ্ৰাপ্ত শিক্ষক পূৰ্ণকান্ত নাথৰ মৃত্যু

**অসম বাৰ্তা, নগাঁও, ১৯ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ বৰ্তমানৰ ৰহা সমষ্টিৰ অন্তৰ্গত ভালুকমাৰী নিবাসী অৱসপ্ৰাপ্ত শিক্ষক-অসম আন্দোলনৰ এগৰাকী সক্ৰিয় নেতা, প্ৰাক্তন অগপ নেতা পূৰ্ণকান্ত নাথৰ যোৱা কালি সন্ধিয়া নিজা বাসভৱন মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৯৬ বছৰ। অসম গণ পৰিষদ দলৰ কাকমাৰী আঞ্চলিকৰ প্ৰতিষ্ঠাপক সভাপতি তথা একেৰাহে ২৫ বছৰৰ সভাপতিৰ দায়িত্ব বহন কৰিছিল প্ৰয়াত পূৰ্ণকান্ত নাথে। কুহিঁগুৰি ভালুকমাৰী মজলীয়া বিদ্যালয়ৰ পৰা ১৯৯৮ চনতে অৱসৰ গ্ৰহণ কৰি অবিভক্ত নগাঁও জিলাৰ শংকৰ সংঘ কাকমাৰী ৰমাকান্ত মুক্তিয়াৰ আতা আঞ্চলিক শাখাৰ গুৰিধৰোঁতা তথা প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হৈ থাকি বিভিন্ন সামাজিক-সাংস্কৃতিকভাৱে জড়িত হৈ নিজকে আত্মনিয়োগ কৰি আহিছিল। অসম গণ পৰিষদ দলৰ বটদ্ৰৱা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা প্ৰয়াত প্ৰভাৱশালী মন্ত্ৰী দিগেন বৰাৰ এগৰাকী অতি ঘনিষ্ঠ ব্যক্তি হিচাপেও তেওঁ সকলোৰে মাজত পৰিচিত আছিল। এগৰাকী সহজ-সৰল, অমায়িক, ধাৰ্মিক, পৰোপকাৰী, সমাজহিতৈষী হিচাপে সকলোতে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা প্ৰয়াত পূৰ্ণকান্ত নাথে মৃত্যুৰ সময়ত দুজন পুত্ৰ, দুগৰাকী বোৱাৰী, তিনি গৰাকী জীয়ৰি, কেইবাগৰাকীও নাতি-নাতিনী সহ অনেক গুণমুগ্ধ শুভাকাংক্ষীক ইহঁ সংসাৰত এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত সমগ্ৰ কাকমাৰী-ভালুকমাৰী অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰিছে।

## দুশৰো অধিক পুৰুষ-মহিলাৰ অংশগ্ৰহণ


# আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ভজো ৰংছোৱাল চাংমাই গাঁৱত কৃষি প্ৰশিক্ষণ কৰ্মশালা




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৯ ফেব্ৰুৱাৰী ঃ** বিগত ৬৫ সপ্তাহ ধৰি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰইবহুলক্ষ্ম, আত্মনিৰ্ভৰ, স্বাৱলম্বী কৃষি ব্যৱস্থাপনাৰ লক্ষ্যৰে প্ৰযোজনা কৰি অহা 'সুষমা বসুন্ধৰা' শীৰ্ষক অনুষ্ঠানটোৰ উদ্যোগত আৰু চৰাইদেউ জিলা ভজো ৰংছোৱাল চাংমাইগাঁৱৰ কৃষক ৰাইজৰ সহযোগত আজিৰেপৰা (১৮ ফেব্ৰুৱাৰী) দুদিনীয়াকৈ কৃষি প্ৰশিক্ষণ কৰ্মশালা আৰম্ভ হয়। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ সংঘ, বংছোৱাল চাংমাই গাঁৱৰ প্ৰাথমিক শাখা নামঘৰ প্ৰাংগণত অনুষ্ঠিত প্ৰথমদিনৰ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে শিৱসাগৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী বিজ্ঞানী ড° অৰুন্ধতী বৰদলৈ, বিজ্ঞানী ড° প্ৰিয়ংকা দত্ত, বিজ্ঞানী ড° বনশ্ৰী মেধিয়ে। কৃষি বিজ্ঞানী ড° প্ৰিয়ংকা দত্তই স্থানীয় খেতিপথাৰত উপযোগীকৈ ধানৰ বীজ নিৰ্বাচন, ভূমি ব্যৱস্থাপনা আৰু বছৰ জুৰি কৰিবপৰা কৃষি কৰ্মৰ বিষয়ে আলোকপাত কৰে। বিজ্ঞানী ড° অৰুন্ধতীবৰদলৈয়ে ঘৰুৱা পৰিবেশত কৃষকসকলে কৰিব পৰা কেচু সাৰ ব্যৱস্থাপনা, উৎপাদন আৰু ব্যৱসায়ৰ সম্ভাৱনা বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰে, ড° বনশ্ৰী মেধিয়ে মৌ-মাখিৰ জাত নিৰ্বাচন, প্ৰতিপালন, উৎপাদন আৰু ব্যৱস্থাপনা আদিৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। প্ৰশিক্ষণ কৰ্মশালাত অঞ্চলটোৰ মুঠ ২৬টা আত্মসহায়কগোটৰ প্ৰায় দুশ পুৰুষ-মহিলাই পঞ্জীয়ন কৰি অংশগ্ৰহণ কৰে। পুৱাৰ ভাগত অনুষ্ঠিত হোৱা আৰম্ভণি অনুষ্ঠানত সভাপতিত্ব কৰে স্থানীয় শিক্ষাবিদ, সমাজ সেৱক বীৰেন চেতিয়াই। আদৰণি ভাষণ প্ৰদান কৰে 'সুষমা বসুন্ধৰা'ৰ পঞ্জীভুক্ত সদস্য স্থানীয় গোবিন ৰাজখুৱাই। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ফালৰপৰা উদ্বোধনী ভাষণ প্ৰদান কৰে অনুষ্ঠান মুৰব্বী লোহিত ডেকাই। উদ্বোধনী অনুষ্ঠানত অতিথি হিচাপে অংশগ্ৰহণ কৰে চৰাইদেউ জিলাৰ কৃষি সম্প্ৰসাৰণ বিষয়া চানী গগৈ, সোণাৰিৰ নাট্যকাৰ ডিম্বেশ্বৰ কোঁৱৰ, আকাশবাণীৰ সম্প্ৰসাৰণ কাৰ্যবাহী জিণ্টু চেতিয়া, লেখক পেইমথি গোহাঁয়ে। উল্লেখ্য যে, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই 'সুষমা বসুন্ধৰা'ৰ পঞ্জীভূক্ত সদস্যসকলৰ জৰিয়তে অসমৰ বিভিন্ন প্ৰান্তত পৰ্যায়ক্ৰমে প্ৰশিক্ষণ কৰ্মশালা আয়োজন কৰাৰ এলানি পৰিকল্পনা গ্ৰহণ কৰিছে। সমলব্যক্তিসকলৰ বক্তব্যসমূহ আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ যোগেদিও সম্প্ৰচাৰৰ ব্যৱস্থা হ'ব বুলি কেন্দ্ৰটিৰ অনুষ্ঠান মুৰব্বীয়ে জানিবলৈ দিছে। দ্বিতীয় দিনৰ কাৰ্যসূচীত পশুপালন, মীন পালন আৰু কাঠফুলাৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। কাৰ্যসূচীত অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট কৃষি বিজ্ঞানী ড° কৰুণাকান্ত শৰ্মাও উপস্থিত থাকিব। আবেলিলৈ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকললৈ মানপত্ৰ প্ৰদান কৰা হ'ব।

## দেৱাল অংকন কাৰ্যসূচীত অংশগ্ৰহণ

# কমলপুৰত বিজেপিৰ ৰাষ্ট্ৰীয় মুখাপত্ৰ সম্বিত পাত্ৰ



**অসম বাৰ্তা, চাংসাৰি, ১৯ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ কমলপুৰ বিধান সভা সমষ্টিৰ বাইহাটাত এক দেৱাল অংকন কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিজেপিৰ মুখপত্ৰ সম্বিত পাত্ৰই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। তেওঁ সমষ্টিৰ একাংশ বিজেপি কৰ্মীৰ সৈতে একেলগে এখন দেৱালত পদুম ফুলৰ চিত্ৰ অংকন কৰে। এই অনুষ্ঠানত উপস্থিত থাকে স্থানীয় বিধায়ক দিগন্ত কলিতা। তেওঁ এই সময়ত উত্তৰ-পূৰ ভাৰতৰ বিকাশৰ বিষয়ে এক বক্তৃতা দিয়ে। কংগ্ৰেছ চৰকাৰৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ (NE) ৰ অৰ্থ আছিল "নন-একজিষ্টেন্স" (NON EXISTENCE), অৰ্থাৎ উন্নয়নৰ পৰা বঞ্চিত অঞ্চল। কিন্তু বৰ্তমান বিজেপি চৰকাৰৰ সময়ত ইয়াৰ অৰ্থ সলনি হৈ "নিউ ইঞ্জিন অফ গ্ৰথ" (NEW ENGINE OF GROWTH) হৈছে, যিয়ে অঞ্চলটোৰ দ্ৰুত অৰ্থনৈতিক বিকাশ আৰু জাতীয় মূলসুঁতিলৈ অৰিহণাক সূচায়। সম্বিত পাত্ৰই এই অনুষ্ঠানত দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰি এক অনুপ্ৰাণিত মুলক বক্তৃতা দিয়ে। তেওঁ কৰ্মীসকলক দলৰ নীতি-আদৰ্শ ৰাখি জনসেৱাত আত্মনিয়োগ কৰিবলৈ উৎসাহিত কৰে। তেওঁৰ বক্তব্যত অঞ্চলটোৰ অব্যাহত উন্নয়ন, যুৱ শক্তিৰ সক্ৰিয় অংশগ্ৰহণ আৰু ৰাষ্ট্ৰ গঢ়াৰ প্ৰতি দলৰ অংগীকাৰৰ বিষয়বোৰ সন্নিৱিষ্ট আছিল। এই দেৱাল অংকন কাৰ্যসূচীটোৱে সামাজিক সচেতনতা আৰু সম্প্ৰীতিৰ সাংস্কৃতিক প্ৰকাশৰ এক মাধ্যম হিচাপেও কাম কৰিছিল। আনহাতে উক্ত অনুষ্ঠানত উপস্থিত থাকে বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ উপ সভাপতি ৰমেশ শইকীয়া, কমলপুৰ সমষ্টিৰ প্ৰভাৰী বিদ্যুৎ ডেকা, জিলা পৰিষদৰ সদস্য কুমুদ কাকতি, কিৰণ কাকতি, কমলপুৰ, বিহদিয়া জাজিকোনা আৰু বেজেৰা মণ্ডলৰ সভাপতি ক্ৰমে দুদুল কাকতি, ত্ৰৈলোক্য ডেকা আৰু নয়নমণি বৰা, আঞ্চলিক সদস্য জয়ন্তজিৎ ডেকা, কমলপুৰ মণ্ডলৰ যুৱ মৰ্চাৰ সভাপতি শ্ৰীমন্ত ডেকাই।

# কলিতা জনগোষ্ঠী সন্মিলন, অসম চাউলধোৱা বগীনদী আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৯ ফেব্ৰুৱাৰী ঃ** কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ লখিমপুৰ জিলা সমিতিৰ অন্তৰ্গত চাউলধোৱা বগীনদী আঞ্চলিক সমিতিখন আজি ১৮ ফেব্ৰুৱাৰীত গঠন কৰা হয়। চাউলধোৱাস্থিত হোটেল 'এনিশা'ত অনুষ্ঠিত এখন সভাত সমিতিখন গঠন কৰা হয়। সমিতি গঠন সভাত সভাপতিত্ব কৰে ইন্দ্ৰেশ্বৰ হাজৰিকাই তথা উদ্দেশ্য ব্যাখ্যা আগবঢ়াই ৰাতুল হাজৰিকাই। এই সভাতেই অতুল ভূঞাক সভাপতি আৰু অপু শইকীয়াক সাধাৰণ সম্পাদক হিচাপে লৈ ২৫জনীয়া এখন সমিতি গঠন কৰা হয়। সভাত অসমৰ ৭০ লক্ষাধিক কলিতা জনগোষ্ঠীৰ লোকক চৰকাৰে কৰি অহা বঞ্চনাৰ সন্দৰ্ভত আলোচনা কৰাৰ লগতে কলিতা জনগোষ্ঠীৰ লোকসকল একত্ৰিত হৈনথকাৰ বাবেই সকলোধৰণৰ সুবিধাৰ পৰা বঞ্চিত হৈ অহাৰ কথা আলোচনা হয়। সভাত পৰ্যবেক্ষক হিচাপে কলিতা জনগোষ্ঠী সন্মিলন অসমৰ লখিমপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক বেণুকান্ত হাজৰিকা, সহকাৰী সম্পাদক ৰমেশ হাজৰিকাকে ধৰি চাউলধোৱা বগীনদী অঞ্চলৰ যথেষ্ট লোক উপস্থিত থাকে।

## বেবেজীয়াৰ দক্ষিণপাটত হিৰ'ইন সহ এজন গ্ৰেপ্তাৰ

**অসম বাৰ্তা, বেবেজীয়া, ১৯ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ নগাঁও সদৰ আৰক্ষী থানাৰ অধীনস্থ বেবেজীয়া আৰক্ষী চকীৰ অন্তৰ্গত দক্ষিণপাটত ১৭ ফেব্ৰুৱাৰী নিশা নগাঁও আৰক্ষীয়ে এক গোপন সূত্ৰৰ পমখেদি নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই। এই অভিযানত আৰক্ষীয়ে বুজন পৰিমাণৰ হিৰ'ইন জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জব্দ কৰা কণ্টেনাৰ সহ ১৫.১৭ গ্ৰাম হিৰ'ইন জব্দ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে দক্ষিণপাটৰ কিৰণ দাস (২৫) নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অধিক তথ্য আহৰণৰ বাবে আৰক্ষীয়ে কিৰণ দাসক জেৰা অব্যাহত ৰাখিছে। জব্দকৃত হিৰ'ইন খিনিৰ মুল্য লক্ষ্যাধিক টকাৰ হ'ব। উল্লেখ যে কিৰণ দাসে দীৰ্ঘদিন ধৰি অঞ্চলটোত ড্ৰাগছৰ এক ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল।

## এইবাৰ নিৰ্বাচনত নতুন কংগ্ৰেছ বনাম পুৰণি

ৰাজনৈতিকভাৱে নোহোৱা হৈ গৈছে। বুধবাৰে গুৱাহাটীৰ ৰাজীৱ ভৱনত অনুষ্ঠিত এখন সংবাদমেলত তেওঁ এই মন্তব্য কৰে। গৌৰৱ গগৈয়ে কয়, “বিজেপিৰ লগত মিত্ৰতা কৰি বিপিএফ নোহোৱা হ'ল, অগপ নোহোৱা হ'ল, ইউ পি পি এলৰ ৰাজনৈতিক ক্ষতি হ'ল। বিজেপি দলটো সকলোৰে বাবে শুভ নে অশুভ সেয়া মই ক'ব নোৱাৰোঁ। কিন্তু যিয়ে বিজেপিৰ লগত মিত্ৰতা কৰে, সি ৰাজনৈতিকভাৱে নোহোৱা হৈ যায়। দল হওক বা ব্যক্তি হওক, বিজেপিত যোগদান কৰি বহুতো ৰাজনীতিবিদ নোহোৱা হৈ গৈছে। ভূপেন বৰাৰ ক্ষেত্ৰতো একেই কথা ঘটিব।” তেওঁ লগতে উল্লেখ কৰে যে অগপৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালো বিজেপিৰ লগত মিত্ৰতা কৰি ৰাজনৈতিকভাৱে নোহোৱা হৈ গৈছে। “ভূপেন বৰাই বিজেপিত গৈ কি সন্মান পাব সেয়া মই নাজানো। আমাৰ দলৰ কাম-কাজ ৰাইজৰ মাজত লৈ যাম। ১২ হাজাৰ বিঘা মাটিৰ কথা ৰাইজৰ মুখে মুখে চলি আছে। হিমন্ত বিশ্ব শৰ্মাই ভূপেন বৰাক আগলৈ ঠেলি দি সেই কথা তল পেলাবলৈ চেষ্টা কৰিছে।” গগৈয়ে ভূপেন বৰাৰ বিশ্বাসযোগ্যতাক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে ভূপেন বৰাই কামাখ্যা আৰু বৰদোৱা থানাৰ সন্মুখত শপত লৈ কৈছিল যে তেওঁ কেতিয়াও বিজেপিত নাযাব। “কিন্তু পদত্যাগ কৰাৰ পিছত এদিনো নৰৈ পিছদিনাই বিজেপিত যাব পাৰে। তেওঁৰ কথাৰ কিমান মূল্য আছে সেয়া সকলোৱে বুজি পাইছে।” মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰি গৌৰৱ গগৈয়ে কয়, “ভূপেন বৰাই মহিলাক অশ্লীল ইংগিত দিয়াৰ অভিযোগ উত্থাপন কৰাৰ সময়ত হিমন্ত বিশ্ব শৰ্মাই ভূপেন বৰাক কিমান গালি পাৰিছিল, নাৰীৰ সন্মানৰ কথা কৈছিল। আজি সেই একেই ভূপেন বৰাক হিন্দু নেতা বুলি আখ্যা দিব বিচাৰিছে। মই হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাইছোঁ যে হিন্দু নেতাৰ চাৰ্টিফিকেট দিয়া কাম এৰি দিয়ক। যিজনক মহিলাক অপমান কৰাৰ বাবে লজ্জিত হৈছিল, তেওঁক এতিয়া হিন্দু নেতা বুলি ক'ব বিচাৰে। ড° হিমন্ত বিশ্ব শৰ্মা এজন ৰাজনৈতিক হিন্দু, অসমৰ জিন্না। হিন্দু ধৰ্মৰ ওপৰত জ্ঞান থাকিলে ৰাজহুৱাকৈ মোৰ লগত ডিবেট কৰক।” তেওঁ আৰু কয় যে এইবাৰ অসম বিধানসভা নিৰ্বাচনত “নতুন কংগ্ৰেছ বনাম পুৰণি কংগ্ৰেছ”ৰ যুঁজ হ'ব। “ভুৱা কংগ্ৰেছী আৰু বাস্তৱ কংগ্ৰেছীৰ মাজত যুঁজ হ'ব। যিসকলে ১৫ বছৰ কংগ্ৰেছ চৰকাৰৰ সময়ত কেলেংকাৰী কৰিছিল, সেইসকলে নিজকে বচাবলৈ বিজেপিত গৈ কংগ্ৰেছক হাইজেক কৰিব বিচাৰিছে। কিন্তু নতুন কংগ্ৰেছীসকলে সেইসকলৰ বিৰুদ্ধে যুঁজিব।” ভূপেন বৰাৰ যোগদানক “চাণক্য নীতি”ৰ সৈতে তুলনা কৰি গগৈয়ে কয় যে শ্বাম-দাম-দণ্ড-ভেদৰ দুটা অস্ত্ৰ ভূপেন বৰাৰ ওপৰত ব্যৱহাৰ কৰা হৈছে। “দুদিন আগলৈকে মাজুলী ভ্ৰমণ কৰিছিল, আমাৰ লগত গৈছিল। এদিনৰ ভিতৰতে হিমন্ত বিশ্ব শৰ্মাই দৰাৰ দৰে আদৰি ল'লে। এই ঘটনা নিৰ্বাচনৰ আগতে হ'ব বুলি ভাবিছিলোঁ, কিন্তু ইমান সোনকালে হ'ল। ১২ হাজাৰ বিঘা মাটিৰ মালিক কোন সেয়া ৰাইজে জানিব বিচাৰে। ধুৰন্ধৰ মোক বুলি ভাবিছিলোঁ, কিন্তু বাস্তৱ ধুৰন্ধৰ ভূপেন বৰা।” শেষত গৌৰৱ গগৈয়ে কয় যে বিজেপিৰ লগত মিত্ৰতা কৰিলে দলৰ ক্ষতি হয়, কিন্তু কংগ্ৰেছৰ লগত মিত্ৰতা কৰিলে ৰাজনৈতিক অক্সিজেন পোৱা যায়। “এই নিৰ্বাচন অগপৰ শেষ নিৰ্বাচন হ'ব। কিন্তু কংগ্ৰেছৰ লগত থকাসকল সক্ৰিয় হ'ব আৰু ৰাজনৈতিক সাহস পাব।”

## প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়া সহজ

আবেদন দাখিল কৰিব পাৰিব। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। লোক সেৱা ভৱনত অনুষ্ঠিত এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে কয় যে, এই প'ৰ্টেলে প্ৰক্ৰিয়াটোক স্বচ্ছ, দ্ৰুত আৰু ন্যায়সংগত কৰি তুলিব। মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, ২০০৬ চনৰ আগতে স্থাপিত ভেঞ্চাৰ বিদ্যালয়-মহাবিদ্যালয়সমূহক প্ৰাদেশিকীকৰণ কৰাৰ লগতে ২০০৬ চনৰ পিছত স্থাপিত প্ৰতিষ্ঠানসমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে ৰাজ্য চৰকাৰে বাজেটত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। অপ্ৰাদেশিকীকৃত শিক্ষা প্ৰতিষ্ঠানসমূহে এই প'ৰ্টেলৰ জৰিয়তে প্ৰয়োজনীয় নথি-পত্ৰসহ আবেদন জমা দিব পাৰিব। আবেদনৰ ভিত্তিত চৰকাৰে বিশ্লেষণ কৰি কোনসমূহ প্ৰতিষ্ঠানক প্ৰাদেশিকীকৰণ কৰিব পাৰি আৰু কোনসমূহক নোৱাৰি সেই বিষয়ে সিদ্ধান্ত ল'ব। উল্লেখ্য যে, Assam Education (Provincialisation of Services of Teachers and Re-Organisation of Educational Institutions) Act, 2017 বিধেয়কখন বিগত বছৰত বিধানসভাত গৃহীত হৈছিল। ৰাজ্যপালৰ অনুমোদনৰ পিছত ২০২৫ চনৰ ৩০ ডিচেম্বৰত চৰকাৰী গেজেটত জাননী প্ৰকাশ কৰা হৈছিল। এই আইনৰ ২০২৫ চনৰ সংশোধনীৰ অধীনত এই প'ৰ্টেল উন্মোচন কৰা হৈছে, যাক প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াৰ তৃতীয় আৰু সৰ্বাধিক বিস্তৃত পৰ্যায় বুলি অভিহিত কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে অতীতৰ প্ৰচেষ্টাৰ কথা উল্লেখ কৰি কয় যে, ২০১১ চনত ভেঞ্চাৰ স্কুল আৰু কলেজসমূহৰ প্ৰাদেশিকীকৰণৰ প্ৰচেষ্টা চলোৱা হৈছিল। তাৰ পৰা প্ৰাথমিক বিদ্যালয়ত ২১, ৯৫৭ গৰাকী, মাধ্যমিকত ১৪, ০৩৪ গৰাকী আৰু মহাবিদ্যালয়ত ৩, ১৮০ গৰাকী শিক্ষক-কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰা হৈছিল। পিছত ২০১৭ চনৰ আইনৰ সুবিধা লৈ প্ৰাথমিক বিদ্যালয়ত ৯, ৮৯৫ গৰাকী, মাধ্যমিকত ৫, ২৪৫ গৰাকী আৰু কলেজত ১, ৭৪৬ গৰাকী শিক্ষক-অধ্যাপকৰ চাকৰি প্ৰাদেশিকীকৰণ কৰা হৈছে। ২০১১ চনৰ পিছত মুঠ ৫৭, ০৫৭ গৰাকী শিক্ষক-কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰিবলৈ সক্ষম হোৱা বুলি তেওঁ উল্লেখ কৰে। এতিয়া ২০২৫ চনৰ সংশোধনী আইনৰ জৰিয়তে এই তৃতীয় সংস্কৰণ লৈ অহাৰ কথা মুখ্যমন্ত্ৰীয়ে জনায়। এই পদক্ষেপে অসমৰ শিক্ষা ব্যৱস্থাক অধিক শক্তিশালী আৰু শিক্ষকসকলক সুৰক্ষিত কৰি তুলিব বুলি আশা কৰা হৈছে। এই প'ৰ্টেলৰ জৰিয়তে শিক্ষক-শিক্ষয়িত্ৰীসকলে দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পেলাবলৈ সক্ষম হ'ব বুলি চৰকাৰী মহলৰ পৰা জানিব পৰা গৈছে।

## স্বাধীনতাৰ পিছত প্ৰথমবাৰ

২০ ফেব্ৰুৱাৰীত ভাৰত-বাংলাদেশ সীমান্তৰ নাতানপুৰ এলেকাত উপস্থিত হৈ গৃহমন্ত্ৰীয়ে ভাইব্ৰেণ্ট ভিলেজ প্ৰ'গ্ৰাম-২ৰ আনুষ্ঠানিক উদ্বোধন কৰিব আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৰিদৰ্শন কৰিব। অনুষ্ঠান সমাপ্ত হোৱাৰ পিছতে নাতানপুৰতেই ভাৰতীয় জনতা পাৰ্টিয়ে আয়োজন কৰা এক বিশাল জনসভাত অমিত শ্বাহে ভাষণ দিব। এই জনসভাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব। আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত গৃহমন্ত্ৰীৰ এই সীমান্ত এলেকালৈ আগমনক ৰাজনৈতিকভাৱে অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে। ৰাজনৈতিক বিশ্লেষকসকলে এই ভ্ৰমণক নিৰ্বাচনী ৰণকৌশলৰ এক গুৰুত্বপূৰ্ণ অংশ বুলি মত প্ৰকাশ কৰিছে। জনসভাখন ২০০ বিঘা মাটিত অনুষ্ঠিত হ'ব। বিজেপিয়ে এই অনুষ্ঠানত প্ৰায় ৬০ হাজাৰ কৰ্মী-সমৰ্থকৰ উপস্থিতিৰ লক্ষ্য ৰাখিছে। সেইবাবে বিশাল পেণ্ডেল নিৰ্মাণৰ কাম তীব্ৰতাৰে চলি আছে। আজি কেন্দ্ৰীয় মন্ত্ৰী অজয় টামটাই নাতানপুৰত উপস্থিত হৈ জনসভাৰ প্ৰস্তুতিৰ অগ্ৰগতি পৰ্যালোচনা কৰে। তেওঁৰ লগত জিলা বিজেপি নেতৃত্ব, মন্ত্ৰী-বিধায়ক, আৰক্ষীৰ উচ্চপদস্থ বিষয়া, জিলা প্ৰশাসনৰ বিষয়াসকল আৰু দলীয় নেতৃবৃন্দ উপস্থিত থাকে। দলীয়ভাৱে জিলা স্তৰৰ পৰা বুথ পৰ্যায়লৈকে বিভিন্ন সভা-সমিতিৰ জৰিয়তে জনসভাক সফল কৰাৰ বাবে বিজেপিয়ে ব্যাপক প্ৰচাৰ আৰু সংগঠন কৰি আছে। গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমনক লৈ কাটিগড়া বিধানসভা সমষ্টিৰ স্থানীয় লোক আৰু দলীয় কৰ্মী-সমৰ্থকৰ মাজত ব্যাপক উৎসাহ দেখা গৈছে। এই ভ্ৰমণ আৰু জনসভাই অসমৰ দক্ষিণাঞ্চলত বিজেপিৰ সংগঠনক আৰু অধিক মজবুত কৰাৰ লগতে সীমান্ত অঞ্চলৰ উন্নয়ন আৰু নিৰাপত্তাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতি পুনৰবাৰ প্ৰকাশ কৰাৰ সুযোগ সৃষ্টি কৰিব বুলি দলীয় নেতৃত্বই আশা প্ৰকাশ কৰিছে।

## ১১ দিন পাকিস্তানত কি

পূৰ্বে ৰাজনৈতিক উত্তাপ বাঢ়ি অহাৰ মাজতে বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ প্ৰদীপ ভাণ্ডাৰীয়ে কংগ্ৰেছ নেতা তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ বিৰুদ্ধে পুনৰ তীব্ৰ অভিযোগ উত্থাপন কৰিছে। তেজপুৰ জিলা বিজেপি কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত ভাণ্ডাৰীয়ে গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে সম্পৰ্ক আৰু ৰাষ্ট্ৰবিৰোধী আচৰণৰ অভিযোগ উত্থাপন কৰি তেওঁক মুকলি প্ৰত্যাহ্বান জনাইছে যে পাকিস্তানত থকা সেই ১১ দিনৰ কাৰ্যকলাপৰ বিষয়ে স্পষ্ট তথ্য ৰাজহুৱা কৰক। ভাণ্ডাৰীয়ে কয় যে, গৌৰৱ গগৈৰ বিৰুদ্ধে পাকিস্তানৰ সৈতে সম্পৰ্ক আৰু ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপৰ অভিযোগ উত্থাপন হৈছে। তেওঁ এই বিষয়ত গৌৰৱ গগৈৰ মৌনতাক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে, তেওঁ এই অভিযোগৰ স্পষ্ট সঁহাৰি দিয়া উচিত। বিশেষকৈ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ কলবাৰ্নৰ পাকিস্তানৰ গৃহ মন্ত্ৰণালয়ৰ এজন উপদেষ্টাৰ সৈতে সম্পৰ্ক আৰু চেন্সুৰিজ ফাউণ্ডেচনৰ সৈতে কাম কৰাৰ বিষয়টোক লৈ ভাণ্ডাৰীয়ে গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে। তেওঁ সাংবাদিকসকলক ওলোটাই প্ৰশ্ন কৰে, “যদি ইয়াত উপস্থিত সকলোৱে ৰাষ্ট্ৰীয়তাবাদী, তেন্তে গৌৰৱ গগৈৰ পত্নীয়ে পাকিস্তানৰ গৃহ মন্ত্ৰণালয়ৰ উপদেষ্টাৰ সৈতে সম্পৰ্ক কিয় স্পষ্ট কৰা নাই?” ভাণ্ডাৰীয়ে গৌৰৱ গগৈৰ ২০১৩ চনৰ পাকিস্তান ভ্ৰমণক লৈ তীব্ৰ প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে, ভিছা অন্য ঠাইৰ বাবে আছিল যদিও গৌৰৱ গগৈয়ে পাকিস্তানলৈ কেনেকৈ গৈছিল। ৰাৱালপিণ্ডিত (পাকিস্তান সেনাৰ মুখ্য কাৰ্যালয় থকা ঠাই) ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ অনুমতি অবিহনে এনে ভ্ৰমণ সম্ভৱ নহয় বুলি দাবী কৰি তেওঁ প্ৰশ্ন কৰে যে, “ভাৰতৰ ভিতৰতে ভ্ৰমণ নকৰি পাকিস্তানত ১১ দিন কিয় কটালে? তাত ইমান গুৰুত্বপূৰ্ণ কি আছিল?” তেওঁ ‘অধ্যয়ন ভ্ৰমণ'ৰ দাবীক উপহাস কৰি কয় যে, পাকিস্তানলৈ কেৱল সন্ত্ৰাসবাদী পৰ্যটনৰ বাবেহে লোকে যায় আৰু তাত অধ্যয়ন কৰিব পৰা একমাত্ৰ বিষয় হৈছে সন্ত্ৰাসবাদক কেনেকৈ প্ৰচাৰ কৰিব পাৰি। ভাণ্ডাৰীয়ে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰি কয় যে, ভাৰতীয় সামৰিক অভিযান যেনে ছাৰ্জিকেল ষ্ট্ৰাইক, বালাকোট বিমান আক্ৰমণ আৰু অপাৰেচন সেন্দূৰৰ সময়ত কংগ্ৰেছে বাৰে বাৰে প্ৰমাণ বিচাৰিছে আৰু ভাৰতীয় যুঁজাৰু বিমান হেৰুৱাৰ প্ৰশ্ন উত্থাপন কৰিছে। এনে মানসিকতাৰ বাবেই বহু নেতাই কংগ্ৰেছ এৰিছে বুলি তেওঁ দাবী কৰে। তেওঁ গৌৰৱ গগৈক মুকলি প্ৰত্যাহ্বান জনাই কয়, “যোৱা ১১ বছৰত যদি গৌৰৱ গগৈয়ে ভাৰতীয় সেনাক সন্মান জনাই পাকিস্তান আৰু আই এছ আইৰ বিৰুদ্ধে এটা বক্তব্য বা টুইট কৰিছে, তেন্তে দেখুৱাওক।” তেওঁ লগতে কয় যে, এনে নেতাই সংসদত ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ উপযুক্ত নেকি সেইটো প্ৰশ্ন। ভাণ্ডাৰীয়ে উল্লেখ কৰে যে, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিছু তথ্য ৰাজহুৱা কৰাৰ পিছত পাকিস্তানী হেণ্ডলাৰসকলে ডিজিটেল তথ্য ডিলিট কৰিছে। “কি লুকুৱাবলৈ চেষ্টা কৰিছে?” বুলি তেওঁ প্ৰশ্ন কৰে। তদন্তকাৰী সংস্থাসমূহে যথাযথ প্ৰক্ৰিয়া অনুসৰণ কৰি ব্যৱস্থা ল'ব বুলি তেওঁ আশ্বাস দিয়ে। এই অভিযোগসমূহ ৰেকৰ্ডত আছে আৰু আইন অনুসৰি কাম হ'ব। এই ঘটনাই অসমৰ ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিছে। বিজেপিয়ে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰসংগ উত্থাপন কৰি কংগ্ৰেছক আক্ৰমণ কৰাৰ বিপৰীতে কংগ্ৰেছে এই অভিযোগসমূহক ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি খণ্ডন কৰিছে। আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত এই বিতৰ্ক অধিক তীব্ৰ হ'ব বুলি ধাৰণা কৰা হৈছে।

## ভূপেন বৰাৰ বিজেপি গমনক

অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়ে ভূপেন বৰাক তীব্ৰ ভাষাৰে আক্ৰমণ কৰিছে। তেওঁ ভূপেন বৰাক “অভিনেতা” বুলি অভিহিত কৰি কয় যে ইয়াৰ দ্বাৰা তেওঁ নিজৰ স্বাৰ্থৰ বাবে দলক প্ৰতাৰণা কৰিছে। মীৰা বৰঠাকুৰ গোস্বামীয়ে তেওঁৰ প্ৰতিক্ৰিয়াত কয়, “বহু ৰাজনৈতিক অভিনয় আৰু নাটক দেখিছোঁ, কিন্তু ভূপেন বৰাৰ শেহতীয়া অভিনয় অত্যন্ত দুৰ্ভাগ্যজনক। এই মানুহবোৰে নিজৰ স্বাৰ্থৰ বাবেহে ৰাজনীতি কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক নিঃশেষ কৰিবলৈ কৰা ইনভেষ্টমেণ্টৰ ৰিটাৰ্ণ ঘৰলৈ লৈ গৈছে।” তেওঁ লগতে উল্লেখ কৰে যে লোকসভা নিৰ্বাচনৰ পৰাই ভূপেন বৰাৰ ওপৰত হিমন্ত বিশ্ব শৰ্মাৰ বহু “ইনভেষ্টমেণ্ট” আছিল বুলি তেওঁ অনুভৱ কৰিছিল। তেওঁ ভূপেন বৰাক অভিযোগ কৰি কয় যে গৌৰৱ গগৈৰ সৈতে যাত্ৰা কৰাৰ সময়ত ১৩টা আসনৰ কথা কোৱা মানুহজনেই আকৌ গাড়ীৰ ভিতৰত কাজিয়া কৰি, পাছফালৰ পৰা বাঁহ দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। “এই সকলো নাটক আছিল। তেওঁ নিজৰ স্বাৰ্থৰ বাবে দলক ৰামঠগন দিলে। একেৰাতিতে নাটকখন কৰি মুখ্যমন্ত্ৰীক ধূপ-ধূনা জ্বলাই আদৰি ল'লে। তেওঁলোকৰ ঘৰলৈ জোঁৱাই আহিছে যেন লাগিছে।” মীৰা বৰঠাকুৰে এইদৰে ক্ষোভ প্ৰকাশ কৰে। আৰু অধিক কঠোৰ ভাষাত তেওঁ কয়, “কিমান নিৰ্লজ্জ হ'লে ইমান আপোচ কৰিব পাৰে! চৰিত্ৰহীন বুলি কোৱা মুখ্যমন্ত্ৰীৰ ওচৰত শৰণাপন্ন হৈছে। আপোনাৰ পৰিয়ালে ধূপ-ধূনাৰে আদৰিছে। ভূপেন বৰাৰ আত্মসন্মান নাই, স্বাভিমান নাই। লাজ লাগিছে যে ইমান দিন তেওঁৰ নেতৃত্বত কাম কৰিছিলোঁ।” তেওঁ ভূপেন বৰাক সতৰ্ক কৰি কয় যে কাইলৈৰ পৰা আৰু নাটক নকৰিব। “অকলে যাওক, তৃণমূলৰ কৰ্মীসকলক লগত লৈ বাৰাণ্ডাৰ চুকত বহাবলৈ নিনিব। ভৰেশ কলিতাই কি কৈছে সেই কথা মনত ৰাখিব।” উল্লেখ্য যে, ভূপেন বৰাই দল ত্যাগ কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ ঘৰলৈ গৈ যোগদানৰ বিষয়ে আলোচনা কৰিছে আৰু ২২ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে বিজেপিত যোগদানৰ ঘোষণা কৰিছে। এই ঘটনাই ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দলত যথেষ্ট অস্থিৰতাৰ সৃষ্টি কৰিছে। মীৰা বৰঠাকুৰৰ এই তীব্ৰ সমালোচনাই দলৰ অভ্যন্তৰীণ অসন্তোষক আৰু স্পষ্ট কৰি তুলিছে।

## ফেব্ৰুৱাৰী মাহৰ শেষৰ

মাহৰ প্ৰথম সপ্তাহৰ ভিতৰতে প্ৰথম পৰ্যায়ৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব। গৌৰৱ গগৈয়ে বুধবাৰে ৰাজীৱ ভৱনত অনুষ্ঠিত সংবাদমেলত কয় যে স্ক্ৰীনিং প্ৰক্ৰিয়া যিমান সোনকালে সম্পূৰ্ণ কৰিব পৰা যায় তাৰ বাবে দলৰ প্ৰচেষ্টা অব্যাহত আছে। কেন্দ্ৰীয় নেতৃত্বৰ সৈতে নিয়মীয়াকৈ আলোচনা চলি আছে। কেন্দ্ৰীয় নেতৃত্বই পৰামৰ্শ দিছে যে ফেব্ৰুৱাৰী মাহৰ শেষৰ ফালে বা মাৰ্চৰ প্ৰথম সপ্তাহত প্ৰথম পৰ্যায়ৰ প্ৰাৰ্থী তালিকা মুকলি কৰিব লাগে। প্ৰদেশ কংগ্ৰেছৰ স্ক্ৰীনিং প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে বহাৰ বাবে সময় নিৰ্ধাৰণ কৰা হ'ব। তেওঁ লগতে কয়, “অন্তিম স্ক্ৰীনিং বৈঠকৰ আগতে প্ৰিয়ংকা গান্ধীৰ সৈতে পৰামৰ্শ কৰিবলৈ দুদিনীয়া ভ্ৰমণসূচী ৰচনা কৰা হৈছে। যদি এই মাহৰ শেষৰ ফালে প্ৰথম তালিকা প্ৰকাশ কৰিব পাৰোঁ তেন্তে মাৰ্চৰ প্ৰথম সপ্তাহৰ ভিতৰতে প্ৰায় ৮০খন আসনৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিবলৈ সক্ষম হম।” এ আই চি চিৰ সাধাৰণ সম্পাদক তথা অসমৰ দায়িত্বপ্ৰাপ্ত নেতা জীতেন্দ্ৰ সিঙে প্ৰিয়ংকা গান্ধীৰ ভ্ৰমণসূচীৰ বিষয়ে বিশদভাৱে জানিব দিয়ে। তেওঁ কয় যে স্ক্ৰীনিং কমিটীৰ সভানেত্ৰী প্ৰিয়ংকা গান্ধী বৃহস্পতিবাৰে দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিব। পুৱা ১০ বজাত গুৱাহাটী বিমানবন্দৰত উপস্থিত হোৱাৰ পিছতে তেওঁ পোনপটীয়াকৈ কামাখ্যা মন্দিৰলৈ যাব। মা কামাখ্যাৰ দৰ্শন আৰু আশীৰ্বাদ লোৱাৰ পিছত ৰাজীৱ ভৱনলৈ আহি দিনৰ ১১ বজাৰ পৰা নিশা ১২ বজালৈ বিভিন্ন পৰ্যায়ৰ কৰ্মী-নেতাৰ সৈতে বৈঠকত মিলিত হ'ব। জীতেন্দ্ৰ সিঙে অধিক কয় যে এই স্ক্ৰীনিং প্ৰক্ৰিয়া অসমত প্ৰথমবাৰৰ বাবে এনেদৰে সম্পন্ন কৰা হৈছে। স্ক্ৰীনিং কমিটীৰ তিনিগৰাকী সদস্যই প্ৰতিখন জিলাৰ বিধানসভা সমষ্টিলৈ গৈ তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ সৈতে আলোচনা কৰিব। ১০ৰ পৰা ১২ দিনলৈ শদিয়াৰ পৰা ধুবুৰীলৈকে ভ্ৰমণ কৰি স্থানীয় মতামত সংগ্ৰহ কৰা হ'ব। তৃণমূলৰ পৰা লোৱা মতামতৰ ভিত্তিতে আগন্তুক নিৰ্বাচনত প্ৰাৰ্থী নিৰ্বাচন কৰা হ'ব। দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলৰ যোগ্যতা, ৰাইজৰ সমৰ্থন আৰু বিজয়ৰ সম্ভাৱনাক লৈ বিস্তৃত পৰ্যালোচনা চলি আছে। ভূপেন বৰাৰ দলত্যাগৰ সত্ত্বেও কংগ্ৰেছে নিৰ্বাচনী যুঁজত নতুন উদ্যমেৰে আগবাঢ়ি যোৱাৰ আভাস পোৱা গৈছে।

## যিখন ঘৰৰ তিনিজনেই

তিনিজন সদস্যই হিন্দু নহয়, তেওঁৰ লগত হিন্দু ধৰ্মৰ বিষয়ে কেনেকৈ মুকলি বিতৰ্কত অৱতীৰ্ণ হ'ব পাৰি। মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তাপ সৃষ্টি কৰিছে, বিশেষকৈ আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে। গৌৰৱ গগৈয়ে সংবাদমেলত কৈছিল যে, হিন্দু নেতা কোন আৰু কোন নহয় সেইটো প্ৰমাণ কৰাৰ অধিকাৰ মুখ্যমন্ত্ৰীৰ নাই। তেওঁ হিন্দু ধৰ্মক লৈ মুখ্যমন্ত্ৰীৰ সৈতে মুকলি বিতৰ্কত সাজু বুলি ঘোষণা কৰিছিল। এই প্ৰতিক্ৰিয়াৰ প্ৰতি সঁহাৰি দি ডিব্ৰুগড়ত সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, “মই তেওঁক হিন্দুৰ চাৰ্টিফিকেট দিব নালাগে। কিন্তু তেওঁৰ ল'ৰা-ছোৱালীৰ চাৰ্টিফিকেটখন নিজেই দিয়ক। যিজন মানুহৰ ঘৰৰ তিনিজন মানুহেই হিন্দু নহয়, তেওঁৰ লগত কি ডিবেট কৰিম? তেওঁ নিজেই কি সেই কথা ৰাইজক নক'লে গম নাপাব। তথাপি যদি কেতিয়াবা ডিবেট কৰিব খোজে, মা কামাখ্যা নহ'লে বৰদোৱাৰ সন্মুখত বহি কৰি ল'ম।” এই মন্তব্যই গৌৰৱ গগৈৰ পৰিয়ালৰ ধৰ্মীয় পৰিচয়ক লৈ পূৰ্বৰ বিতৰ্কক পুনৰ জাগ্ৰত কৰিছে আৰু ৰাজ্যৰ ৰাজনীতিত হিন্দুত্বৰ প্ৰসংগক আগুৱাই আনিছে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ বিজেপিত যোগদানৰ খবৰ লৈ মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি কয় যে, ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে বিজেপিৰ তিনিখন আসনৰ সকলো ব্যৱস্থা সম্পূৰ্ণ হৈ গৈছে।” দেৱব্ৰত শইকীয়াই নিজেই কৈছিল যে ‘মোক বিজেপিলৈ যাবলৈ দিয়া নাই'। তেওঁ অহাত আগৰ পৰাই সমস্যা নাছিল। কিন্তু ৰাজ্যসভাৰ তিনিখন আসনত বিজেপিৰ সকলো ঠিক হৈ আছে। খালী নাই, কাক দিয়া হ'ব সকলো হৈ গৈছে। বিজেপিয়ে তিনিখনতে জিকিব”, মুখ্যমন্ত্ৰীয়ে কয়। কংগ্ৰেছ ত্যাগ কৰা প্ৰাক্তন অসম প্ৰদেশ কংগ্ৰেছ সভাপতি ভূপেন বৰাই অহা ২২ ফেব্ৰুৱাৰীত বিজেপিত যোগদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে নিশ্চিত কৰে। “তেওঁৰ বাবে এটা সমষ্টি ওলাই যাব, চিন্তা নাই। ভালকৈয়ে কেইবাটাও আসন আছে, য'ত তেওঁ সহজে জিকিব পাৰিব” শৰ্মাই কয়। তেওঁ লগতে কয় যে, ভূপেন বৰা শেষৰজন প্ৰতিষ্ঠিত হিন্দু নেতা আছিল কংগ্ৰেছত। তেওঁৰ পদত্যাগৰ পিছত কংগ্ৰেছ হিন্দু সমাজৰ পৰা আঁতৰি আহিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আগন্তুক বিধানসভা নিৰ্বাচনৰ পিছত অসমত কংগ্ৰেছক প্ৰধান বিৰোধী দল হিচাপে নাথাকিব বুলি ভৱিষ্যদ্বাণী কৰে। “লাহে লাহে বিৰোধীৰ ঠাই অখিল গগৈয়ে ল'ব, যদি তেওঁ চুমা বাবা কৰি নাথাকে। মুছলমানসকলে কংগ্ৰেছতকৈ অখিল গগৈৰ প্ৰতি অধিক আগ্ৰহ দেখুৱাইছে। ২০২৬ৰ নিৰ্বাচনত মিঞা মুছলমানৰ ভোট বেছি কংগ্ৰেছে পাব, কিন্তু ২০৩১ত সলনি হ'ব। যদি পাগলামি নকৰে, তেন্তে ৰাইজৰ দলেই বেছি ভোট পাব”, তেওঁ কয়। এই মন্তব্যসমূহে অসমৰ ৰাজনীতিত নিৰ্বাচনী যুদ্ধৰ প্ৰাৰম্ভিক সংকেত দিছে। বিজেপিয়ে শক্তিশালী অৱস্থানত থকাৰ বিপৰীতে কংগ্ৰেছে নিজৰ ভিত্তি মজবুত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। নিৰ্বাচন আয়োগে ইতিমধ্যে প্ৰস্তুতি পৰ্যালোচনা কৰি আছে আৰু মাৰ্চ-এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে।

## উজনিত এশ শতাংশ জয়ৰ

হিচাপে বুধবাৰে ডিব্ৰুগড়ত অনুষ্ঠিত হ'ল ‘পৃষ্ঠা প্ৰমুখ সন্মিলন'। এই সন্মিলনত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিৰ দায়িত্ব গ্ৰহণৰ পিছত প্ৰথমবাৰৰ বাবে অসমলৈ আহি অংশগ্ৰহণ কৰে নীতিন নবীনে। বুধবাৰে বিয়লি ডিব্ৰুগড় বিমানবন্দৰত উপস্থিত হোৱা নীতিন নবীনক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী প্ৰশান্ত ফুকনকে ধৰি দলৰ শীৰ্ষ নেতাসকলে উষ্ণ আদৰণি জনায়। বিমানবন্দৰৰ পৰা পোনপটীয়াকৈ ডিব্ৰুগড়ৰ মানকটা চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত পৃষ্ঠা প্ৰমুখ সন্মিলনত যোগদান কৰে ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে। এই সন্মিলনত ডিব্ৰুগড় জিলাৰ ছয়টা বিধানসভা সমষ্টিৰ পৃষ্ঠা প্ৰমুখসকলৰ লগতে ৰাজ্যিক, জিলা আৰু মণ্ডল পৰ্যায়ৰ নিৰ্বাচিত বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। সভাত উপস্থিত আছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, অসম ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, ৰাজ্যিক সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজু, ৰাজ্যিক সাধাৰণ সম্পাদক ৰিতুপৰ্ণ বৰুৱা, মন্ত্ৰী বিমল বড়া, মন্ত্ৰী প্ৰশান্ত ফুকন আৰু ডিব্ৰুগড় জিলাৰ বিধায়কসকল। সভাত প্ৰথমে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় জিলাৰ ছয়টা বিধানসভা সমষ্টিত পূৰ্বতকৈ অধিক ভোটত বিজেপি প্ৰাৰ্থীসকলে জয়লাভ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে যিটো সমষ্টিত বেছি ভোট লাভ কৰিব, সেইটোৱেই ফলাফল ঘোষণাৰ পিছত আগবাঢ়ি আহিব। দলীয় কৰ্মীসকলক উৎসাহিত কৰি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত কয়, “পৃষ্ঠা প্ৰমুখসকলে দলৰ সংগঠনত গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰে। আজি ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন ডাঙৰীয়াই ডিব্ৰুগড় জিলাৰ ছয়টা সমষ্টিৰ পৃষ্ঠা প্ৰমুখসকলক সম্বোধন কৰি তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে মাগদৰ্শন প্ৰদান কৰিছে। আজি ৰাতি আৰু কাইলৈও তেওঁ ডিব্ৰুগড় আৰু তিনিচুকীয়াত থাকি কাৰ্যকৰ্তাসকলৰ সৈতে কথা-বতৰা পাতিব।” মুখ্যমন্ত্ৰীৰ পিছতে ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে ভাষণ আৰম্ভ কৰি কংগ্ৰেছ চৰকাৰৰ সময়ত অসমৰ উন্নয়ন আৰু বিজেপি চৰকাৰৰ সময়ত উন্নয়নৰ তুলনামূলক বিশ্লেষণ আগবঢ়ায়। তেওঁ কয় যে বিজেপি চৰকাৰে অসমৰ বাবে যি প্ৰতিশ্ৰুতি দিয়ে, সেইবোৰ কাৰ্যকৰী কৰি আহিছে। দলৰ সু-নীতি আৰু নেতৃত্বৰ বাবে অসমত আজি উন্নয়নৰ নতুন যুগ আৰম্ভ হৈছে বুলি উল্লেখ কৰে। এই সন্মিলনৰ পিছত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে ডিব্ৰুগড় জিলা পুথিভঁৰালত বিধানসভা নিৰ্বাচনৰ সংকল্প পত্ৰ সন্দৰ্ভত বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ নাগৰিকৰ সৈতে মত বিনিময় কৰিব। তাৰ পিছত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, লখিমপুৰ, ঢকুৱাখনা, ধেমাজি আৰু মাজুলী জিলাৰ সভাপতি-সম্পাদকসকলৰ সৈতে সাংগঠনিক সভাত অংশগ্ৰহণ কৰিব। বৃহস্পতিবাৰে তিনিচুকীয়া জিলাৰ গুঁইজানস্থিত মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সমাধিস্থলীত (মৈদাম) শ্ৰদ্ধা নিবেদন কৰি স্থান পৰিদৰ্শন কৰিব। তাৰ পিছত ডিব্ৰুগড়ৰ মনোহাৰী চাহ বাগিচাৰ এটা বুথত সভাত যোগদান কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিৰ এই দুদিনীয়া অসম ভ্ৰমণে দলৰ গ্ৰাছৰুট পৰ্যায়ৰ সংগঠনক আৰু অধিক শক্তিশালী কৰাৰ লগতে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত জয়ৰ বাবে নতুন কৌশল ৰচনাত সহায় কৰিব বুলি আশা কৰা হৈছে।

## ১৬ মাৰ্চত অসমৰ তিনিখন

আৰু অজিত কুমাৰ ভূঞাৰ কাৰ্যকাল ৯ এপ্ৰিলত শেষ হ'ব। নিৰ্বাচন আয়োগে জাৰি কৰা সময়সূচী অনুসৰি ২৬ ফেব্ৰুৱাৰীত আনুষ্ঠানিক জাননী প্ৰকাশ হ'ব। মনোনয়ন দাখিলৰ অন্তিম তাৰিখ ৫ মাৰ্চ, মনোনয়ন পৰীক্ষা ৬ মাৰ্চ, প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ অন্তিম তাৰিখ ৯ মাৰ্চ। ভোটগ্ৰহণ ১৬ মাৰ্চত পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈ চলিব আৰু একেইদিনা সন্ধিয়া ৫ বজাত ভোট গণনা হ'ব। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া ২০ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ হ'ব। অসম বিধানসভা চৌহদত অনুষ্ঠিত হ'বলগীয়া এই ভোটগ্ৰহণত ৰাজ্যৰ ৰাজনৈতিক সমীকৰণ অতি গুৰুত্বপূৰ্ণ হ'ব। পৰিসংখ্যাগতভাৱে বিজেপিৰ দখলত থকা দুখন আসনত বিজয় নিশ্চিত বুলি ধাৰণা কৰা হৈছে। তৃতীয় আসনৰ ক্ষেত্ৰত বিৰোধী শিবিৰৰ সম্ভাৱনা আছে যদিও বিৰোধী দলসমূহৰ মাজত একতাৰ অভাৱ আৰু খহনীয়াই পৰিস্থিতিক জটিল কৰি তুলিছে। বিগত নিৰ্বাচনত অজিত ভূঞাই বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী হিচাপে তৃতীয় আসন দখল কৰিছিল। কিন্তু এতিয়া কংগ্ৰেছ, এ আই য়ু ডি এফ, ৰাইজৰ দল, বামপন্থী দলসমূহ আৰু অন্যান্য বিৰোধীৰ একত্ৰিত হোৱাৰ প্ৰয়োজন হ'লেও বিপিএফৰ বিজেপি শিবিৰলৈ যোগদান আৰু কংগ্ৰেছৰ কেইবাজনো বিধায়কৰ দলত্যাগে (শ্বেৰমান আলী, ৰচিদ মণ্ডল আদি) বিৰোধী শক্তিক দুৰ্বল কৰিছে। ইয়াৰ উপৰিও এ আই য়ু ডি এফৰ কৰিমুদ্দিন বৰভূঞাসহ কেইবাজনো বিধায়কে অগপত যোগদান কৰিব বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আনুগত্যশীল শিবিৰত থকা বিধায়কসকলৰ ভূমিকাও এই নিৰ্বাচনত লক্ষণীয় হ'ব। এই ৰাজ্যসভা নিৰ্বাচনে ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক দলসমূহৰ শক্তি-দুৰ্বলতা পৰীক্ষা কৰাৰ এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হ'ব।

## দুই কংগ্ৰেছ বিধায়কৰ

সৃষ্টি কৰিছে। এই দুগৰাকী বিধায়কৰ সদস্যপদ খাৰিজৰ দাবীত বুধবাৰে অসম বিধানসভাত উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয় আৰু কংগ্ৰেছ বিধায়কসকলে সদন ত্যাগ কৰি প্ৰতিবাদ জনায়। পশ্চিম গোৱালপাৰা সমষ্টিৰ তিনিবাৰৰ বিধায়ক আব্দুৰ ৰছিদ মণ্ডলে সোমবাৰে আৰু বাঘবৰ সমষ্টিৰ তিনিবাৰৰ বিধায়ক শ্বেৰমান আলী আহমেদে মঙলবাৰে অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলত যোগদান কৰে। দুয়োজনেই পূৰ্বতে কংগ্ৰেছে নিলম্বন কৰিছিল। এই যোগদানৰ ফলত ৰাইজৰ দলৰ বিধায়ক সংখ্যা বৃদ্ধি পাইছে আৰু কংগ্ৰেছৰ সৈতে সম্ভাব্য মিত্ৰতাৰ জল্পনাক লৈ অধিক জটিলতা সৃষ্টি হৈছে। বুধবাৰে বাজেট অধিবেশনৰ তৃতীয় দিনা প্ৰশ্নোত্তৰ কাল আৰম্ভ হোৱাৰ লগে লগে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক উদ্দেশ্য কৰি দৃষ্টি আকৰ্ষণ কৰে। তেওঁ কংগ্ৰেছৰ তৰফৰ পৰা দাখিল কৰা দুখন আবেদন পত্ৰৰ সন্দৰ্ভত ৰুলিং বিচাৰে। এই পত্ৰসমূহত দুগৰাকী বিধায়কৰ বিৰুদ্ধে সংবিধানৰ দশম অনুসূচী (দলবিৰোধী আইন)ৰ উলংঘনৰ অভিযোগ উত্থাপন কৰি তেওঁলোকৰ সদস্যপদ খাৰিজৰ দাবী জনোৱা হৈছে। অধ্যক্ষ দৈমাৰীয়ে জনায় যে তেওঁ মাত্ৰহে আবেদনসমূহ লাভ কৰিছে আৰু বিষয়টো পৰীক্ষা কৰিবলৈ সময়ৰ প্ৰয়োজন। তেওঁ লগতে কয় যে দলীয়ভাৱে বিধায়কসকলক বহিষ্কাৰ নকৰি কেৱল নিলম্বন কৰি ৰখাৰ ফলত অধ্যক্ষৰ ওপৰত তাৎক্ষণিক ব্যৱস্থাৰ দায়িত্ব নপৰে। “দলৰ ভিতৰত থাকি দলবিৰোধী কাম কৰিলে দলেই প্ৰথমে ব্যৱস্থা ল'ব লাগে। কিন্তু তাকে নকৰি অধ্যক্ষক ব্যৱস্থা ল'বলৈ ক'লে কেনেকৈ সম্ভৱ?” বুলি অধ্যক্ষই প্ৰশ্ন কৰে। দেৱব্ৰত শইকীয়াই যুক্তি দৰ্শাই কয় যে দলবিৰোধী কাম কৰি আন দলত যোগদান কৰা বিধায়কসকলে সদনত বহি কাম কৰিলে সদনৰ পবিত্ৰতা নষ্ট হ'ব। তেওঁ দাবী কৰে যে অধ্যক্ষই তাৎক্ষণিকভাৱে নিলম্বনৰ ব্যৱস্থা ল'ব লাগে। অধ্যক্ষৰ উত্তৰত সন্তুষ্ট নহৈ কংগ্ৰেছ বিধায়কসকলে প্ৰশ্নোত্তৰ কালতে সদন ত্যাগ কৰে। শইকীয়াই সদনৰ বাহিৰত সংবাদমেলত কয় যে যোৱা চাৰি-পাঁচ বছৰ ধৰি কেইবাজনো বিধায়কৰ বিৰুদ্ধে দলবিৰোধী কাৰ্যকলাপৰ অভিযোগ দাখিল কৰা হৈছে, য'ত কমলাক্ষ দে পুৰকায়স্থ, বসন্ত দাস, শশীকান্ত দাস, ছিদ্দিক আহমেদ আৰু শ্বেৰমান আলী আহমেদৰ নাম অন্তৰ্ভুক্ত। তেওঁ মহাৰাষ্ট্ৰ আৰু মণিপুৰৰ উদাহৰণ দি কয় যে উচ্চতম ন্যায়ালয়ে এনে আবেদন ‘যুক্তিসংগত সময়ৰ' ভিতৰত মীমাংসা কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ অভিযোগ কৰে যে অধ্যক্ষ চৰকাৰৰ চাপত আছে আৰু বিৰোধীক দুৰ্বল কৰাৰ উদ্দেশ্যে আবেদনসমূহ অগ্ৰাহ্য কৰি আহিছে। “যেতিয়া ৰাইজৰ স্বাৰ্থ আৰু গণতান্ত্ৰিক মূল্যবোধক অৱজ্ঞা কৰা হয়, তেতিয়া প্ৰতিবাদ কৰাটো আমাৰ নৈতিক দায়িত্ব”, শইকীয়াই কয়। এই ঘটনাই কংগ্ৰেছৰ অভ্যন্তৰীণ অস্থিৰতাক প্ৰকাশ কৰিছে আৰু ৰাইজৰ দলৰ শক্তি বৃদ্ধিৰ সংকেত দিছে। অখিল গগৈয়ে ইতিমধ্যে দলৰ বিধায়ক সংখ্যা বৃদ্ধিৰ কথা ঘোষণা কৰিছে। বিজেপিৰ পক্ষৰ পৰা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অধ্যক্ষৰ স্থিতিক সমৰ্থন জনাই কংগ্ৰেছক সমালোচনা কৰে। এই বিতৰ্কই অসমৰ ৰাজনীতিত নিৰ্বাচন পূৰ্বৰ গতিশীলতাক অধিক তীব্ৰ কৰি তুলিছে। অধ্যক্ষৰ চূড়ান্ত সিদ্ধান্তৰ ওপৰত সকলোৱে দৃষ্টি ৰাখিছে।

## যোগদানৰ পূৰ্বে ভূপেন

সাক্ষাৎ অনুষ্ঠিত হয়। ভূপেন বৰাই ২২ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিব বুলি ইতিমধ্যে ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পিছতে এতিয়া দলৰ আন আন গুৰুত্বপূৰ্ণ নেতা-বিধায়কসকলে তেওঁৰ ঘৰলৈ গৈ অভিনন্দন জনোৱাৰ ধাৰা অব্যাহত ৰাখিছে। সাক্ষাৎৰ পিছত সাংবাদিকৰ সৈতে কথা পাতি মন্ত্ৰী পীযুষ হাজৰীকাই কয় যে তেওঁ আৰু ভূপেন বৰা দুয়োজনেই এসময়ত কংগ্ৰেছত একেলগে কাম কৰিছিল। “আমি NSUIত একেলগে কাম কৰিছিলোঁ। প্ৰায় দহ বছৰ আগতে মই কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰিছিলোঁ। ভূপেন বৰাই তেতিয়া দলত আছিল। এতিয়া তেওঁ বিজেপিত অহাৰ সিদ্ধান্ত লোৱাত মই তেওঁক আদৰণি জনাবলৈ আহিছোঁ।” মন্ত্ৰী হাজৰীকাই কংগ্ৰেছৰ নেতাসকলে কৰা এটা সাধাৰণ অভিযোগক কঠোৰভাৱে খণ্ডন কৰে। তেওঁ কয়, “কংগ্ৰেছে কয় যে মন্ত্ৰিত্ব বা পদৰ লোভতহে কিছুমান লোকে বিজেপিত যায় আৰু দেশপ্ৰেমী লোকসকল কংগ্ৰেছত থাকে। কিন্তু বাস্তৱত দেশপ্ৰেমী লোকসকল বিজেপিতহে যোগদান কৰে, কংগ্ৰেছত নহয়।” তেওঁ লগতে কংগ্ৰেছৰ নীতি আৰু নেতৃত্বক সমালোচনা কৰি কয় যে দলটোৱে অসম আৰু দেশৰ স্বাৰ্থৰ পৰা বহু দূৰত আঁতৰি গৈছে। গৌৰৱ গগৈৰ শেহতীয়া মন্তব্যক লক্ষ্য কৰি হাজৰীকাই কয় যে ভূপেন বৰাৰ পদত্যাগৰ দিনাই কংগ্ৰেছে ক্ষমা বিচাৰি লৈ এতিয়া কয় যে ‘বেয়া উপাদান' দল এৰিছে আৰু ‘ভাল মানুহ' ৰৈছে। “এয়া ৰাজনৈতিক স্ব-বিৰোধিতাৰ এক জ্বলন্ত উদাহৰণ।” প্ৰিয়ংকা গান্ধীৰ আগন্তুক অসম ভ্ৰমণৰ প্ৰসংগত মন্ত্ৰী হাজৰীকাই মন্তব্য কৰে যে উজনি অসম আৰু বৰাক উপত্যকাত কংগ্ৰেছে পুনৰ শক্তি ঘূৰাই অনা অতি কঠিন হৈ পৰিছে। ভূপেন বৰাৰ বিজেপিত যোগদানে ৰাজ্যৰ ৰাজনীতিত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে আৰু দুয়োটা দলৰ মাজত বাকযুদ্ধ অধিক তীব্ৰ হোৱাৰ সম্ভাৱনা দেখা গৈছে।

## অসমত প্ৰিয়ংকা গান্ধীৰ নিৰ্বাচনী

বনাম হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰ (২০২১—২০২৬)' বুলি আখ্যা দিয়া হৈছে। পুৱা গুৱাহাটীত উপনীত হোৱা প্ৰিয়ংকা গান্ধীয়ে প্ৰথমে কামাখ্যা মন্দিৰ দৰ্শন কৰি তাৰ পিছত ৰাজীৱ ভৱনত কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। তাৰ পিছত দিশপুৰস্থিত মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত অনুষ্ঠিত এক সভাত কৰ্ণাটকৰ উপ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰৰ উপস্থিতিত তেওঁ এই অভিযোগনামা ৰাইজৰ সন্মুখত উন্মোচন কৰে। সভাত ব্লক কংগ্ৰেছৰ সভাপতিসকলৰ সৈতে আলোচনাৰ পিছত অভিযোগনামা মুকলি কৰি সাংবাদিকসকলক সম্বোধন কৰি প্ৰিয়ংকাই কয় যে তেওঁ বিভিন্ন স্তৰৰ নেতা-কৰ্মীৰ সৈতে কথা পাতি মতামত সংগ্ৰহ কৰি আছে। জিলাসমূহত স্ক্ৰীনিং কমিটীৰ সদস্যসকলে ইতিমধ্যে ব্যাপক আলোচনা চলাইছে বুলি উল্লেখ কৰি তেওঁ জনায় যে শক্তিশালী প্ৰাৰ্থী তালিকা গঠনৰ বাবে যথাসাধ্য চেষ্টা কৰা হৈছে আৰু নিৰ্বাচনত কংগ্ৰেছে শক্তিশালীভাৱে অৱতৰণ কৰিব। মিত্ৰতাৰ বিষয়টো নিৰীক্ষণত ৰখা হৈ আছে বুলিও তেওঁ স্পষ্ট কৰে। অভিযোগনামাত বিজেপি চৰকাৰক দুৰ্নীতিৰ মূল কেন্দ্ৰ হিচাপে চিত্ৰিত কৰা হৈছে। দিশপুৰত কেন্দ্ৰীভূত চিণ্ডিকেটৰাজ প্ৰাতিষ্ঠানিক ৰূপ লৈছে আৰু অবৈধ ধনৰ যোগেদি সমান্তৰাল অৰ্থনীতি গঢ়ি উঠিছে বুলি অভিযোগ কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, তেওঁৰ ঘনিষ্ঠ মন্ত্ৰীসকল আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ দ্বাৰা ব্যাপক দুৰ্নীতি আৰু অবৈধ সম্পত্তি সঞ্চয়ৰ অভিযোগ উত্থাপন কৰা হৈছে। চৰকাৰী ঋণৰ অদায়িত্বশীল বৃদ্ধি আৰু অৰ্থনৈতিক কু-ব্যৱস্থাপনাকো তীব্ৰভাৱে সমালোচনা কৰা হৈছে। জনজাতিৰ মৰ্যাদা প্ৰদানৰ দশকজোৰা প্ৰতিশ্ৰুতি পূৰণ নকৰাকৈ ৰখা, কোচ ৰাজবংশী, টাই আহোম, মৰাণ, মটক, চুতীয়া আৰু আদিবাসী চাহ জনগোষ্ঠীৰ দৰেছটা সম্প্ৰদায়ক ST স্বীকৃতি দিয়াত সম্পূৰ্ণ ব্যৰ্থ হোৱাৰ অভিযোগো উত্থাপন কৰা হৈছে। খিলঞ্জীয়াৰ ভূমি কৰ্পৰেট গোষ্ঠীৰ হাতত গতাই দিয়া, অসম চুক্তিৰ ষষ্ঠ দফাৰ ইচ্ছাকৃত অকাৰ্যকৰীকৰণ আৰু অসমীয়া পৰিচয়ৰ সুৰক্ষাত বিশ্বাসঘাতকতা কৰা বুলি কংগ্ৰেছে দাবী কৰিছে। এন আৰ চি প্ৰক্ৰিয়া স্থবিৰ কৰি ৰখা আৰু তাৰ বাবে খৰচ হোৱা ১৬০০ কোটি টকাক অসমৰ সৰ্ববৃহৎ কেলেংকাৰী বুলি অভিহিত কৰা হৈছে। বানপানী আৰু নদী গৰাখহনীয়াক ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে স্বীকৃতি নিদিয়া, চাকৰি সৃষ্টিত ব্যৰ্থ হৈ যুৱকক বহিঃৰাজ্যলৈ শ্ৰমিক ৰপ্তানি কৰা, ৰাজহুৱা শিক্ষা ব্যৱস্থাক দুৰ্বল কৰি দুখীয়া শিশুক শিক্ষাৰ পৰা বঞ্চিত কৰা, মৌলিক স্বাস্থ্যসেৱাত ব্যৰ্থ হৈ প্ৰতিৰোধযোগ্য ৰোগত অস্বাভাৱিক মৃত্যুৰ সংখ্যা বৃদ্ধি কৰা আদি বিষয়ো অভিযোগনামাত স্থান পাইছে। চাহ শ্ৰমিকৰ ৩৫১ টকা দৈনিক মজুৰিৰ দশকজোৰা প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ বাবে দহ লাখৰো অধিক শ্ৰমিকক দৰিদ্ৰতা আৰু পুষ্টিহীনতাৰ মাজতে জীয়াই থাকিবলৈ বাধ্য কৰা বুলি উল্লেখ কৰা হৈছে। এই অভিযোগনামাৰ জৰিয়তে কংগ্ৰেছে নিৰ্বাচনী যুদ্ধত জনগণৰ মাজৰ অসন্তোষক প্ৰধান অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব বুলি স্পষ্ট সংকেত দিছে। বিশে-যকসকলে কয় যে এই তীব্ৰ আক্ৰমণে ২০২৬ৰ ৰাজনৈতিক পৰিৱেশক আৰু তীব্ৰতৰ কৰি তুলিব।

# লখিমপুৰৰ চিলনীবাৰী চাহ বাগিচাত 'আটৱা'ৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, লীলাবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** চাহ বাগিচাত কঠোৰ পৰিশ্ৰমৰ জৰিয়তে অসমৰ চাহ উদ্যোগক জীয়াই ৰখাৰ লগতে দেশখনক অৰ্থনৈতিকভাৱে সবল কৰা মহিলাসকলৰ মৌলিক সমস্যাবিলাক সমাধান আৰু সৰ্বাংগীণ উন্নতি হেতু ১৯৮৯ বৰ্ষৰ ১৮ ফেব্ৰুৱাৰীত ডিব্ৰুগড় জিলাৰ মৰাণত প্ৰতিষ্ঠা লাভ কৰা অসম চাহ জনজাতি মহিলা সন্থা চমুকৈ 'আটৱা'ৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱসখনি লখিমপুৰ জিলা সমিতিৰ উদ্যোগত চিলনীবাৰী ৰঙ্গমঞ্চত অনুষ্ঠিত হৈ যায়। বিশেষকৈ নাৰী শিক্ষা, সৱলীকৰণ আৰু জাতীয়তাবোধ, ৰাজনৈতিক চেতনা জগাই তুলিবলৈ প্ৰতিষ্ঠা হোৱা সংগঠনটিৰ লখিমপুৰ জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসত 'আটৱা'ৰ জিলা ভাৰপ্ৰাপ্ত সভানেত্ৰী অঞ্জু কুৰ্মিয়ে সন্থাৰ পতাকা উত্তোলন কৰাৰ লগতে জিলা সম্পাদিকা পঞ্চমী মালপাহাৰীয়াই স্মৃতি তৰ্পণ কৰে। মহিলাসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ পাছতে মঞ্চ উদ্বোধন কৰে 'আটছা'ৰ জিলা সভাপতি চন্দ্ৰ গোঁড়ে। জিলা সভানেত্ৰী অঞ্জু কুৰ্মিৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত 'আটৱা'ৰ কেন্দ্ৰীয় সহকাৰী সম্পাদিকা বিপ্‌ৰীকা কুৰ্মিয়ে আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে জিলা সম্পাদিকা পঞ্চমী মালপাহাৰীয়াই উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানটিত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি 'আটছা'ৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুনীল তিৰ্কীয়ে কয়, চাহ বাগিচাত কৰ্মৰত পুৰুষতকৈ মহিলা শ্ৰমিকৰ সংখ্যা তিনিগুণ বেছি। মামনি গাজলু আৰু চম্পা মাঝিৰ নেতৃত্বত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ভগ্নী সংগঠন হিচাপে ১৯৮৯ বৰ্ষত প্ৰতিষ্ঠা লাভ কৰা 'আটৱা'ই জন্মলগ্নৰে পৰা চাহ জনগোষ্ঠীয় মহিলাসকলৰ সমস্যাৰ লগতে প্ৰাপ্য, অধিকাৰৰ বাবে কাৰ্য কৰি আহিছে। জনগোষ্ঠীটোৰ মহিলাসকলক সজাগ, সচেতন কৰাৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ হাতত লৈ আহিছে। লখিমপুৰ জিলা আৰক্ষী প্ৰশাসনৰ অতিৰিক্ত অধীক্ষক বিদিশা দেৱে বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি ঘৰুৱা হিংসা, প'কস্কো আইন, শিশু সুৰক্ষা সমিতিৰ কাৰ্যাৱলী সন্দৰ্ভত বিশদভাৱে কয়। পাঁচ শতাধিক চাহ জনগোষ্ঠী ৰাইজে অংশগ্ৰহণ কৰা অনুষ্ঠানটিত সংগঠনটিৰ কেন্দ্ৰীয় ক্ৰীড়া সম্পাদক সুষমা খালখ', কাৰ্যনিৰ্বাহক সদস্যা সুৰেখা তাঁতীৰ লগতে জিলা কাৰ্যনিৰ্বাহক বিষয়ববীয়াৰ লগতে 'আটছা'ৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক বাবুল পাইক, কাৰ্যনিৰ্বাহক সদস্য সুমিত বাদী, জিলা সমিতিৰ সম্পাদক ত্ৰিয়োছ ঢড়ৰাই, কাৰ্যনিৰ্বাহক বিষয়ববীয়া ৰবীন বাউৰী, লখিমপুৰ জিলা চাহ মজদুৰ সংঘৰ সম্পাদক সঞ্জীত তাঁতীয়ে বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি মহিলা সৱলীকৰণ সন্দৰ্ভত বক্তব্য প্ৰদান কৰে।

# যোৰহাটৰ বিশিষ্ট বিজ্ঞানকৰ্মী-লেখিকা ড° অদিতি বেজবৰুৱাৰ্লৈ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ড° জীৱন চন্দ্ৰ শৰ্মা কটকী বিজ্ঞান প্ৰসাৰ বঁটা

**অসম বাৰ্তা, যোৰহাট, ১৮ ফেব্ৰুৱাৰী ঃ** যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট বিজ্ঞানকৰ্মী, সু-বক্তা তথা বিজ্ঞান লেখিকা ড° অদিতি বেজবৰুৱাৰ্লৈ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ২০২৬ বৰ্ষৰ ড° জীৱন চন্দ্ৰ শৰ্মা কটকী বিজ্ঞান প্ৰসাৰ বঁটা আগ বঢ়োৱা হৈছে। যোৰহাট জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহে প্ৰদান কৰা ষষ্ঠ বৰ্ষৰ এই বঁটা ২৮ ফেব্ৰুৱাৰীত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত অনুষ্ঠিতব্য ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল সভাত প্ৰদান কৰা হ'ব বুলি আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে জনাইছে। উল্লেখ্য, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলাৰ বৰ্তমান কাৰ্যকৰী সভাপতি, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, অসম বিজ্ঞান সমিতি, অসম সাহিত্য সভা, অসম প্ৰকাশন পৰিষদ, প্ৰেৰণা, যোৰহাট পৰিৱেশ মঞ্চ আদিৰ দায়িত্ব বহন কৰা বিজ্ঞানকৰ্মীজন অসম বিজ্ঞান লেখক সংস্থাৰ প্ৰাক্তন সভাপতি। বিজ্ঞানকৰ্মীগৰাকীয়ে বিজ্ঞান বিষয়ৰ এঘাৰখন গ্ৰন্থ প্ৰণয়নৰ লগতে কেবাখনো গ্ৰন্থ সম্পাদনা কৰিছে। আকাশবাণীৰ যোগেদি বিভিন্ন কথিকা, নাটক আদি প্ৰচাৰৰ লগতে কাকত - আলোচনীত বহু প্ৰবন্ধ লিখিছে। ভিন্ন স্থানত সাত শতাধিক বক্তৃতা প্ৰদানৰ উপৰি তেওঁ ৰাষ্ট্ৰীয় - আন্তৰাষ্ট্ৰীয় পৰ্যায়ত গৱেষণাপত্ৰ উপস্থাপন কৰিছে। যোৰহাটত জন্ম গ্ৰহণ কৰা মেধাৱী ব্যক্তিগৰাকীয়ে প্ৰাথমিক বৃত্তিত যোৰহাট মহকুমাৰ ছোৱালীৰ ভিতৰত প্ৰথম, মজলীয়া বৃত্তিত অবিভক্ত শিৱসাগৰ জিলাৰ ভিতৰত প্ৰথম, মেট্ৰিক পৰীক্ষাত ১৯৭৫ চনত গণিতত সৰ্বোচ্চ নম্বৰ সহ ৰাজ্যৰ ভিতৰত দশম, প্ৰাক স্নাতক পৰীক্ষাত ১৯৭৭ চনত গণিত, পদাৰ্থ বিজ্ঞানত সৰ্বোচ্চ নম্বৰ সহ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দ্বিতীয় স্থান, স্নাতক পৰীক্ষাত পদাৰ্থ বিজ্ঞানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰে। ২০০৪ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা জ্যোৰ্তি পদাৰ্থ বিজ্ঞানত ড"ৰেট ডিগ্ৰী লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়, জিষ্ট-ৰ অতিথি শিক্ষকগৰাকীয়ে বাহনা আৰু বিজ্ঞান মহাবিদ্যালয়তো শিক্ষকতা কৰিছিল। বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰা বিশিষ্ট ব্যক্তিগৰাকীয়ে অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ বিজ্ঞান গ্ৰন্থৰ বঁটা, অসম চৰকাৰৰ সাহিত্যিক সন্মানৰ উপৰি বিভিন্ন বঁটা লাভ কৰিছে। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে, পৰিৱেশ সংৰক্ষণ, বিজ্ঞান জনপ্ৰিয়কৰণৰ কাৰণে অৱদান আগ বঢ়াই অহা ব্যক্তিগৰাকীক বঁটা প্ৰদান কৰা অনুষ্ঠানত ২৮ ফেব্ৰুৱাৰীত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত ৰাইজৰ উপস্থিতি যোৰহাট জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়কসকল ক্ৰমে বিপুল দুৱৰা, বুধিন দত্ত, হেমেন কুমাৰ শইকীয়া, নৱজিত ভূঞা, দেৱজিৎ বৰুৱা আৰু ৰঞ্জন শৰ্মাই কামনা কৰিছে।

**লাহৰীঘাটত ভংয়কৰ অঘটন**

# দলং ভাঙি আহতত চাৰি শ্ৰমিক



**অসম বাৰ্তা, লাহৰীঘাট, ১৮ ফেব্ৰুৱাৰী ঃ** লাহৰীঘাটত আজি সংঘটিত হয় এক ভয়ংকৰ অঘটন। পুনঃনিৰ্মাণ কৰি থকা দলং ভাঙি গুৰুতৰ বাবে আঘাতপ্ৰাপ্ত হয় চাৰি গৰাকীকৈ শ্ৰমিক। এই ভয়ংকৰ ঘটনাটো সংঘটিত হয় লাহৰিঘাট-মৰিগাঁও সংযোগী গড় কাপ্তানি পথৰ অমৰাগুৰিস্থিত লালি বিলৰ ওপৰত দলঙখনত। পকী দলঙখন মাজ ভাগত বৃহৎ ফাঁট মেলাত শ্ৰমিক সকলে পুনঃনিৰ্মাণৰ বাবে দলঙখনৰ মাজৰ অংশটো ভাঙি থকা সময়তে হঠাৎ তললৈ খহি পৰে দলঙখন। দলঙখন তললৈ খহি পৰাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় চাৰি গৰাকীকৈ শ্ৰমিক। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত শ্ৰমিক কেইগৰাকীক স্থানীয় ৰাইজে ততাতৈয়াকৈ লাহৰীঘাট মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত লৈ যায় যদিও উন্নত চিকিৎসাৰ বাবে আটাই কেইগৰাকী শ্ৰমিকক নগাঁৱলৈ প্ৰেৰণ কৰে। আঘাতপ্ৰাপ্ত শ্ৰমিক কেইগৰাকী ক্ৰমে গোলজাৰ হুছেইন, মুস্তফা আহমেদ, ইনামুল হক আৰু ফাৰুক আহমেদ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ঠিকাদাৰৰ ময়মতালিৰ বাবেই এনে দুৰ্ঘটনা সংঘটিত হয় বুলি স্থানীয় ৰাইজৰ অভিযোগ। উল্লেখ্য যে, মাত্ৰ ১০ বছৰৰ পূৰ্বে নিৰ্মাণ কৰা কেইবা কোটি টকীয়া দলঙখন কি কাৰণত মাজ ভাগত বৃহৎ ফাট মেলি তললৈ বহি গৈছিল সেয়া এক ডাঙৰ ৰহস্য। দলঙখন নিৰ্মাণৰ সময়ত ঠিকাদাৰে দুৰ্নীতি কৰাৰ অভিযোগ উত্থাপন কৰি স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছিল যদিও বিভাগীয় বৰমূৰীয়াই কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাছিল। দলঙখন নিৰ্মাণ কালত স্থানীয় ৰাইজ আৰু দল-সংগঠনৰ কথা বিভাগীয় কৰ্তৃপক্ষই আওকাণ কৰাৰ ফলস্বৰূপে দলঙখন নিৰ্মাণৰ ১০ বছৰ নহওতেই পুনৰ ভাঙিব লগীয়া হৈছে। যাৰ ফলত পুনঃনিৰ্মাণ কাৰ্যত নিয়োজিত দুখীয়া, দৰিদ্ৰ শ্ৰমিক সকল আঘাতপ্ৰাপ্ত হ'বলগীয়া হয় বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰে।

# শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, নামতি, ১৮ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলা হাইস্কুৰ শিক্ষক সংস্থাৰ নৱনিৰ্বাচিত শিৱসাগৰ জিলা সমিতিৰ কাৰ্যভাৰ গ্ৰহণ আৰু শপতগ্ৰহণ অনুষ্ঠান আজি ডিমৌ শুকানপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত সম্পন্ন হৈ যায়। সংস্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি কেশৱ চন্দ্ৰ দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত জিলা সমিতিৰ প্ৰাক্তন সম্পাদক তোলন বেজবৰুৱা আৰু সদ্য প্ৰাক্তন জিলা সম্পাদক ৰূপজ্যোতি চেতিয়া, প্ৰাক্তন জিলা কাৰ্যনিৰ্বাহক সদস্য কৰুণা কোঁৱৰ আদিকে কৰি সংস্থাৰ বহুকেইজন প্ৰাক্তন বিষয়ববীয়া উপস্থিত থাকে। শুকানপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হৰেণ লাহনে আদৰণি ভাষণ আগবঢ়োৱা




উক্ত সভাত শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ নৱনিৰ্বাচিত সমিতিৰ সমূহ বিষয়ববীয়াক শপত বাক্য পাঠ কৰোৱায় সংস্থাৰ প্ৰাক্তন কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাজেন শৰ্মাই। উল্লেখ্য যে ২০২৫-২০২৭, ২০২৭-২০২৮ বৰ্ষৰ বাবে শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি হিচাপে কেশৱ চন্দ্ৰ দেউৰী, উপ সভাপতি হিচাপে ক্ৰমে হীৰেন নেওগ, হৰেন লাহন, প্ৰসেনজিৎ বৰঠাকুৰ আৰু প্ৰজ্ঞান ফুকন, জিলা সম্পাদক হিচাপে দিপু পুৰি, সহঃ সম্পাদক হিচাপে প্ৰসেনজিৎ বৰগোহাঁই, শশাংক নাথ, মণিমালা চেতিয়া, ৰাজ্যিক সদস্য তৰুণ চেতিয়া, পৰীক্ষা বিভাগৰ সহঃ সম্পাদক হিচাপে পঙ্কু চেতিয়া পাতৰ, পত্ৰিকা সম্পাদক হিচাপে দেৱজিত শৰ্মা, শৈক্ষিক সম্পাদক হিচাপে ৰমেন বৰুৱা, সাংগঠনিক সম্পাদক হিচাপে প্ৰাঞ্জল বড়া, অচিন্ত মহন্ত, অৰুণ ৰাইডঙীয়া, কাৰ্যালয় সম্পাদক হিচাপে মঃ ইফটাকুৰ ৰহমান আৰু চাৰিজন সদস্যই কাৰ্যনিৰ্বাহ কৰিব। এই সভাতেই পূৰ্বৰ সমিতিয়ে নৱনিৰ্বাচিত সমিতিক কাৰ্যভাৰ হস্তান্তৰ কৰে। সভাত উপস্থিত থাকি ভাষণ প্ৰসংগত অৱসৰপ্ৰাপ্ত শিক্ষক তথা হাইস্কুল শিক্ষক সংস্থাৰ শিৱসাগৰ জিলাৰ প্ৰাক্তন সম্পাদক তোলন বেজবৰুৱাই সংস্থাৰ মজিয়াত নিজৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে নৱনিৰ্বাচিত সমিতিলৈ শুভেচ্ছা জ্ঞাপন কৰে। নিজৰ একাষাৰত সংস্থাৰ ৰাজ্যিক সমিতিৰ প্ৰাক্তন সম্পাদক ৰাজেন শৰ্মাই নৱনিৰ্বাচিত সমিতিৰ সবল নেতৃত্বত শিৱসাগৰ জিলাত হাইস্কুল শিক্ষক সংস্থাই এক গতি লাভ কৰিব বুলি আশা ব্যক্ত কৰাৰ লগতে শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ সমগ্ৰ অসমতে এক ঐতিহ্য আছে বুলি উল্লেখ কৰে। নতুন সমিতিয়ে নিজ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰিব বুলি আশা প্ৰকাশ কৰে শৰ্মাই। প্ৰাক্তন ৰাজ্যিক সদস্য - লীলা দত্ত আৰু সদ্য প্ৰাক্তন জিলা সম্পাদক ৰূপজ্যোতি চেতিয়াইও একাষাৰ বক্তব্য দাঙি ধৰি নৱনিৰ্বাচিত সমিতিলৈ অভিনন্দন জ্ঞাপন কৰে।

## এছ বি আই পেঞ্চনাৰ এছ'চিয়েছন, যোৰহাটৰ উদ্যোগত সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, যোৰহাট, ১৮ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় ষ্টেট ব্যাংক পেঞ্চনাৰ এছ'চিয়েছন, যোৰহাটৰ উদ্যোগত ষ্টেট ব্যাংক যোৰহাট শাখাৰ চৌহদত অৱস্থিত পেঞ্চনাৰ ভৱনত আজি এক সম্বৰ্ধনা অনুষ্ঠানত সম্পন্ন হয়। এছ'চিয়েছনৰ সদস্য অঞ্জলি শইকীয়াই মহাৰাষ্ট্ৰৰ পুণেত অনুষ্ঠিত অষ্টম মাষ্টাৰ ভেটাৰ্ণ এথলেটিকছ গেমছৰ যোগ প্ৰতিযোগিতাৰ ৬৫ বছৰ উৰ্দ্ধ বিভাগত স্বৰ্ণ পদক জয় কৰাৰ বাবে এই সম্বৰ্ধনা জ্ঞাপন কৰা হয়। গৌতম হাজৰিকাই আঁত ধৰা সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত ৰিনা দত্তই ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে জীতেন গোস্বামী ফুলৰ তোৰা আৰু গজেন চলিহা এখনি যোগ সম্পৰ্কীয় কিতাপৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# গৃহৰক্ষী জোৱান ইমৰান হুছেইন হত্যাকাণ্ডৰ ক্ৰাইম চিন সংগ্ৰহ ৰঙিয়া আৰক্ষীৰ

**অসম বাৰ্তা, ৰঙিয়া, ১৮ ফেব্ৰুৱাৰী ঃ** ৰাজ্য কঁপাই যোৱা গৃহৰক্ষী জোৱান ইমৰান হুছেইনৰ হত্যা কাণ্ডৰ ক্ৰাইম চিন সংগ্ৰহ কৰে ৰঙিয়া আৰক্ষীয়ে। সোমবাৰে দিনৰ ভাগত ঘটনাস্থলীত হত্যাকাণ্ডৰ লগত জড়িত হত্যাকাৰীক লৈ উপস্থিত হয় আৰক্ষীৰ দল। ঘটনাৰ পোন্ধৰ দিনৰ অন্তত ৰঙিয়া আৰক্ষীয়ে উৰিষ্যাৰ জাজপুৰৰ প্ৰশান্ত ৰাৱাট আৰু অভিমান্যু পাত্ৰক গ্ৰেপ্তাৰ কৰি অব্যাহত ৰখা মাৰাথন জেৰাৰ পিছত দিয়া স্বীকাৰোক্তিৰ ভিত্তিত সম্পন্ন কৰা হয় ক্ৰাইম চিন সংগ্ৰহ প্ৰক্ৰিয়া। উল্লেখ্য যে ২৯ জানুৱাৰীৰ নিশা ৯.৫৬ বজাত নিজৰ কৰ্মস্থলীৰ পৰা গৃহা অভিমুখে বাইকেৰে ৰাওনা হোৱা ইমৰাণ হুছেইন চিকাৰ হৈছিল পৰিকল্পিত হত্যাকাণ্ডৰ। চিচি টিভিৰ কেমেৰাত বন্দী হৈ ৰৈছিল কৰ্তব্য সামৰি ইমৰাণ হুছেইনে বাইক লৈ ওলাই যোৱাৰ দৃশ্য। ৩০ জানুৱাৰী শুকুৰবাৰে পুৱা ৰঙিয়াৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ সমীপৰ ২ নং ৱাৰ্ডত উদ্ধাৰ ৰক্তাক্ত মৃতদেহ উদ্ধাৰ হৈছিল ইমৰাণৰ মৃতদেহ। আনহাতে ইমৰান হুছেইনে চলাই যোৱা AS 01 EE 6873 নম্বৰৰ পে-মাৰ বাইকখন যোৱা ২ ফেব্ৰুৱাৰীৰ নিশা নিউ বঙাইগাঁও ৰেল জংচনৰ সমীপৰ পথৰ পৰা উদ্ধাৰ কৰিছিল ৰঙিয়া আৰক্ষীয়ে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত প্ৰতিটো দিশত তীক্ষ্ণ নজৰ ৰাখি অৱশেষত দুই হত্যাকাৰীক উৰিশ্যাৰ পৰা আটক কৰিবলৈ সক্ষম হয়।

**মিচিং জনগোষ্ঠীয় কেইবাখনো গাঁৱত উদ্‌যাপন কৃষি ভিত্তিক উৎসৱটো**

# তিনিচুকীয়া জিলাৰ জাগুনতো আলি আঃয়ে লৃগাং উদ্‌যাপন



**অসম বাৰ্তা বিশেষ, জাগুন, ১৮ ফেব্ৰুৱাৰী ঃ** আজি ফাগুন মাহৰ প্ৰথমটো বুধবাৰ। অসমৰ দ্বিতীয় সৰ্ব্ব বৃহৎ জনগোষ্ঠী মিচিং সম্প্ৰদায়ৰ আলি আঃয়ে লৃগাং উৎসৱ। সমগ্ৰ অসমৰ বিভিন্ন প্ৰান্তৰ লগতে মাৰ্ঘেৰিটা সম জিলাৰ জাগুনতো মিচিং সম্প্ৰদায় অধ্যুষিত কেইবাখনো গাঁৱত উদযাপন কৰা হৈছে আলি আঃয়ে লৃগাং। জাগুনৰ ১ নং কাংকান, ২নং কাংকান, লিচাং গাঁৱৰ উপৰিও কেইবাখনো গাঁৱত উদ্‌যাপন কৰা হৈছে এই কৃষি ভিত্তিক উৎসৱ আলি আঃয়ে লৃগাং। বাৰিষা আগমনৰ লগে লগেই ফাগুন মাহৰ প্ৰথমটো বুধবাৰে বিভিন্ন শস্যৰ বীজ ৰোপণ কৰি খেতি পথাৰত নদন বদনেৰে চহা কৃষক ৰাইজৰ মংগল কামনা কৰি পৰম্পৰাগত নীতি নিয়ম অনুসৰি আজিৰ দিনটোৰ পৰাই এক উৎসৱ মুখৰ পৰিৱেশৰ মাজত এই কৃষি কৰ্মৰ শুভাৰম্ভ কৰা হয়। মিচিং জনগোষ্ঠীৰ কৃষি কৰ্ম, পৰম্পৰাগত ভাষা, কৃষ্টি-সংস্কৃতি, সাজ-পোছাক, খাদ্য সম্ভাৰেৰে স্বাভিমান ৰক্ষা কৰি নিজৰ চহকী পৰম্পৰা অটুট ৰখাৰ উদ্দেশ্যেৰে পালন কৰি অহা হৈছে এই আলি আ: য়ে লৃগাং উৎসৱ। এই লৃগাং উৎসৱ জাক জমকতাৰে পালন কৰাৰ অন্তৰালত যাতে ভৱিষ্যত প্ৰজন্মই জনগোষ্ঠীটোৰ ঐতিহ্য পৰম্পৰা অটুট ৰাখি আগবাঢ়ি যাবলৈ সক্ষম হোৱাৰ উপৰিও জনগোষ্ঠীটোৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হয় তাৰ প্ৰতিও গুৰুত্ব আৰোপ কৰা হয়।

**এপিএছচিৰ কৰ অধীক্ষক পদত নৱম স্থান**

# মাজুলীৰ কমাৰগাঁৱৰ সৰ্বজ্যোতি কলিতাৰ কৃতিত্ব

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ ফেব্ৰুৱাৰী ঃ** সদ্য ঘোষিত এ পি এছ চি (APSC) পৰীক্ষাৰ অসম বিত্ত সেৱা (AFS) বিভাগত মাজুলীৰ কমাৰগাঁৱৰ মেধাৱী ছাত্ৰ সৰ্বজ্যোতি কলিতাই নৱম স্থান লাভ কৰি কৃতিত্বৰে উত্তীৰ্ণ হৈছে। সৰুৰে পৰা সকলো বিষয়তে মেধাৱী গুণৰ অধিকাৰী সৰ্বজ্যোতি কলিতাই সদ্য ঘোষিত এ পি এছ চি'ৰ Superintendent Of Taxes' (open category, Rank - 9) পদৰ বাবে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। উক্ত, পদৰ মুকলি শাখাত তেওঁ নৱম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। সৰ্বজ্যোতি কলিতাৰ এই সফলতাৰ বাবে আজি মাজুলীৰ বিভিন্ন দল সংগঠনে তেওঁক অভিনন্দন জ্ঞাপন কৰিছে। সৰ্বজ্যোতি কলিতা মাজুলীৰ কমাৰ গাঁৱৰ বাসিন্দা তথা হোকোনামুখ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰুণ কলিতা আৰু সমাজকল্যাণ বিভাগৰ অৱসৰপ্ৰাপ্ত শিশু কল্যাণ প্ৰকল্প বিষয়া বিনতা সেন কলিতাৰ কনিষ্ঠ পুত্ৰ আৰু অৱসৰপ্ৰাপ্ত শিক্ষক ৰঞ্জিত সেন আৰু সমৰজিৎ সেনৰ ভাগিন।

**▪ শিক্ষা, সমাজৰ অপূৰণীয় ক্ষতি ▪**

# ডবকাৰ বিশিষ্ট শিক্ষাবিদ নাৰায়ণ চন্দ্ৰ ভৌমিক ডাঙৰীয়াৰ দেহাৱসান

**অসম বাৰ্তা, ডবকা, ১৮ ফেব্ৰুৱাৰী ঃ** ডবকাৰ বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক তথা ৰাজনৈতিক ব্যক্তিত্ব শ্ৰদ্ধাৰ নাৰায়ণ চন্দ্ৰ ভৌমিক ডাঙৰীয়া আজি কিছু সময় আগতে গুৱাহাটী মেডিকেল কলেজত চিকিৎসাধীন অৱস্থাত পৰা পৰলোকলৈ গমন কৰে। তেখেতৰ দেহাৱসানে ডবকা অঞ্চলৰ শিক্ষা, সমাজ আৰু ৰাজনৈতিক ক্ষেত্ৰত এক অপূৰণীয় শূন্যতা সৃষ্টি কৰিলে। জানিব পৰা মতে ইং ১ নৱেম্বৰ ১৯৪৭ চনত জন্মগ্ৰহণ কৰা শ্ৰদ্ধাৰ নাৰায়ণ চন্দ্ৰ ভৌমিক ডাঙৰীয়াই আজি ইং ১৮ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে শেষ নিশ্বাস ত্যাগ কৰে। ডবকাৰ সমাজ জীৱনৰ বটবৃক্ষ স্বৰূপ এই গৰাকী শিক্ষাবিদক সকলোৱে স্নেহে "অংক ছাৰ" নামেৰে জানিছিল। শিক্ষাজীৱনত ভৌমিক ছাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বিজ্ঞানত স্নাতক ডিগ্ৰী আৰু নগাঁও বি টি কলেজৰ পৰা বি টি ডিগ্ৰী লাভ কৰে। ১৯৭০ চনৰ ১ এপ্ৰিল তাৰিখে ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক হিচাপে যোগদান কৰা ছাৰে দীঘলীয়া সময় ধৰি নিষ্ঠাৰে শিক্ষকতা কৰি ২০০২ চনৰ পৰা ১৪ ফেব্ৰুৱাৰী ২০০৬ চনলৈ উক্ত বিদ্যালয়ৰ উপাধ্যক্ষ ৰূপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। সামাজিক জীৱনতো ভৌমিক ছাৰৰ অৱদান আছিল উল্লেখযোগ্য। তেখেতৰ নেতৃত্ব আৰু প্ৰচেষ্টাত ডবকা ফৈয়াজ আলী জুনিয়ৰ কলেজ আৰু ডবকা বি আৰ আম্বেদকাৰ হাইস্কুল আদি একাধিক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা লাভ কৰে। ৰাজনৈতিক জীৱনত কংগ্ৰেছ (আই) দলৰ জৰিয়তে পদাৰ্পণ কৰা ভৌমিক ছাৰে পৰৱৰ্তী সময়ত অসম গণ পৰিষদ (অগপ) দলত যোগদান কৰে। অগপৰ হোজাই জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰূপে কাম কৰাৰ লগতে লামডিং আৰু হোজাই বিধানসভা সমষ্টিৰ পৰা অগপৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। তদুপৰি ডবকা টাউন ৯ নং ৱাৰ্ডৰ আয়ুক্ত হিচাপেও তেখেত নিৰ্বাচিত হৈছিল। মৃত্যুৰ সময়ত তেখেতে তিনি গৰাকী পুত্ৰসহ অসংখ্য গুণমুগ্ধ, ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীক ইহ সংসাৰত এৰি থৈ যায়। হোজাই জিলা জমিয়তৰ সম্পাদক কপিল উদ্দিন, বিশিষ্ট সমাজসেৱক জন্মজয় গুপ্ত, বিশিষ্ট সমাজসেৱক তথা ডবকা নগৰ সমিতিৰ ৮ নং ৱাৰ্ডৰ প্ৰাক্তন সদস্য বদৰ উদ্দিন চৌধুৰী, সিৰাজ উদ্দিন আজমলৰ ৰাজনৈতিক সচিব আকবৰ আলী, ডবকা নগৰ সমিতিৰ প্ৰাক্তন সভাপতি প্ৰদীপ ৰায়, ডবকা একাডেমিৰ অধ্যক্ষ ইকৰাম উদ্দিন, ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বদৰুল বেগ, ডবকা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা বৰ্ণি শইকীয়া, ডবকা মধ্য ইংৰাজী বিদ্যালয়ৰ অধ্যক্ষা মনিকা বেগমৰ লগতে বহু গুণমুগ্ধ ব্যক্তি আৰু প্ৰতিষ্ঠানে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। তেওঁলোকে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**স্বাস্থ্যখণ্ডৰ উন্নয়নত অইল ইণ্ডিয়াৰ পদক্ষেপ**

# বাক্সা আৰু দৰং জিলাত বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন

**অসম বাৰ্তা, দুলীয়াজান, ১৮ ফেব্ৰুৱাৰী ঃ** দেশৰ আগশাৰীৰ তেল আৰু গেছ উৎপাদনকাৰী প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডে (OIL) নিজৰ সামাজিক দায়বদ্ধতা (CSR) আঁচনিৰ অধীনত শেহতীয়াকৈ অসমৰ বাক্সা আৰু দৰং জিলাত দুটা বিশেষ স্বাস্থ্য সেৱা শিবিৰ সফলভাৱে সম্পন্ন কৰে। গ্ৰামাঞ্চলৰ ৰাইজক অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা প্ৰদানৰ লক্ষ্যৰে অইলে গ্ৰহণ কৰা এই পদক্ষেপক স্থানীয় ৰাইজে আদৰণি জনাইছে। প্ৰাপ্ত তথ্য অনুসৰি, অইল ইণ্ডিয়াই নিজৰ সেৱাৰ পৰিসৰ বৃদ্ধি কৰি এইবাৰ নতুন অঞ্চলত এই শিবিৰসমূহ আয়োজন কৰে। প্ৰথমটো স্বাস্থ্য শিবিৰ বাক্সা জিলাৰ ধমধমা অঞ্চলৰ শান্তিপুৰ গাঁৱত অনুষ্ঠিত কৰা হয়, য'ত ওচৰ-পাজৰৰ গাঁওসমূহৰ প্ৰায় ১৭০ জনতকৈও অধিক লোক উপকৃত হয়। আনহাতে, দ্বিতীয়টো শিবিৰ দৰং জিলাৰ মঙলদৈৰ ২ নং মাজগাঁৱত অনুষ্ঠিত হয়। এই শিবিৰত শতাধিক লোকে বিনামূলীয়া চিকিৎসা সেৱা গ্ৰহণ কৰে। চিকিৎসা সেৱাৰ সুবিধা কম থকা এই গ্ৰাম্য অঞ্চলসমূহত এই শিবিৰসমূহে ৰাইজক যথেষ্ট সকাহ প্ৰদান কৰে। শিবিৰত অভিজ্ঞ চিকিৎসক, এ.এন.এম/জি.এন.এম নাৰ্ছ আৰু ফাৰ্মাচিষ্টসকলে ৰোগীসকলক স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া পৰামৰ্শ প্ৰদান কৰে। ইয়াৰ লগতে মৌলিক নিদানমূলক সেৱা, অসংক্ৰামক ৰোগৰ (NCD) পৰীক্ষা, মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা আৰু প্ৰয়োজন সাপেক্ষে ৰোগীক বিনামূলীয়া ঔষধো বিতৰণ কৰা হয়। উল্লেখযোগ্য যে, অইল ইণ্ডিয়া লিমিটেডে কেৱল অন্বেষণ আৰু উৎপাদন কাৰ্যতে সীমাবদ্ধ নাথাকি সামুদায়িক কল্যাণ আৰু সামাজিক উন্নয়নৰ ক্ষেত্ৰতো ধাৰাবাহিকভাৱে গুৰুত্ব প্ৰদান কৰি আহিছে। স্থানীয় প্ৰতিনিধি আৰু ৰাইজৰ সম্পূৰ্ণ সহযোগিতাত অনুষ্ঠিত এই স্বাস্থ্য শিবিৰসমূহে অইলৰ জনকল্যাণমুখী প্ৰচেষ্টাকে পুনৰবাৰ প্ৰতিফলিত কৰিছে।

ভাৰতবৰ্ষৰ তিনিশখন এনে শিক্ষানুষ্ঠানৰ অন্যতম বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

# পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়লৈ এন চি টি ইৰ স্বীকৃতি

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয় লাভ কৰিছে এক সফলতা। ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদৰ পূৰ্বীয় আঞ্চলিক সমিতিয়ে মহাবিদ্যালয়খনত চাৰি বছৰীয়া সংহত শিক্ষক শিক্ষা কাৰ্যসূচী আৰম্ভ কৰাৰ বাবে আনুষ্ঠানিকভাৱে স্বীকৃতি লাভ কৰিছে। যোৱা ৯ ফেব্ৰুৱাৰীত এন চি টি ইৰ ৩৯০ সংখ্যক বৈঠকত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ লগে-লগে মহাবিদ্যালয়খনত আগন্তুক ২০২৬-২০২৭ শিক্ষাবৰ্ষৰ পৰা বি এ, বি এড পাঠ্যক্ৰম আৰম্ভ হ'ব। প্ৰথম পৰ্যায়ত এটা ইউনিটত ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে এই অনুমতি প্ৰদান কৰা হৈছে। এই উপলক্ষে আজি মহাবিদ্যালয় প্ৰাংগণত এখন সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উপৰিও পুৰণিগুদামৰ জ্যেষ্ঠ নাগৰিক, সাংবাদিক আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলকলৈ অনুষ্ঠিত হোৱা এই সজাগতা সভাত মূল বক্তা হিচাপে উপস্থিত থাকে

সজাগতা সভাত ড° দিব্যজ্যোতি মহন্ত




বিভাগীয় মূল ব্যক্তি ড° দিব্যজ্যোতি মহন্ত উপস্থিত থাকি মহাবিদ্যালয়খনে অসমৰ নিৰ্দিষ্ট কেইখনমান মহাবিদ্যালয়ৰ ভিতৰত এই বিষয়টো লাভ কৰিছে বুলি উল্লেখ কৰে। ভাৰতবৰ্ষৰ প্ৰায় সত্তৰ হাজাৰ শিক্ষানুষ্ঠানৰ ভিতৰত মাত্ৰ তিনিশখন মহাবিদ্যালয়ে এই বিষয়ৰ শিক্ষা প্ৰদানৰ বিষয় অন্তৰ্ভুক্ত কৰিব পাৰিছে। এইটো মহাবিদ্যালয়খনৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অতি ভাল খবৰ। বি এড সমপৰ্য্যায়ৰ এই শিক্ষা লাভ কৰিবলৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা হয়। এই পৰীক্ষাত উত্তীৰ্ণ হ'লে ছাত্ৰ-ছাত্ৰীয়ে স্বীকৃতিপ্ৰাপ্ত যিকোনো মহাবিদ্যালয়ত এই শিক্ষা লাভ কৰিব পাৰিব। পুৰণিগুদামৰ ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সময়ত পুৰণিগুদাম মহাবিদ্যালয় প্ৰথম পছন্দ দিলে সেই মহাবিদ্যালয়ত পঢ়াৰ সুবিধা লাভ কৰাৰ সম্ভাৱনা অধিক বুলি উল্লেখ কৰে। ইফালে, উপস্থিত বিশিষ্ট ব্যক্তিসকলৰ লগত হোৱা মুকলি আলোচনাত ড° মহন্তই চাৰি বছৰীয়া সংহত শিক্ষক শিক্ষা কাৰ্যসূচীয়ে কেনেদৰে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব তাৰ বিষয়ে বহল ব্যাখ্যা দাঙি ধৰে। ইফালে, আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত পুৰণিগুদামৰ জ্যেষ্ঠ নাগৰিক তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকাই মহাবিদ্যালয়খনে লাভ কৰা এই পাঠ্যক্ৰমে পুৰণিগুদামৰ শৈক্ষিক বাতাবৰণত নতুন দিগন্তৰ সূচনা কৰিব বুলি উল্লেখ কৰে। ইফালে, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৃপেন চন্দ্ৰ দাসে গ্ৰামাঞ্চলৰ মহাবিদ্যালয় হিচাপে অসমৰ আন বিশখন মহাবিদ্যালয়ৰ সমপৰ্য্যায়ত এনেধৰণৰ বিষয় অন্তৰ্ভুক্ত হোৱাত পুৰণিগুদামবাসী উৎফুল্ল হোৱাৰ লগতে মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীক অধিক উৎসাহিত কৰিছে বুলি কয়। সজাগতা সভাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° সোমনাথ বৰাই আমাৰ ছাত্ৰ-ছাত্ৰীসকলে এই সুবিধা লাভ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিব লাগে বুলি কয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ভাৰ্গৱ দাসে।

# অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ সদৌ অসম প্ৰগতিশীল নাৰী সন্থা আৰু চিপিআই (এম এল) ৰহা সমষ্টি সমিতিৰ

**অসম বাৰ্তা, ৰহা, ১৮ ফেব্ৰুৱাৰী ঃ** আজি অসমৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে সদৌ অসম প্ৰগতিশীল নাৰী সন্থা আৰু চিপিআই (এম এল) ৰহা সমিতিয়ে। মহিলা সমাজৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আজি মঙ্গলবাৰে সদৌ অসম প্ৰগতিশীল নাৰীসন্থা ৰহা চাৰ্কোল সমিতি আৰু চিপিআই (এম-এল) ৰহা সমষ্টি সমিতিৰ উদ্যোগত ৰহা ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এই স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। অসমৰ মুখ্যমন্ত্ৰীয়ে মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফৰ ক্ষেত্ৰত ২১ৰ নিৰ্বাচনৰ পূৰ্বে যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি বৰ্তমান সময়লৈকে কোনো উচিত ব্যৱস্থা লোৱা নাই বাবে সেই প্ৰতিশ্ৰুতি শীঘ্ৰে পূৰণ কৰা, অৰুনোদয় আঁচনিৰ পৰা বাদ পৰা মহিলাক অৰুনোদয় প্ৰদান কৰা আদি কেইবাটাও দাবীত মুখ্যমন্ত্ৰীলৈ এই স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয় আৰু লগতে ৫বছৰ আগৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰা বাবে অসম চৰকাৰক ধিক্কাৰ জনাইছে। উক্ত কাৰ্যসূচীত প্ৰায় দুই শতাধিক মহিলা অংশগ্ৰহণ কৰে। নাৰী সন্থাৰ এই দাবীসমূহ ২৬ৰ নিৰ্বাচনৰ পূৰ্বে কাৰ্যকৰী নহ'লে তীব্ৰ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণৰো হুংকাৰ প্ৰদান কৰে। ইয়াৰ লগতে নাৰী সন্থাই প্ৰায় দুই কিলোমিটাৰ পথ বিশাল সমদল কৰি মুখ্যমন্ত্ৰী হুছিয়াৰ, মাইক্ৰ' ফাইনেন্স ঋণ মাফ কৰক, মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি পালন কৰক, প্ৰকৃত হিতাধিকাৰীক অৰুনোদয় প্ৰদান কৰক, নাৰী নিযাতন বন্ধ কৰক আদি বিভিন্ন শ্ল'গানেৰে ৰহা চহৰ মুখৰিত কৰি তুলি ৰহা চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত উপস্থিত হৈ উক্ত প্ৰত্ৰ প্ৰেৰণ কৰে।

# এঙু জিল ইংলিছ স্কুল, উপাসনা ফাইন আৰ্টচৰ বাৰ্ষিক অনুষ্ঠানৰ সফল সামৰণি

**অসম বাৰ্তা, মঙলদৈ, ১৮ ফেব্ৰুৱাৰী ঃ** মঙলদৈ ব্লক চ'কস্থিত জেক এঙু জিল ইংলিছ স্কুল, উপাসনা ফাইন আৰ্টচ, উপাসনা কালচাৰেল একাডেমী, চি এল পি এবাকাচৰ বাৰ্ষিক অনুষ্ঠানটি আজি মঙলদৈ ব্লক চ'কৰ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই বাৰ্ষিক অনুষ্ঠানটি শুভ উদ্বোধন কৰে দৰং জিলাৰ ন্যায়িক আদালতৰ বিষয়া মৃণালিনী দাসে। অনুষ্ঠানত সাংবাদিক গণেশ দত্ত, মঙলদৈ সনাতন ধৰ্মসভাৰ উপ সভাপতি উপেন্দ্ৰ চহৰীয়া, মঙলদৈ জিলা কাৰাগাৰৰ অধীক্ষক কল্যাণ চৌধুৰী আৰু জিলা কাৰাগাৰৰ জেইলৰ মনামী হুজুৰ উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। বিদ্যালয়ৰ সংগীতৰে আৰম্ভ হোৱা অনুষ্ঠানত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে উপেন্দ্ৰ চহৰীয়া আৰু কল্যাণ চৌধুৰীয়ে। বিদ্যালয়ৰ অধ্যক্ষ দিলীপ কুমাৰ ডেকাই পৰিচালনা কৰা এই অনুষ্ঠানত বিদ্যালয়ৰ খেল ধেমালি আৰু অন্যান্য প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰা ছাত্ৰ ছাত্ৰীক বঁটা প্ৰদান কৰা হয়। আনহাতে সত্ৰীয়া নৃত্যৰ প্ৰথমাত দৰ্শা প্ৰিয়ম ডেকা, প্ৰাৰম্ভিকত জ্যোতিষ্মিতা ডেকা, সতৃষ্ণা ডেকা, প্ৰতিষ্ঠিতা শৰ্মা, প্ৰাথমিকত দিক্ষিতা শৰ্মা, শাস্ত্ৰীয় সংগীতত পুৰঞ্জনি শাণ্ডিল্য, আৰ্টৰ ডিপ্লমাত অবিনাশ ডেকা, প্ৰিপেটৰীত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত হৰ্ষিতা ডেকাক বঁটা প্ৰদান কৰা হয়। তদুপৰি এই অনুষ্ঠানত দশৱতাৰ নৃত্য, কৃষ্ণ নৃত্য, ভোৰতাল নৃত্য, কেবাটাও আধুনিক নৃত্য প্ৰদৰ্শন কৰা হয় বুলি অনুষ্ঠান সমূহৰ

# গোসাঁইগাঁৱৰ ৰেষ্টেক-পুৰত আঠটা চোৰাং গৰুসহ এখন বাহন জব্দ

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** অবৈধ গোধন সৰবৰাহ প্ৰতিৰোধ কৰাৰ বাবে আৰক্ষী প্ৰশাসন কঠোৰ স্থিতি গ্ৰহণ কৰাৰ পাছতো উজনি-নামনিত গৰুৰ চোৰাং বেহা আৰু সৰবৰাহ হৈয়ে আছে। বিশেষকৈ আন্তঃৰাজ্যিক সীমান্তত গৰুৰ চোৰাং ব্যৱসায়ীৰ দৌৰাত্ম্য আৰক্ষীৰ কঠোৰ স্থিতিৰ পাছতো যে অব্যাহত আছে আজি পুনৰ সেয়া স্পষ্ট হ'ল। আজি ৰাতিপুৱাই গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰাই গোপন খবৰৰ ভিত্তিত অভিযান চলাই গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰ সংলগ্ন ৰেষ্টেকপুৰত ২৭ নম্বৰ ঘাইপথত বৈ থকা গৰু বোজাই এ এছ-১৫ এ চি- ৭৩৫৯ নম্বৰৰ এখন বলেৰো পিক্আপ ভান আটক কৰে। আটক কৰা পিক্আপ ভান খনত তালাচী চলোৱাত সেইখন গাড়ীৰ পৰা আঠটা পূৰ্ণ বয়স্ক গৰু উদ্ধাৰ হয়। গাড়ীখনত ধানৰ বাকলিৰ বস্তা বোজাই কৰি তাৰ তলত আঠটাকৈ গৰু চোৰাংকৈ অসমলৈ নি আছিল। গাড়ীখন পশ্চিম বংগৰ পৰা শ্ৰীৰামপুৰ হৈ অসমত প্ৰৱেশ কৰে বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। ইপিনে চালক তথা গো সৰবৰাহকাৰী সকলে আৰক্ষীৰ অভিযানৰ বিষয়ে পূৰ্বেই জ্ঞাত হৈ গাড়ীখন পথৰ দাঁতিত ৰখাই পলায়ন কৰে যদিও আৰক্ষীয়ে গাড়ীখনৰ নথি পত্ৰ নিৰীক্ষণ কৰি গো সৰবৰাহকাৰীৰ সন্ধান উলিয়াবলৈ তদন্ত অব্যাহত ৰাখিছে বুলি মহকুমা আৰক্ষীৰ সূত্ৰত জানিবলৈ দিয়ে।

শ শ সংখ্যালঘু লোকৰ বিজেপিত যোগদান

# বেজেৰা মণ্ডল সংখ্যালঘু মৰ্চাৰ উদ্যোগত মান্দাকাটাত বিজেপিৰ বিশাল যোগদান কাৰ্যসূচী

**অসম বাৰ্তা, চাংসাৰি, ১৮ ফেব্ৰুৱাৰী ঃ** কমলপুৰ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টী বেজেৰা মণ্ডল সংখ্যালঘু মৰ্চাৰ উদ্যোগত মান্দাকাটাত আজি সন্ধিয়া এক বিশাল যোগদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰাপ্ত বাতৰি অনুসৰি আজি উত্তৰ মান্দাকাটাস্থ মান্দাকাটা গাঁও পঞ্চায়ত কাৰ্যালয় চৌহদত অনুষ্ঠিত এই যোগদান কাৰ্যসূচীত শিঙাৰপাৰা, তিতকুছি, খেহেনীপাৰা, আগডলা আৰু মান্দাকাটা গাঁও পঞ্চায়তৰ চাৰি শতাধিক কংগ্ৰেছ নেতা কৰ্মীয়ে ৰাজহুৱাভাৱে বি জে পি দলত যোগদান কৰে। উল্লেখযোগ্য যে আজি বিজেপিত যোগদান কৰা সকলৰ ভিতৰত অধিকাংশই ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোক। বি জে পি দলৰ প্ৰতি আস্থা প্ৰকাশ কৰি এই সকল লোকে বি জে পি দলত যোগদান কৰে। যোগদান কাৰ্যসূচীৰ লগত সংগতি ৰাখি আয়োজিত সভাত আদৰণী ভাষণ প্ৰদান কৰে বেজেৰা মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি আয়েজুল হকে। সভাত বক্তব্য প্ৰদান কৰে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী আৰু কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই। দিগন্ত কলিতাই নিজৰ বক্তব্যত খিলঞ্জীয়া মুছলমান আৰু হিন্দু সকল ভাই-ককাই বুলি উল্লেখ কৰি এই সমন্বয় অসমত সদায় বৰ্তি থাকিব বুলি উল্লেখ কৰে। বিজুমা বেগমে আঁত ধৰা আজিৰ সভাত উপস্থিত থাকে ক্ৰমে, ৰাজ্যিক সংখ্যালঘু আয়োগৰ অধ্যক্ষ তবিবৰ ৰহমান, উত্তৰ কামৰূপ জিলা বি জে পি সংখ্যালঘু মৰ্চাৰ সভাপতি চহিদুল ইছলাম, বেজেৰা-শিঙাৰপাৰা জিলা পৰিষদৰ সদস্য কিৰণ চন্দ্ৰ কাকতি, বিজেপি বেজেৰা মণ্ডলৰ সভাপতি নয়ন বড়া, সম্পাদক মানৱেন্দ্ৰ ডেকা, মান্দাকাটা গাঁও পঞ্চায়তৰ সভাপতি বীৰেণ বৈশ্য প্ৰমুখ্যে কেইবাগৰাকীও গণ্যমান্য ব্যক্তি।

## হৃদক্ৰিয়া বন্ধ হৈ ৭৫ বছৰ বয়সত পৰলোক গমন

# টিপং নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক দৌলত শইকীয়াৰ আকস্মিক বিয়োগ

**অসম বাৰ্তা বিশেষ, জাগুন, ১৮ ফেব্ৰুৱাৰী ঃ** মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত টিপং নিৱাসী অৱসৰ প্ৰাপ্ত শিক্ষক দৌলত শইকীয়াৰ আজি পুৱা প্ৰায় ৯: ০০ মান বজাত হৃদক্ৰিয়া বন্ধ হৈ ডিব্ৰুগড়স্থিত ব্যক্তিগত নাৰ্চিং হোম সঞ্জীৱনী চিকিৎসালয়ত মৃত্যু ঘটে। ২০১১ চনত উদয়পুৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা দৌলত শইকীয়া দেৱে অৱসৰ গ্ৰহণ কৰাৰ পিছত বিভিন্ন সামাজিক কাম কাজৰ সৈতে জড়িত হৈ আছিল। ১৯৫১ চনত জন্মগ্ৰহণ কৰা দৌলত শইকীয়া দেৱৰ ৭৫ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতে ভাৰ্যা, একমাত্ৰ জী-জোঁৱাই আৰু দুগৰাকী নাতিনী, দুগৰাকী পুত্ৰ আৰু বোৱাৰী সহিতে চাৰি গৰাকী নাতিনী ইহ সংসাৰত এৰি থৈ যায়। শইকীয়া দেৱৰ মৃত্যুৰ খবৰে সমগ্ৰ টিপং অঞ্চলত এক শোকাকুল পৰিৱেশে বিৰাজ কৰা পৰিলক্ষিত হৈছে।

# জামাদাৰপাৰাবাসীৰ সৈতে হোৱা মত-বিনিময় অনুষ্ঠানত উপস্থিত যুৱ সমাজকৰ্মী ৰূপম চন্দ্ৰ ৰায়

**অসম বাৰ্তা, কোকৰাঝাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** ভোটগাঁওস্থিত জামাদাৰপাৰা এল.পি. স্কুল প্ৰাঙ্গণত জামাদাৰপাৰা ৰাইজৰ মাজত এখন মতবিনিময় সভা অনুষ্ঠিত হয়। এই সভাত গাওঁখনত থকা কোচৰাজবংশী জনগোষ্ঠীয় লোকসকলক উন্নয়নৰ দিশত কিদৰে আগবাঢ়ি যাব লাগিব সেইবিষয়ে বিভিন্ন দিশত পৰামৰ্শ আগবঢ়ায় মুখ্য অতিথিহিচাপে উপস্থিত থকা ৰূপম চন্দ্ৰ ৰায়। আগন্তুক বিধানসভা নিৰ্বাচনত কোচৰাজবংশী জনগোষ্ঠীৰ লোকসকলে যাতে সজাগ থাকে তাৰো বিষয়ে মন্তব্য আগবঢ়ায়। আলোচনাত ইতিমধ্যে বৰ্তমানৰ বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী নেতৃত্বৰ চৰকাৰখনে কোচৰাজবংশী জনগোষ্ঠীয় লোকসকলক যথেষ্টখিনি মৰম কৰাৰ বাবে জনগোষ্ঠীটোৰ পৰা এগৰাকী কাৰ্যবাহী পাৰিষদ হিচাপে কৰ্মেশ্বৰ ৰায়ক দায়িত্ব অৰ্পণ কৰাৰ বাবে ৰাইজেও বিটিচি চৰকাৰখনক ধন্যবাদ জনায়। জামাদাৰপাৰাৰ উঠি অহা যুৱপ্ৰজন্মক খেলৰ প্ৰতি উৎসাহিত কৰাৰ বাবে কোচৰাজবংশী যুৱ উন্নয়ন চ'চাইটিৰ অধ্যক্ষ ৰূপম চন্দ্ৰ ৰায়ে ক্ৰিকেট খেলৰ বেট, ষ্টিক আৰু বল প্ৰদান কৰে। এই মতবিনিময় অনুষ্ঠানত আক্ৰাছুৰ সাংস্কৃতিক সম্পাদক গিৰেন ৰায়, বিপিএফ'ৰ সম্পাদক অলোক ৰায়, বিশিষ্ট সমাজকৰ্মীসকল সঞ্জীত বৰ্মন, পৃথিৰাজ ৰায়ৰ লগতে স্থানীয় ব্যক্তিসকল উপস্থিত থাকে।

ৰঘুনন্দনপুৰত উত্তেজনা; হত্যাকাৰী স্বামীৰ ফাঁচীৰ দাবী শোকসন্তপ্ত পিতৃৰ

# বইটামাৰীত ভয়ংকৰ কাণ্ড; পত্নীক নৃশংসভাৱে হত্যা কৰি স্বামীৰ আত্মহত্যাৰ চেষ্টা

**অসম বাৰ্তা, বইটামাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী আৰক্ষী থানাৰ অন্তৰ্গত ৰঘুনন্দনপুৰত আজি এক চাঞ্চল্যকৰ হত্যাকাণ্ডই সমগ্ৰ অঞ্চলটোত তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে। পাৰিবাৰিক কন্দলৰ চৰম পৰিণতি স্বৰূপে এজন পাষণ্ড স্বামীয়ে নিজ পত্নীক চোকা অস্ত্ৰৰে ডিঙি ৰেপি হত্যা কৰাৰ পাছত নিজেও আত্মহত্যাৰ চেষ্টা চলায়। প্ৰাপ্ত বাতৰি অনুসৰি, ৰঘুনন্দনপুৰ নিবাসী সমৰজিৎ নাথ আৰু তেওঁৰ পত্নী বিজুলি নাথৰ মাজত দীৰ্ঘদিন ধৰি কাজিয়া চলি আছিল। আজি এই কন্দলে ভয়ংকৰ ৰূপ ধাৰণ কৰে আৰু সমৰজিতে খঙৰ ভমকত এক চোকা অস্ত্ৰৰে পত্নী বিজুলি নাথক আক্ৰমণ কৰে। ফলত ৰক্তাক্ত অৱস্থাত ঘটনাস্থলীতেই বিজুলি নাথৰ মৃত্যু ঘটে। পত্নীক হত্যা কৰাৰ পাছত সমৰজিৎ নাথেও ডিঙি ৰেপি আত্মহত্যাৰ চেষ্টা চলায়। ঘটনাৰ খবৰ পাই স্থানীয় ৰাইজ আৰু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ৰক্তাক্ত অৱস্থাত দুয়োকে উদ্ধাৰ কৰে। সংকটজনক অৱস্থাত সমৰজিৎ নাথক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। বৰ্তমান চিকিৎসালয়ত তেওঁ মৃত্যুৰ সৈতে যুঁজ দি আছে। আনহাতে, এই কৰুণ ঘটনাই শোকৰ ছাঁ পেলোৱাৰ লগতে অঞ্চলটোত তীব্ৰ উত্তেজনাৰো সৃষ্টি কৰিছে। নিহত বিজুলি নাথৰ পিতৃয়ে এই হত্যাকাণ্ডক কোনো কাৰণতে ক্ষমা কৰিব নোৱাৰি বুলি উল্লেখ কৰি হত্যাকাৰী সমৰজিৎ নাথৰ বিৰুদ্ধে ফাঁচীৰ দাবী জনাইছে। আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে আৰু ঘটনাৰ প্ৰকৃত ৰহস্য উদঘাটনৰ বাবে তদন্ত আৰম্ভ কৰিছে।

# ধৰ্মপ্ৰাণ ব্যক্তি প্ৰফুল্ল দাসৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, বাগানপাৰা, ১৮ ফেব্ৰুৱাৰী ঃ** ধমধমাৰ নিকটৱৰ্তী গোৱালবিল গাঁৱৰ ধৰ্মপ্ৰাণ ব্যক্তি প্ৰফুল্ল দাসৰ আজি পুৱা নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৯২ বছৰ। একমাত্ৰ পুত্ৰ, চাৰি গৰাকী কন্যা, পাঁচ গৰাকী নাতি-নাতিনীৰ লগতে পৰিনাতি-নাতিনীক ইহ সংসাৰত এৰি থৈ যোৱা প্ৰফুল্ল দাসৰ মৃত্যুত গোৱালবিল উন্নয়ন সমিতি, গোৱালবিল যুৱক সংঘ, ধমধমা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনী, ধমধমা প্ৰেছ ক্লাব, ধমধমা আঞ্চলিক আক্ৰাছু, প্ৰেৰণা সাহিত্য সমাজ, বাগানপাৰা ব্লক বি পি এফ সমিতি আদিকে ধৰি ভালেমান অনুষ্ঠান -প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

স্মাৰক গ্ৰন্থ শংখনাদ উন্মোচন

# বামুণপুখুৰী ত্ৰিশূল শিৱ মন্দিৰৰ ৰূপালী জয়ন্তী বৰ্ষ শিৱৰাত্ৰী উদ্‌যাপন

**অসম বাৰ্তা, আমগুৰি, ১৮ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ পুব প্ৰান্তৰৰ জাঁজী বামুণপুখুৰী বৰাগাঁৱত বৃহত্তৰ অঞ্চলটিৰ ৰাইজৰ আধ্যাত্মিক, সামাজিক কেন্দ্ৰ হিচাপে বিশ্বশান্তি, প্ৰগতি আৰু সমন্বয়ৰ উদ্দেশ্যে সুদীৰ্ঘ ২৫ বছৰৰ পূৰ্বে স্থাপিত শ্ৰী শ্ৰী ত্ৰিশূল শিৱ মন্দিৰত যোৱা ১৫-ফেব্ৰুৱাৰীৰ পৰা ১৭ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষৰ শিৱৰাত্ৰী উৎসৱ ভাগী উদযাপন কৰিছ। এই উপলক্ষে প্ৰথম দিনা অৰ্থাৎ ১৫ ফেব্ৰুৱাৰীত পুৱা ধৰ্মধ্বজা উত্তোলন, জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে অনুষ্ঠানটোৰ সীমান্ত বৰা সম্পাদিত স্মাৰক গ্ৰন্থ শংখনাদ উন্মোচন কৰে ডিমা হাছাওৰ মাহুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা অঞ্জলি বৰাই। দ্বিতীয় দিনা বিভিন্ন ধৰ্মীয় কাৰ্য্যসূচীৰ লগতে সদৌ অসম ভিত্তি মহিলা দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত টীয়কৰ হৰিপ্ৰিয়া দিহা নামৰ দলে প্ৰথম আৰু আমগুৰিৰ বিষ্ণুপ্ৰিয়া দিহা নামৰ দলে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। তৃতীয় দিনা দিনৰ কাৰ্য্যসূচীৰ অন্তত সন্ধ্যা যোৰহাটৰ সন্মিলিত শিল্পী সমাজে পৰিৱেশন কৰে মহাপুৰুষীয়া নাট সাৱিত্ৰী সত্যবান। তিনিওদিনৰ কাৰ্য্যসূচী সমূহ সফল কৰি তোলাৰ বাবে সমূহ ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰেবানন্দ ভৰালীয়ে।

## অগ্নিবক্তা আব্দুল আজিজক পঞ্চায়তে-পঞ্চায়তে বিপুল সম্বৰ্দ্ধনা

# চামগুৰিত এআইইউডিএফ দলৰ উত্থান

**অসম বাৰ্তা, ৰূপহীহাট, ১৮ ফেব্ৰুৱাৰী ঃ** আগন্তক ২০২৬ ৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই ব্যাপক তৎপৰতা আৰম্ভ কৰিছে প্ৰতিটো ৰাজনৈতিক দলে। মধ্য অসমৰ সকলোৰে দৃষ্টি থকা সমষ্টি হৈছে চামগুৰি সমষ্টি। চামগুৰি সমষ্টিত আছে ৯২ শতাংশ সংখ্যালঘু ভোটাৰ। এই ৯২ শতাংশ সংখ্যালঘু ভোটাৰে এইবাৰ চামগুৰি সমষ্টিৰ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। চামগুৰি সমষ্টিত অগ্নিবক্তা হিচাপে পৰিচিত প্ৰাক্তন বিধায়ক আব্দুল আজিজ এআইইউডিএফ দলত যোগদান কৰাৰ পিছৰে পৰা চামগুৰি সমষ্টিৰ ৰাজনৈতিক সমীকৰণ সলনি হৈ পৰিছে। সদায় সংখ্যালঘু ৰাইজৰ হকে মাত মাতি অহা অগ্নিবক্তা আব্দুল আজিজৰ জনপ্ৰিয়তা দিনক দিনে সমষ্টিটোত বৃদ্ধি পাইছে। সমষ্টিটোত এক ব্যাতিক্ৰমি পদ্ধতি অবলম্বন কৰিছে এআইইউডিএফ দলৰ নেতা কৰ্মী সকলে। সমষ্টিটোৰ পঞ্চায়তে পঞ্চায়তে আব্দুল আজিজক বিপুলভাৱে সম্বৰ্দ্ধনা দিয়া পৰিলক্ষিত হৈছে। প্ৰতিটো পঞ্চায়তত সম্বৰ্দ্ধনা সভাত প্ৰতিদিনে নতুনকৈ শ-শ লোকে কংগ্ৰেছ দল ত্যাগ কৰি এআইইউডিএফ দলত যোগদানৰ জোৱাৰ তুলিছে। চামগুৰিত প্ৰতিদিনে শ-শ লোকে এআইইউডিএফ দলত যোগদান কৰাত বৰ্তমান দলটোৰ সাংগঠনিক ভেটি মজবুত হৈ পৰিছে। চামগুৰিত আব্দুল আজিজৰ লগত দলৰ সাংগঠনিক ভেটি মজবুত কৰাৰ কাৰণে জঁপিয়াই পৰিছে এআইইউডিএফ দলৰ কেন্দ্ৰীয় নেতা চম্পক কলিতা। যাৰ বাবে চামগুৰিত বৰ্তমান সবল স্থিতিত আছে এআইইউডিএফ দল। চামগুৰিত অগ্নিবক্তা আব্দুল আজিজৰ জনপ্ৰিয়তা দিনক-দিনে বৃদ্ধি পোৱাত শংকিত হৈ পৰিছে কংগ্ৰেছী শিবিৰ। চামগুৰিত কংগ্ৰেছৰ পৰিয়াল কেন্দ্ৰীক ৰাজনীতিয়ে অতিকৈ জুৰুলা কৰি পেলাইছে। কংগ্ৰেছৰ পৰিয়াল কেন্দ্ৰীক ৰাজনীতিত অতিষ্ঠ হৈ পৰিছে চামগুৰিবাসী ৰাইজ। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনক মানি ল'ব পৰা নাই সমষ্টিবাসী ৰাইজে। কম বয়সীয়া সৰু লৰাক চামগুৰিবাসী ৰাইজে মানি ল'বলৈ টান পাইছে। চামগুৰিত ইতিমধ্যে মুকলিকৈ কংগ্ৰেছ কেইবাটাও ভাগত বিভক্ত হৈ তাঞ্জিল হুছেইনৰ তীব্ৰ বিৰোধিতা কৰিছে। চামগুৰিত তাঞ্জিল হুছেইনৰ বাবেই বহু স্বভিমানী কংগ্ৰেছ কৰ্মী দল ত্যাগ কৰি এআইইউডিএফ দলত যোগদান কৰিছে। চামগুৰিত কংগ্ৰেছৰ পৰা যদি তাঞ্জিল হুছেইনক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে তেনেহ'লে এআইইউডিএফ দলৰ আব্দুল আজিজৰ জয় এক প্ৰকাৰ নিশ্চিত।

# কুকুৰমাৰাত চুলাই মদৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, ছয়গাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুকুৰমাৰা পহৰা চকীৰ অন্তৰ্গত কুকুৰমাৰা বজাৰত চুলাই মদৰ বিৰুদ্ধে কুকুৰমাৰা আৰক্ষীৰ অভিযান। বিগত কিছুদিন ধৰি কুকুৰমাৰাৰ অলিয়ে গলিয়ে একাংশ লোকে চুলাই মদৰ ব্যৱসায় কৰাৰ ফলত কুকুৰমাৰাৰ পৰিৱেশ বিনষ্ট হৈছিল। যাৰ ফলত অতিষ্ঠ হৈ আজি কুকুৰমাৰাৰ আৰক্ষী বিষয়া কৈলাস কুমাৰ বৰ্মনে চুলাই মদৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখে। কুকুৰমাৰা বজাৰৰ পিছফালে থকা কেবাঠাইতো অভিযান চলাই বহু পৰিমাণৰ চুলাই মদ জব্দ কৰে। জব্দ কৰাৰ সময়ত বহু মদ বেপাৰী আৰু মদ খাবলৈ অহা গ্ৰাহকে পলাই যাবলৈ সক্ষম হয়।

আৰক্ষীৰ নিৰ্দেশকো কেৰেপ নকৰে ব্যৱসায়ী, বাহন চালকে

# আনন্দ বাগানৰ সাপ্তাহিক সোমবৰীয়া বজাৰত ৰাষ্ট্ৰীয় পথত ব্যাপক যান-জঁট

**অসম বাৰ্তা, বগীনদী, ১৮ ফেব্ৰুৱাৰী ঃ** লখিমপুৰ জিলাৰ আনন্দ বাগানৰ সাপ্তাহিক সোমবৰীয়া বজাৰত অবৈধভাৱে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বড়া দোকান আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰতে ৰখাই থোৱা বাহন সমূহ বিপদৰ কাৰণ হৈ পৰিছে। এই অবৈধ কাৰ্যৰ বাবে ভয়ংকৰ দুৰ্ঘটনাৰ আশংকা ঘণিভূত হৈছে। আনন্দ বাগানত বড়া সাপ্তাহিক সোমবৰীয়া বজাৰৰ দিনা ১৫নং ৰাষ্ট্ৰীয়পথত ব্যাপক যান-জঁটৰ বাবে অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে। বজাৰলৈ অহা যান-বাহন সমূহ কোনো নিয়ম শৃংখলা নমনাকৈ পথৰ কাষতেই ৰখোৱাৰ ফলত একপ্ৰকাৰৰ অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয় বজাৰৰ দিনা। সকলো নীতি-নিয়ম ভৰিৰে মোহাৰি ১৫ নং ৰাষ্ট্ৰীয়পথত গাড়ীসমূহ ৰখাই থোৱাৰ ফলত তথা ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে দোকান বড়াৰ বাবে বজাৰলৈ অহা গ্ৰাহক সকল ব্যাপক অসুবিধাৰ সন্মুখীন হৈ আহিছে। আৰক্ষীয়ে এই অবৈধ কাৰ্য নকৰিবৰ বাবে যান-বাহনৰ চালক, ব্যৱসায়িক প্ৰতিষ্ঠান তথা বজাৰৰ মহলদাৰকো নিৰ্দেশনা দিছে যদিহে আৰক্ষীৰ নিৰ্দেশনাকো তিলমানো গুৰুত্ব প্ৰদান কৰা নাই। আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আছে যদিও কিন্তু আচৰিতভাৱে মৌন হৈ ৰৈছে আৰক্ষী।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন